গেজেট বৰুৱাৰ

খোলাকটিৰ তাল

(হাস্য-ব্যঙ্গ)

দাসো কলিতা

Gazette Baruar **"Kholakotir Tal"** – A collection of wit and humour by **Sri Dasho Kalita**.

গেজেট বৰুৱাৰ 'খোলাকটিৰ তাল'

হাস্য-ব্যঙ্গ সংকলন

দাসো কলিতা

প্ৰথম প্ৰকাশ ঃ **নৱেম্বৰ ২০০৭**

বেটুপাত ঃ **শ্ৰীশ্যাম মহন্ত**

গ্ৰাফিক্‌চ ঃ **নৱ**

পৃষ্ঠা অলংকৰণ ঃ **চন্দন চুতীয়া**

প্ৰকাশক ঃ **মৰমলেণ্ডৰ হৈ মৰম কুমাৰ**

ডিটিপি/লে-আউট ঃ **দিপালী হাজৰিকা**

ছপা ঃ

ডন প্ৰিন্টাৰ্ছ

জয়ানগৰ, গুৱাহাটী-২২

মূল্য ঃ

পঞ্চাশ টকা মাত্ৰ

উছৰ্গা

যি সকলে হাঁহিম বুলিও
হাঁহিব পৰা নাই
তেওঁলোকৰ হাতত

— গেজেট বৰুৱা

মৰমলেণ্ডুৰ ক'বলগীয়া

এগৰাকী প্ৰতিষ্ঠিত লেখক তেওঁ। তেওঁ গল্প লিখে আৰু ব্যংগ লেখক হিচাপে জনপ্ৰিয়। গেজেট বৰুৱা তেওঁ। ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত নাট্যকাৰ দাসো কলিতাৰ ছদ্মনাম এয়া। ইতিপূৰ্বে প্ৰকাশ পাইছে কলিতাৰ কেবাখনো গল্প সংকলন। আৰু এইবাৰ আমি মৰমলেণ্ডুৰ তৰফৰ পৰা আপোনালোকলৈ আগবঢ়াব খুজিছো 'গেজেট বৰুৱা' নামেৰে তেওঁৰ ইতিমধ্যে বিভিন্ন কাকতত প্ৰকাশিত ভালেসংখ্যক হাস্য-ব্যংগ লিখনিৰ একত্ৰিত সংকলন 'খোলাকটিৰ তাল'। অসম সচিবালয়ৰ নিষ্ঠাৱান চাকৰিয়াল তথা অভিজ্ঞ এই লেখকগৰাকীৰ গ্ৰন্থ এখনৰ প্ৰকাশৰ দায়িত্ব ল'বলৈ পাই আমি 'মৰমলেণ্ডু' খুবেই গৌৰৱান্বিত। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই কাটি থৈ যোৱা ব্যংগ-সাহিত্যৰ বাটটোত গেজেট বৰুৱাৰ কলমে যে যোগ্যতাৰে খোজ দিব পাৰিছে সেয়া আমি ইতিমধ্যেই অনুধাৱন কৰিছো। সন্মানীয় পাঠকসমাজ— এতিয়া ইয়াক অনুধাৱন কৰাৰ দায়িত্ব আপোনালোকৰ। আহক এইগৰাকী সফল লেখকৰ 'খোলাকটিৰ তাল'ৰ মাজত হাস্যৰসৰ মধুৰ সুধা পান কৰো।

লেখকলৈ মৰমলেণ্ডুৰ তৰফৰ পৰা থাকিল অন্তৰভৰা শুভেচ্ছা।

— মৰম কুমাৰ

সঞ্চালক, মৰমলেণ্ডু

গুৱাহাটী-৫

আপোনাকহে কৈছো দেই

শুনিছেনে! যান্ত্রিক সভ্যতাৰ ঘড়ীৰ কাঁটাৰ আগত দৌৰি ফুৰা মানুহবোৰে হেনো হাঁহিবলৈ পাহৰি গৈছে। পাহৰি নগৈনো কি হ'ব? কি সুখতনো হাঁহিব? বোলে "ৰজাই ফুৰে ভিক্ষা মাগি, ধনীৰ টিকাত ফটা কানি।" কি হাঁহিব?

হাঁহিবলৈ পাহৰা মানুহবোৰক হাঁহিৰ চাবুকেৰে কোবাই কোবাই হুহুৱাইছিল লক্ষ্মীনাথ বেজবৰুৱাদেৱে। সাহিত্যৰথী বেজবৰুৱাৰ কাষেৰে যাব পৰাৰ যোগ্যতাও আমাৰ নাই। তথাপি তেখেতৰ পদাঙ্কনুসৰণ কৰিয়েই কলম ঘঁহোৱা আৰম্ভ কৰিছিলো। কলেজীয়া দিনৰ পৰা আজিলৈকে কলম ঘঁহায়েই আছো। ধাৰ উঠাব হ'লে পৰা নাই। পিচে ঘঁহাবও এৰা নাই। বহুত দিন ঘঁহোৱাৰ পিচত প্ৰথম জন্ম হৈছিল 'দ্যা ভাল হৈছি'। তাৰ বহুদিন পিচত 'তৈলমৰ্দনৰ কথা অমৃত সমান'। তাৰ পিচত.... ঘঁহাই থাকো আৰু জন্ম হোৱাৰ লগে লগে কোনোবা কাকত বা আলোচনীলৈ পঠাই দিওঁ পঢ়ুৱৈৰ মাজলৈ লৈ যোৱাৰ বাবে।

সেই সমস্ত হাঁহিৰ সমষ্টি 'খোলাকটিৰ তাল'। মানে আমাৰ কথানো "কাক ক'ম কোনে শুনিব, কাৰ মূৰত ধৰিম কোনে বতিয়াব।" গতিকে সকলো "গালো বালো খোলাকটিৰ তাল"। তথাপিও কিতাপৰ ৰূপ দিয়াৰ মন কৰিলো কোনোবাই কিজানি পঢ়ি চায়েই। সেই আশাৰে। চাওঁকচোন পঢ়ি আপুনিও এবাৰ।

কিতাপখন জন্ম দিয়াৰ ক্ষেত্ৰত প্ৰসূতি গৃহলৈ নিয়াৰ আগৰ পৰা জন্মদিনলৈকে ডাক্তৰ, কবিৰাজ, নাৰ্চ, সহায়িকা আদি ৰূপত বহুতে বহুত ধৰণে সহায় কৰিছে। এজন এজনকৈ কাৰো নাম নকৈ সমূহীয়াকৈ সকলোৰে বাবে শলাগৰ শৰাইখন আগবঢ়ালো। নিজগুণে সন্তুষ্ট হয় যেন।

— দাসো কলিতা

কদলি কানন
গণেশ নগৰ, বশিষ্ঠ,
গুৱাহাটী-২৯

সূচী

১। কিতাপ বনাম মাংস /১

২। দ্যা ভাল হৈছি /৭

৩। দুয়ে একে শূণ্য /১৩

৪। আদাক দেখি উঠিল গা /১৯

৫। হাবুঙ্গত নুন্ সস্তা /২৫

৬। ভেটি নিয়ন্ত্রণ বিধেয়ক /৩২

৭। সদৌ অসম ছাত্রী সন্থা /৩৬

৮। বিউ-বিহ্-উহ্ঁ-বিহু /৪১

৯। বিষত উহ্ঁ উহঁ বিহু /৪৫

১০। কাউৰীৰ পেখম /৪৯

১১। আত্মাৰামৰ বিহ্-উ দৰ্শন /৫৪

১২। তৈল মৰ্দনৰ কথা অমৃত সমান /৬০

১৩। ভি, আই, পি /৬৪

১৪। সঙ্গ দোষ /৬৯

ভাগ - (২)

১৫। মবাইল মুৰ বইল /৭৪
১৬। সাহসিকতাৰ পুৰস্কাৰ /৭৬
১৭। হৃদৰোগ হোৱাৰ কাৰণ /৭৮
১৮। যুঁজ - পানী খুৱাই দিম /৮০
১৯। ৰাসলীলা /৮২
২০। বিশ্বকৰ্মা পূজা আৰু গাই ভগোৱাৰ কাহিনী /৮৪
২১। বানপানীৰ উপকাৰিতা /৮৬
২২। সাগৰ দেখিছা ? /৮৮
২৩। ছিক্রেট /৯০
২৪। কংসৰ জন্মোৎসব /৯২
২৫। স্বাধীন মানে নিজৰ ভৰিত থিয় হোৱা /৯৪
২৬। মদৰ দোকানত শংকৰদেৱ /৯৬
২৭। কাৰ ৰেলী সদায় হওক ঃ প্ৰধানমন্ত্ৰী সদায় আহক /৯৮
২৮। কাৰ ৰেলীৰ লাভ /১০০
২৯। দেৱালী ভাৰতৰ জাতীয় উৎসৱ /১০২
৩০। যা দেৱী সৰ্বভূতেষু /১০৪
৩১। দেৱী দুৰ্গাৰ আগমন, বিচাৰি মহিষাসুৰগণ /১০৬
৩২। দুই ম'হৰ যুঁজ ঃ বিৰিণাৰ মৰণ /১০৮
৩৩। ফটো পৰিচয় পত্ৰ /১১০

কিতাপ বনাম মাংস

নবেম্বৰ মাহৰ পৰা মাৰ্চ মাহলৈ সাহিত্যৰ বতৰ। এপ্ৰিল আৰু মে' মাহত বিহুৱে খেদি লৈ ফুৰে। জুন-জুলাই মাহত গেলা গৰম আৰু বানপানীৰ লগত যুঁজ সামৰাৰ পাছত আগষ্ট মাহৰ পৰাহে সাহিত্যৰ কঠীয়া সিঁচা আৰম্ভ কৰে সাহিত্যিকসকলে। অৱশ্যে পেচাদাৰী সাহিত্যিকসকলৰ কথা সুকীয়া। তেওঁলোকক বতৰে স্পৰ্শ কৰিব নোৱাৰে। বতৰৰ বাৰমাহে সাহিত্যৰ খেতি কৰে তেওঁলোকে আৰু সাহিত্যৰ ফলো বেচে বাৰমাহে। অপেচাদাৰী সাহিত্যিক সকলেহে বতৰ চাই কঠীয়া সিঁচে। তাৰে ভিতৰত কিছুমানৰ খেতি ভাল হয়, কিছুমানৰ গান্ধী পোকে খায়। মইও অপেচাদাৰী সাহিত্যিকৰ সংঘত যোগদান কৰিম বুলি ভাবিছো। গতিকে নবেম্বৰত নোৱাৰিলেও ডিচেম্বৰ মাহত সাহিত্যৰ ফচল উলিয়াই দিব পৰাকৈ এই আগষ্ট মাহতেই সাহিত্যৰ কঠীয়া সিঁচিব লাগিব। ছেপ্টেম্বৰ-অক্টোবৰ এই দুমাহ প্ৰতিপালন কৰোতে লাগিব। গতিকে— সাহিত্য, খেতি একো আঁতিগুৰি নাপাই বেঙাৰ দৰে হা-কৈ মুখ মেলি থিয় হৈ থকা ঘৈণীয়েকলৈ চাই মাষ্টৰে বুজাবৰ চেষ্টা কৰিলে। হেৰা, নবেম্বৰ-ডিচেম্বৰ মাহৰ পৰা যে সাহিত্য সভাৰ মিটিংবোৰ হয় পেপাৰত দেখিছানে নাই! অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, মিচিং সাহিত্য সভা, ৰাভা সাহিত্য সভা, তিৱা সাহিত্য সভা, জিলা সাহিত্য সভা, শাখা সাহিত্য সভা, কিমান সাহিত্য সভাৰ বাতৰি ওলাই থাকে। দেখা নাই জানো পেপাৰত? তাকেই ক'ব খুজিছো। সেই সাহিত্য সভাবিলাকত সাহিত্যিকৰ মেলা বহে, সাহিত্যৰ বজাৰ হয়। তাত কিছুমানে সাহিত্য বেচে, কিছুমানে কিনে। সেই কেইমাহ অসমৰ আকাশত সাহিত্যৰ গোন্ধ, অসমৰ বতাহত সাহিত্যৰ গোন্ধ। আৰু সাহিত্যিকসকলৰ 'ঘৰতো নবহে মন, অফিচতো নবহে মন। চাহৰ কাপতো সাহিত্যৰ ধোঁৱা। বুজিছা?'

'জানো পায়, কি কৈছে এইবোৰ! মই হ'লে একো বুজা নাই।' —ঘৈণীয়েকে ভেকাহি মাৰিলে।

'বুজা নাই, নহয়? বুজিবা। লাহে লাহে বুজিবা। বুজাৰ চেষ্টা কৰাচোন। বাৰু কোৱাচোন, আমাৰ বিয়া হ'বৰ কেইবছৰ হ'ল?' মাষ্টৰে সুধিলে।

'কেলেই, যোৱা ব'হাগত ২৪ বছৰ হৈ যোৱা নাই জানো? তাকো পাহৰিলেনে?'

'তাকেইতো ক'ব খুজিছো। ২৪ বছৰ হৈ গৈ ২৫ বছৰত সোমাল, মানে ৰূপালী জয়ন্তী বৰ্ষ আৰম্ভ হৈছে। এতিয়া নিয়ম মতে আমি...'

'এ-স্! ৰূপালী, সোণালী যি হয় হৈ থাকক। মোৰ সেইবোৰ দৰকাৰ নাই। কাপোৰ এসোপাত চাবোন দি থৈছো। সোনকালে ধুব লাগে।' উচাৎ মাৰি যাব ওলাল ঘৈণীয়েক।

'হেৰা, ৰ'বাচোন, শুনা। আজি ২৪ বছৰে তুমি কাপোৰ ধোৱা, বাচন ধোৱা, ভাত ৰন্ধা সেইবোৰেইতো কৰি আছা আৰু মইও আজি ৩৫ বছৰে স্কুললৈ যোৱা, বজাৰ কৰা, কোৰ মৰা, শাক-পাচলিৰ খেতি কৰা সেইবোৰকে কৰি আছো। সদায় এনেকৈ থাকিমনে? গতিকে মই ভাবিছো..... চোফাৰ ওপৰত ভৰি দুখন উঠাই আঁঠু নচুৱাই নচুৱাই ঘৈণীয়েকলৈ চাই সুধিলে— এইটো কি মাহ?'

'উৱা, তাকো পাহৰিলেনে? আগষ্ট মাহ আকৌ।'

অসমীয়া?'

'জানো, কি মাহ আছিল! আজিকালি দেখোন ইংৰাজী মাহ মতেহে হিচাপ হয়। দৰমহাও জানো ইংৰাজী মাহৰ হিচাপত নিদিয়ে?'

'দিয়ে, দিয়ে। ইংৰাজ চাহাবসকলে আমাক চাহাব কৰি থৈ গ'ল নহয়। গতিকে আমাৰ অসমীয়া মাহ কিয় মনত থাকিব? বাৰু হ'ব দিয়া। এই যে অলপ আগতে সাহিত্যৰ খেতিৰ কথা কৈছিলো। ময়ো এই আগষ্ট মাহৰ পৰাই সাহিত্যৰ খেতি আৰম্ভ কৰিম বুলি ভাবিছো। বেলেগ কাম বাদ। এই কেইদিন বহি বহি কবিতাৰ খেতি কৰিম আৰু ডিচেম্বৰৰ আগে আগে কিতাপ এখন উলিয়াই সাহিত্যৰ বজাৰলৈ নিব পাৰিলে দেখিবা নহয়। মাষ্টৰ দীনবন্ধুৰ নাম এককোবে কবি দীনবন্ধু শৰ্মা হৈ যাব।

'এস্, হৈছে হৈছে। এই বুঢ়া বয়সত কবি হৈ মোক সোণৰ সোলেংখন আনি দিব নালাগে। ইমান বছৰে মাষ্টৰ হৈ যি দিছে তাতেই আটিছে। কাম কৰিবৰ মন নাই যদি বহি থাকক। ইমান পাক লগাই কথা ক'ব নালাগে। বোলে হৰি নামত নাই ৰতি, ঘৰৰ বনো হয় ক্ষতি।'

'বুঢ়া বয়সত মানে? হে-ৰা! মন্ত্ৰী এম.এল.এ-ৰ কিবা বুঢ়া-ডেকা আছে? নাই। কবি-

সাহিত্যিকৰো বুঢ়া-ডেকা নাই। গুৰুজনাই দেখোন কৈ গৈছে বোলে আপুনি বয়স হৈলে বুদ্ধি হৈবে ভাল। গতিকে.... —ভৰি নচুৱাই নচুৱাই কৈ গ'ল মাষ্টৰে, 'আৰু কিতাপখন ওলোৱাৰ পিছত যেতিয়া পেপাৰত ওলাব 'কবি দীনবন্ধু শৰ্মালৈ.... চৰকাৰৰ পৰা সাহিত্যিক পেঞ্চন'! তেতিয়া তোমাৰ কেনে লাগিব কোৱাচোন। মাষ্টৰ দীনবন্ধু শৰ্মাক কেইজন মানুহে চিনি পায়। কিন্তু কবি দীনবন্ধু শৰ্মাক — ?'

'হৈছে হৈছে! বোলে 'গছত কঠাল ওঁঠত তেল, নৌখাওঁতে চেলবেল।' কলম নধৰোতেই একেকোবে সাহিত্যিক পেঞ্চন।'

'কি ক'লা, কলম ধৰা নাই? হেৰা, কবিতাও লিখিলো আৰু সাহিত্যিক পেঞ্চনৰ বাবে ফিটিঙো কৰিলো। কি বুলি ভাবিছাহে অমুকাক? শুনিবা নেকি কবিতা এটা? শুনা—

দৰমহা দৰমহা বুলি মাষ্টৰ বলীয়া
নেদেখে দৰমহাৰ মুখ।
বিয়া ঠিক হোৱা কইনাই এৰিলে
আৰু লাগেনে দুখ?

'কেনে? কেনে পালা?'

'ইস্, কিনো নতুন কথাটো লিখিলে? দৰমহা নোপোৱা কথাটো দেখোন সদায় লিখিয়েই থাকে পেপাৰত।' মুখ পেকেটাই দিলে মাষ্টৰণীয়ে।

'পেপাৰত ওলোৱা আৰু কিতাপত ওলোৱা একে কথা নহয় নহয়। পেপাৰত নিউজ ওলায় আৰু মোৰ কবিতা পুথিত কবিতা হৈ ওলাব। কবিতা মানে— কবিতা নহয় যেনিবা একোটা বন্দুকৰ গুলিহে। এই বন্দুকৰ গুলিবোৰে সকলোৰে বুকুত এনেধৰণে খুন্দা মাৰিব যে খুন্দাত ৰ'ব নোৱাৰি সাহিত্য সভাই কিবা এটা বঁটা আৰু চৰকাৰে সাহিত্যিক পেঞ্চন দিবলৈ বাধ্য হ'ব।'

'হ'ব হ'ব। সাৰ দি ডাঙৰ কৰা হাইবৃদৰ ঢেকঢেকীয়া বগা ফুলকবিটো হৈ আপোনাৰ কবিতাইও সাহিত্যৰ বজাৰ শুৱনি কৰিব আৰু সেই ফুলকবি খাই পিত্ত হোৱাদি আপোনাৰ কবিতা পঢ়িও যদি.....'

সাহিত্যিক পেঞ্চন। বঁটা। মিটিং। সম্বৰ্ধনা। গামোচা।

'হেৰি। এখন কবিতাৰ পুথি লিখিয়েই যে সেইবোৰ পোৱাৰ সপোন দেখিছে, দেশত সাহিত্যিক নোহোৱা হ'ল নেকি?'

'সাহিত্যিক নাই বুলি কোনে ক'লে। আছে, এটাৰ মূৰত কোব মাৰিলে এশজন

মৰাকৈ আছে। পিছে আমাৰ দৰে ক্ষণজন্মা সাহিত্যিক, কবি কেইজন আছে দেখুৱাই দিয়াচোন। কিমানে কলম ঘঁহাই ঘঁহাই কেঁচা চুলি পকালে। কিমানে গধুৰ গধুৰ কিতাপ লিখি গুদাম ভৰাই পেলালে। কিন্তু বঁটা পাইছে কেইজনে? সাহিত্যিক পেঞ্চন কেইজনে পাইছে? নেপায়। কিন্তু প্ৰেমিকলৈ লিখা প্ৰেমৰ চিঠিত কবিতা লিখা পিলিঙা ডেকা সাহিত্যিকেও সাহিত্যিক পেঞ্চন পাব পাৰে। বিহুৰ স্মৰণিকাত বিহু সমিতিৰ সভাপতিৰ জীৱনী লিখা সাহিত্যিকেও পাব পাৰে সাহিত্যিক পেঞ্চন বা মোৰ দৰে মাষ্টৰৰ দৰমহাৰ বিষয়ে কবিতা লিখা কবিও পাব পাৰে সাহিত্যিক পেঞ্চন। আৰু পঢ়ুৱৈৰ বুকুৰ ধপ্‌ধপনি তুলিব পৰা সাহিত্যিকেও সাহিত্যিক পেঞ্চন নাপাব পাৰে।'

'কিয় জানানে? নাজানা। শুনা। আচল কথা হ'ল যিখিনি সাহিত্যিকে সাহিত্য সৃষ্টি কৰিব জানে তেওঁলোকে ফিটিং কৰাৰ কায়দা-কিটিপ নাজানে। সেইকাৰণে তেওঁলোকে গোটেই জীৱন কলম ঘহাই থাকোতেই যায়। অৱশ্যে তাৰ ভিতৰত দুই-চাৰিজনক চৰকাৰে সাহিত্যিক পেঞ্চন নিদিয়া নহয়, দিছে। কিছুমানক বাধ্যত পৰি, কিছুমানক দয়া কৰি। কিন্তু কিবা অকমান লিখিয়েই সাহিত্যিক পেঞ্চন লৈ ডাঙৰ সাহিত্যিক বুলি চৰকাৰৰ পৰা স্বীকৃতি আদায় কৰিব লাগিলে ফিটিং কৰিব জানিব লাগিব। ফিটিং মাষ্টিৰৰ জৰিয়তে মই ইতিমধ্যে ফিটিং কৰি থৈছো, মাথো কিতাপ এখন উলিয়ালেই হ'ল।'

'আৰু। দেখিলেহে লেখিম।'

'হেৰা, ফিটিং কৰি যদি এ.চি.এছ মানে হাকিমৰ চাকৰি পাব পাৰি সাহিত্যিক পেঞ্চন আদায় কৰাটো কি ডাঙৰ কথাহে। ফিটিং বুজিছা, ফিটিং। ফিটিং কৰিব জানিলে.... । ১৫ আগষ্টৰ দিনা চৰকাৰে ঘোষণা কৰা সাহিত্যিক পেঞ্চনাৰৰ নামৰ তালিকাত (বাতৰি কাকতত) দীনবন্ধু শৰ্মা, শিক্ষক, নাওকাটা এল.পি স্কুল নামটো ওলায় নে নোলায় চাই থাকাচোন।'

মাষ্টৰণীয়ে চাই থাকক বা নাথাকক দীনবন্ধু মাষ্টৰে কিন্তু কবিতা বুলি কেইটামান পদ্য লিখিলে। এটা দুটা নহয়, ২০টা পদ্য। কিতাপো ছপা কৰিলে। নাম দিলে 'মাষ্টৰ পুৰাণ'। আৰু মাষ্টৰ পুৰাণৰ টোপোলা এটা লৈ সাহিত্য সভালৈও গ'ল। এনেয়ে নহয়, প্ৰতিনিধি হৈ। স্থানীয় নাওকাটা সাহিত্য সভাৰ সম্পাদকক ফিটিং কৰি তাৰ জৰিয়তে। প্ৰতিনিধি শিবিৰত ভৰি দিয়েই মাষ্টৰৰ হিয়াত আনন্দৰ ঢৌ। একেলগে ইমান সাহিত্যিক? তেওঁ মনে মনে হিচাপ কৰি চালে, প্ৰতিজন প্ৰতিনিধিয়ে এখনকৈ কিনিলেও প্ৰতিজনক দিব পৰাকৈ কিতাপেই নুজুৰিব দেখোন মাষ্টৰৰ। হওঁক তেওঁ, যিখিনি আনিছে সেইখিনি বিক্ৰী হ'লেও হ'ব। সেইখিনি মাষ্টৰ পুৰাণ প্ৰতিনিধিসকলৰ হাতে হাতে গৈ অসমৰ চুকে-কোণে সিঁচৰতি হৈ পৰিলেও বহুত কাম হ'ব। তেওঁৰ মতে আইনাত দেখাদি

মাষ্টৰসকলে নিজৰ প্ৰতিবিম্ব দেখিবলৈ পাব তেওঁৰ 'মাষ্টৰ পুৰাণ'ৰ মাজত।

সমো শৰ্মাই নাৰায়ণ পূজাৰ খীৰৰ টেকেলিটো আগত লৈ সপোন দেখি থকাৰ দৰে প্ৰতিনিধি শিবিৰৰ বিছনাৰ কাষত মাষ্টৰ পুৰাণৰ টোপোলাটো লৈ প্ৰথম ৰাতি সপোন দেখিয়েই কটালে মাষ্টৰ দীনবন্ধু শৰ্মাই। মাষ্টৰ পুৰাণখন উলিয়াবলৈহে পালে, প্ৰতিনিধিসকলৰ মাজত হেতা-ওপৰা লাগিল কিতাপখন কিনাৰ বাবে। থাওকতে শেষ হৈ গ'ল। গোটেইখিনি কিতাপ ননা বাবে আপ্‌চোচ লাগিল মাষ্টৰৰ। কিতাপ বেচি পোৱা টকাখিনি মাষ্টৰে হিচাপ কৰিব ধৰিলে— কিতাপখন ছপা কৰাৰ সময়ত ছঁচাইটিৰ পৰা লোৱা টকাখিনি ঘূৰাই দিব পৰাকৈ টকা উঠিল নে নাই জানিবৰ বাবে।

কবিতাবোৰ পঢ়ি পঢ়ি প্ৰতিনিধিসকলে মাষ্টৰক মাজত লৈ প্ৰশ্নৰে ব্যতিব্যস্ত কৰি তুলিলে। বোলে আপুনি ক'ত লুকাই আছিল ইমানদিন। শামুকৰ পেটত মাণিক জন্মিছে দেই আপুনি। আপুনি মাষ্টৰ কুলৰ গৌৰৱ। চাই থাকক, আপোনাৰ এই কবিতাই বিশ্বৰ কবি সমাজক চক্ খুৱাই দিব। মাষ্টৰ নহৈ কবি হ'ব লাগিছিল আপুনি বহুত আগতেই। যি হওঁক আপোনাৰ কবিতাৰেই আৰম্ভ হ'ব লাগিব আজিৰ কবি সন্মিলন। আপুনি পাঠ কৰা কবিতা শুনি ধন্য হওঁক আজিৰ কবিসমাজ। মঞ্চত উঠি কেইটামান কাহ মাৰি ডিঙিটো পৰিষ্কাৰ কৰি কবিতা পাঠ আৰম্ভ কৰিলে কবি দীনবন্ধু শৰ্মাই।

"দৰমহা দৰমহা বুলি মাষ্টৰ কন্দীয়া....."

পাঠ শেষ হ'বলৈ নাপালেই। জাউৰিয়ে জাউৰিয়ে হাত চাপৰিত সভাঘৰ কঁপি উঠিল। হাত চাপৰি আৰু চিএৰ-বাখৰত সাৰ পাই থক্-মক্কৈ উঠি বহিল মাষ্টৰ। চকু দুটা মোহাৰি দেখে তেওঁৰ কাষৰ বিছনাত প্ৰতিনিধি কেইজনমানৰ তাচৰ আড্ডা। ছেঃ! কবিৰ পৰা মাষ্টৰ হৈ বিছনাত পৰাত মনটো বেয়া লাগিল। সপোনৰ বাকীছোৱা টানি অনাৰ বাবে পুনৰ কম্বলখন মূৰত লৈ চকু মুদিলে।...

মাষ্টৰ দীনবন্ধু শৰ্মাৰ সপোন তেতিয়াহে ভাঙিল, যেতিয়া প্ৰতিনিধিসকলৰ মাজত মাষ্টৰ পুৰাণখন বিক্ৰী কৰাৰ চেষ্টা কৰিলে। ইজনে বোলে কবিতা বুজিয়েই নেপাওঁহে। সিজনে বোলে কিতাপ কিনিম বুলি পইচা অনা নাই নহয়। আন এজনে বোলে— কি পইচা লয়হে? নতুনকৈ লিখা আৰম্ভ কৰিছে, উপহাৰ হিচাপে দিব লাগে। তেহে প্ৰচাৰ হ'ব। পইচা খৰচ কৰি কোনে কিনিব? প্ৰতিনিধিসকলে পইচা দি কিতাপ নিকিনে নহয়। আপুনি বোধহয় এইবাৰ প্ৰথম আহিছে, সেইকাৰণে কথাবোৰ বুজি পোৱা নাই।

বুজি নোপোৱা নহয়। মাষ্টৰে কথাবোৰ ঠিকেই বুজি পাইছে। পইচা দি কিনিব লাগিলে কবিতা বুজি নাপায়। এনেয়ে পালে সকলোকে লাগে। বৰ এনে প্ৰতিনিধি ওলাইছে!

পইচা খৰছ কৰি কিতাপ ছপাই আনি উপহাৰ দিব লাগে। সাহিত্য সভাৰ প্ৰতিনিধি হৈ আহিছে, কিতাপ কিনিবৰ পইচা নাই। খঙৰ ভমকত প্ৰতিনিধি শিবিৰৰ পৰা ছিটিকি গৈ গ্ৰন্থমেলাত সোমাল মাষ্টৰ দীনবন্ধু শৰ্মা। গ্ৰন্থমেলাত কিতাপ চাই ফুৰা গ্ৰন্থপ্ৰেমী দুই-এজনক তেওঁৰ 'মাষ্টৰ পুৰাণ'খন যাচি চালে। মাষ্টৰবোৰৰ দুখ-বেদনাৰ কথা যে 'মাষ্টৰ পুৰাণ'খনত আগৰ পৰা গুৰিলৈ কবিতা আকাৰে থুপ খাই আছে তাকো কৈ চালে। তথাপিও কোনেও চুই চাবই নুখুজিলে কিতাপখন।

মাষ্টৰে মন কৰিলে মানুহবোৰে কিতাপৰ বিপণীবোৰ ঘূৰি ঘূৰি দুই-এখন কিতাপ চাইছেহে। বেছিভাগেই কিতাপ কিনা নাই। বিপণীবোৰ ঘূৰি এফালে থকা চাহৰ দোকানতহে ভিৰ কৰিছেগৈ। চাহৰ দোকানত ভিৰ কৰি চাহ খাই বহি থকা মানুহবোৰক চিঞৰি-চিঞৰি ক'বৰ মন গ'ল মাষ্টৰৰ 'ৰাইজ, আপোনালোকে চাহ খাই যিমান টকা খৰচ কৰিব তাৰে আধা পইচাৰে মোৰ 'মাষ্টৰ পুৰাণ' এখন কিনক ৰাইজ, মনৰ খোৰাক পাব। ছচাইটিৰ পৰা টকা ধাৰে লৈ বৰ আশাৰে এই কিতাপখন ছপা কৰি আনিছো। কিতাপখন কিনি মই ছচাইটিৰ পৰা ধাৰে লোৱা টকাখিনি পৰিশোধ কৰি ধাৰমুক্ত হোৱাত সহায় কৰক ৰাইজ। কিন্তু একো ক'ব নোৱাৰিলে। দুখে ডিঙিত সোপা মাৰি ধৰিলে।

ইফালে এহাল বাপেক-পুতেক। পুতেক বোধহয় স্কুলীয়া ছাত্ৰ। এখন কিতাপৰ বিপণীত পুতেকে মনোযোগেৰে কিতাপ চাই আছে। বাপেক থিয় হৈ আছে বিপণীৰ সন্মুখত। মাষ্টৰ দীনবন্ধু শৰ্মা বাপেকজনৰ কাষলৈ গ'ল। ল'ৰাজনে ইখন কিতাপ হাতত লৈছে, থৈছে। আন এখন হাতত লৈ পাত লুটিয়াইছে আৰু থৈছে। বাপেকে মাতিছে 'আহ্ আহ্, দেৰি হৈছে বজাৰ কৰিব লাগিব। পুতেকে বোলে 'সাহিত্য সভাৰ পৰা শুদা হাতেৰে যাবানে, বেছি নহ'লেও এখন কিতাপ লৈ যাওঁ ৰ'বা।' এই চেগতে মাষ্টৰে কিতাপ এখন আগবঢ়াই দিওঁ বুলি হাত মেলিছিলহে— বাপেকে ল'ৰাজনক দাবি মাৰি উঠা দেখি হাতখন কোচ খাই গ'ল মাষ্টৰৰ।

'ই-হ্! কিতাপ কিনিবলৈ আহিছে! সেই ডাঙৰ মানুহবোৰে কিতাপ কিনা দেখিছ? কিনা নাই। কোনেও কিনা নাই। মেলা চাবলৈহে আহিছে, কিতাপ কিয় কিনিব? কিতাপ কিনাৰ চখ্ কৰি পইচা খৰচ কৰিব নালাগে আহ। তাতকৈ সেইকেইটা পইচাৰে মাংস নিলে গোটেই ঘৰখনে ৰাতিৰ সাজ ভাত ভালকৈ জুতি লগাই খাব পাৰিম। আহ্।' ◻◻

[২০০৪ চনৰ মে' সংখ্যা 'শ্ৰীময়ী'ত প্ৰকাশিত]

দ্যা ভাল হৈছি

কথাষাৰ বহু পুৰণি। আজি হঠাৎ মনত পৰিল। ঠিক মনত পৰা নহয় জোৰকৈ মনত পেলাইছোঁ। কি লিখিম, কি নিলিখিম ভাবি থাকোতে হঠাৎ পুৰণি কথাষাৰ মনত পৰি গ'ল।

"মন্ত্ৰী এমেলে বদলি হোৱাৰ লগে লগে দিছপুৰত খুজনাও বদলি গেছি দ্যাক।" বিদেশী খেদা আন্দোলনৰ পিচত দিছপুৰত নতুন চৰকাৰ হোৱাৰ সময়ৰ কথা। ৰাইজৰ নিজৰ চৰকাৰ। নতুন চৰকাৰ। নতুন উদ্যম। মনত যুদ্ধজয়ৰ আনন্দ। উলাহতে কিছুমানে নিজৰ এমেলেক দিছপুৰলৈ আগবঢ়াই থবলৈ আহিছে। এমেলেক আগবঢ়াই থোৱাও হ'ল দিছপুৰখন চাই যোৱাৰ লগতে এমেলেৰ চৰকাৰী ঘৰটো চাই যোৱাও হ'ল। তেতিয়া হ'লে পিছলৈ আহিলে ঘৰ বিচাৰি হায়ৰাণ হ'ব নেলাগিব। গুৱাহাটীত ঘৰ বিচাৰি উলিওৱাটো সেই মাধৱপুৰৰ মহেন্দ্ৰ মাষ্টৰৰ ঘৰ উলিওৱাৰ দৰে নহয় যে ইখন গাঁৱৰ কাৰোবাক সুধিলেও ঠিক ভাগ

লগাই কৈ দিব। বোলে চিধা গৈ থাকা — এটা কেঁকুৰি ঘূৰি এটা নামঘৰ পাবা, তাৰ পিছত আকৌ এটা কেঁকুৰি ঘূৰি এডাল কঠাল গছ পাবা, তাৰ পৰা কেইখোজমান গ'লেই ৰাস্তাৰ কাষত এটা গোবৰৰ দ'ম পাবা , সোমাই যাবা। সেইটোৱেই মাষ্টৰৰ ঘৰ। এতিয়াতো আৰু দিছপুৰলৈ আহিয়েই থাকিব লাগিব, নিজৰ এমেলে, নিজৰ মন্ত্ৰী; নিজৰ চৰকাৰ। গতিকে আহিয়েই থাকিব লাগিব। এতিয়া আৰু দিছপুৰত কাকো কেয়াৰ কৰিব নেলাগে। ইচ্ছা কৰিলে চীফ মিনিষ্টাৰৰ ৰুমৰ পৰাও এনেয়ে এপাক ঘূৰি আহিব পাৰি। "দাদা ভালে আছে" বুলি মাত এষাৰ লগাই আহিলেই হ'ল। কোনে মাতিব, পুলিচে ? চি.আৰ.পি ? মাতিলেই থিয় গল্টি (গতা) লগাই দিম নহয়। ভয়তে চুকৰ পিনে কবি তলিৰ ছৌটোৰ দৰে থিয় হৈ আছে নহয় সিহঁতে। দিছপুৰত দুদিন বুকু ফিন্দাই ঘূৰি ফুৰি গাঁৱলৈ ঘূৰি গৈ চাৰিআলিৰ চ'কৰ আড্ডাত 'হৰো' ওৰফে হৰকান্তই বন্ধুসকলৰ আগত 'লেকচাৰ' মাৰিছে। মনৰ আনন্দত ইজনে-সিজনৰ পিঠিত চেংচেঙাই যোৱাকৈ থপৰিয়াইছে— "আৰু ওলা, তহঁত ওলা না এদিন, ঘূৰাই আনিম নহয়। মই লগত থাকিলে 'সাতখুন মাফ' বুজিছ!" এই ঘটনাটোক সজাই-পৰাই লিখিব পাৰিলে এটা ভাল গল্প হ'ব নিশ্চয়। লিখিব জানিলে, যোগ-বিয়োগ কৰি সজাব জানিলে গল্প কিয় উপন্যাসো হ'ব পাৰে। ডঃ ভবেন্দ্ৰ নাথ শইকীয়াই পালে, হোমেন বৰগোহাঞিয়ে পালে, যোগেশ দাসে পালে, লক্ষ্যধৰ চৌধুৰীয়ে বা পদ্ম বৰকটকীয়ে পালেতো বহুত কিবা-কিবি লিখি পেলাব। মইনো গল্প এটাও লিখিব নোৱাৰিমনে ? চাওঁচোন কলম ঘঁহাই থাকিলে কিবা এটাতো হ'ব। যোৱাকালিৰ পৰা গল্প এটা লিখাৰ চিন্তাই বৰকৈ পীড়া কৰি আছে। সেই ঘটনাটোকে সজাই-পৰাই চুটি গল্প লিখাৰ বাবে মনতে জুকিয়াই আছো। আৰম্ভণিটো কেনেকৈ কৰা যায় ! আৰম্ভণিটো ভাল হ'ব লাগিব। আৰম্ভণিটো হ'লে হৈ যাব। কাগজ-কলম লৈ চিন্তা কৰি আছো, কিন্তু আচ এটাও মাৰিব পৰা নাই এতিয়ালৈ।

আজি দহ বছৰে, মানে, কেৰাণীৰ চাকৰিটোত সোমোৱাৰ পৰাই অফিচ, ঘৰ, বজাৰ, বৰবাবু, ফাইল, চিঠি, আৰজেণ্ট, ইমিডিয়েট, এচেমলি কুৱেচন— চব্জি কটা, পানী উঠোৱা, কাপোৰ ধোৱা, মাহত চাৰিদিন ভাত ৰন্ধা, চাহ কৰা, ল'ৰা-ছোৱালী হালৰ ওপৰত মাষ্টৰ হোৱা.... এইবোৰৰ বাহিৰে আন কথা ভাবিবলৈ পাহৰিয়েই গৈছিলো। আজি ভাবিছো, গল্প, মানে চুটি গল্প এটা লিখো— শেষ কৰিব নোৱাৰিলেও আধা হ'লেও লিখিবই লাগিব। মন বান্ধি লৈছো। চব্জি কাটি থাকিলেতো নহ'ব। আজি সেইবোৰ কাম বাদ। ভাবিছো, ভাবি আছো ক'ৰ পৰা আৰম্ভ কৰা যায়, কেনেকৈ আৰম্ভ কৰা যায়। Morning shows the day —মানে আৰম্ভণিটো ভাল হ'ব লাগিব। নহ'লে কোনেও নপঢ়িব। আৰম্ভণিটোৱেই পঢ়ুৱৈক আকৰ্ষণ কৰিব লাগিব। কাৰণ মইতো ডাঙৰ সাহিত্যিক নহয় যে

পিছলৈকে ভাল কথা আছে বুলি পাঠকে পঢ়ি থাকিব। আমাৰ দৰে লিখকৰ আৰম্ভণিটো ভাল নেপালে পিছলৈকে নপঢ়ে— "এস্ কিনো লিখিছে এইবোৰ" বুলি দুই লাইনমান পঢ়িয়েই এৰি পেলাব। "একো নহ'ল" বুলি আলোচনীখন দলি মাৰি থব বচ্। গতিকে প্ৰথম লাইন পঢ়িয়েই যাতে চকু ঘূৰাব নোৱাৰে তাৰ চেষ্টা কৰিব লাগিব। শব্দৰ লালিত্যৰে পঢ়ুৱৈসকলক গল্পটোৰ মাজলৈ চৌ-চৌৱাই টানি লৈ যাব লাগিব তেহে। মোৰ বন্ধু হানিফৰ ভাষাত- "ভাষাৰ লালিৰ টৈমাটো বগৰাই দি তাৰ ওপৰেৰে পঢ়ুৱৈসকলক মায়াপুৰী এখনলৈ চোচোৰাই টানি লৈ গৈ তাতেই এৰি দিব লাগে, মৰক বাপ্পেকে ঘুমুটিয়াই।....."

বাৰু, চেষ্টা কৰা যাওকচোন। কেনেকৈ আৰম্ভ কৰা যায় এতিয়া। গাঁৱৰ ল'ৰাজনে ৰাজধানীৰ বাট-পথ নিচিনি কণা গৰু ঘূৰা দিয়াৰ পৰা আৰম্ভ কৰিলেই ভাল হ'ব নেকি? ল'ৰাজনৰ নাম 'হৰো'। মানে গাঁৱত 'হৰো' বুলিয়েই মাতে। সৰুতে আৰু এতিয়াও চকু মুদিলেই নাকেৰে হৰ্‌হৰাই থাকে— গতিকে 'হৰো'। নাই 'হৰো' নাম ৰাখিলে ঠিক নহ'ব, তাৰ নাম হ'ব 'হৰকান্ত'।

"শুনিছেনে, বাচনখিনি নিয়কচোন। হে-ৰি কেনি গ'ল হয়নে?" বাহিৰত শ্ৰীমতীৰ চিএৰ। তেওঁ বাহিৰত বাচন ধুই আছে। মোৰ প্ৰতি আদেশ হৈছে আনদিনাৰ দৰে ধোৱা বাচনখিনি আনি যথাস্থানত থব লাগে। পুৱা-গধূলি তেওঁৰ লাচনি-পাচনি কৰোতেই সময়খিনি যায়। কাম কৰা ল'ৰা বা ছোৱালী এজনী ৰাখি দিব পৰা নাই। গতিকে সিহঁতক দিবলগীয়া দৰমহাৰ টকাখিনি বচোৱাৰ বাবে সেইখিনি কাম কৰি দিয়াত ময়ো সিমান আপত্তি কৰা নাছিলো। আপত্তি কৰিও লাভ নাই, কাম কৰা মানুহ ৰাখি দিব নোৱাৰো যেতিয়া নিজে কৰিবই লাগিব। কৰিছিলো, কিনো ডাঙৰ কথা। পিছে আজি নহ'ব। আজি গল্পটো লিখিবই লাগিব। সেইবোৰ কৰি থাকিলে গল্প লিখা নহ'ব নহয়। নতুনকৈ ওলোৱা আলোচনী এখনত বিভাগীয় বিজ্ঞাপন এটা দিয়াইছো। তাৰে খাতিৰত সেই আলোচনীখনত মোৰ গল্প এটা উঠাই দিম বুলি সম্পাদকে কথা দিছে। গতিকে সাহিত্যিক হোৱাৰ এনে সোণালী সুযোগ এটা হাতত পায়ো বাটত হেৰুৱাব পাৰিনে?

জুন্ জুন্ জুন ঠঙাত্ — শ্ৰীমতীৰ বাচন ধোওঁতে হোৱা খাৰুৰ শব্দ। ধুই ধুই থৈ থকাৰ শব্দ আহি আছে। বাল্টিৰ পৰা পানী নিয়াৰ শব্দ। সৰু-ডাঙৰ বাচনবোৰ এটাৰ ওপৰত এটা থোৱা শব্দ সমস্বৰে আহি মোৰ কাণৰ পৰ্দাত আঘাত কৰি আছে। সিপিনে কাণ নিদি লিখাৰ চেষ্টা কৰি আছো। কিন্তু শব্দবোৰ অবাধ্য। আহি আছে। কাণত খুন্দিয়াই আছে। শ্ৰীমতীয়ে মোৰ পৰা সঁহাৰি নোপোৱা খংটো বোধহয় বাচনত জাৰিছে। বাচনবোৰ থোৱাৰ সলনি থেকেচা যেন লাগিছে— ধং, ধাং, ঠিং, ঠাং....

"হে-ৰি শুনিছেনে...."

"শুনিছো, শুনি আছো।"

হ-ৰা-ত্ টুং ঠাং জেন্....জেন্.....জেন্.....

বাচনৰ দমটো বাগৰি পৰি চাৰিওফালে বিভিন্ন তৰহৰ শব্দ-তৰঙ্গৰ সৃষ্টি কৰা শব্দবোৰে মোৰ কাণত বেয়াকৈ আঘাত কৰিব ধৰিলে। শ্ৰীমতীৰ খং যে তুঙ্গত উঠিছে সেয়া তাৰেই প্ৰমাণ। খং উঠক, কোনো কথা নাই। এদিন যেতিয়া মোৰ গল্প ক'লা আখৰেৰে ছপা হৈ ওলাব, মানুহৰ মুখত মোৰ গল্পৰ প্ৰশংসা শুনিব তেতিয়া তেওঁৰেই হাঁহি বেছি হ'ব।

"ক'ৰ নিগনিৰ নেজতনো ধৰি আছে ঐ এইজনে যে এৰি দিলেই গাঁতত সোমাই যাব, চাওঁচোন" বুলি মুখৰ ভিতৰতে ভুন্‌ভুনাই একে কোবে মোৰ ওচৰ পালেহি শ্ৰীমতী। মেখেলাখনৰ এফাল কোচাই আনি কঁকালত খুচি লোৱা, চাদৰখনৰ আগটো আনফালে কঁকালত খুচি লৈ হাত দুখন নাঙলকুৰীয়া ভাজ দি কঁকালত থৈ ৰণচণ্ডী মূৰ্তি ধৰি আহি মোৰ ওচৰ পায়েই ১০০ কিলো মিটাৰ স্পীডত অহা গাড়ীখন সন্মুখত কিবা এটা পৰাত ক্ৰেক্‌কৈ ব্ৰেক মাৰি ৰৈ যোৱাৰ দৰে ৰৈ গ'ল। আৰু কাগজখনৰ ওপৰত কিলাকুটিৰ ভৰ দি কলমটো মুখত লৈ মেজখনত পেট পেলাই সন্মুখৰ ফালে দৃষ্টি দি মুখস্থ মনত নপৰি মনত পেলাবলৈ চেষ্টা কৰি থকা পৰীক্ষাৰ্থীৰ দৰে বহি থকা মোৰ অৱস্থাটো দেখিয়েই বোধহয় তেওঁৰ মুখৰ বৰণ সলনি হ'ব ধৰিলে খুব দ্ৰুতভাৱে। থিয়েটাৰৰ মঞ্চত নীলা-ৰঙা লাইট জ্বলাৰ দৰে প্ৰতি মুহূৰ্ততে তেওঁৰ মুখৰ বৰণ সলনি হৈছে আৰু এটা সময়ত ভূত দেখা মানুহৰ দৰে তেওঁ চকুহাল বহলকৈ মেলি দিলে। কিবা ক'ব খুজিও ৰৈ গ'ল; যেন কি ক'ব ঠিক কৰিব পৰা নাই। মোলৈ— মেজৰ ওপৰত থকা কাগজখনলৈ আৰু হাতত থকা কলমটোলৈ আকৌ এবাৰ ভালকৈ চাই লৈ চিঞৰি উঠিল, যেন মই সাংঘাটিক কাম এটা কৰিব ওলাইছো। "হে-ৰি কি কৰিছে, হয়নে?"

"ক'তনো কি হোৱা দেখিলাহে?" খং উঠি গ'ল। এওঁ মোক গল্পটো লিখিব নিদিব যেন পাইছো। কোনোমতে এটা লাইনলৈ আনি লিখিম বুলি কলমটো গোজা মাৰিছিলোহে, লগালে নহয় হাহাকাৰথন।

"কাৰ চিঠিনো বুকুৰ মাজত লৈ বহি আছে হয়নে?" আকৌ শ্ৰীমতীৰ বেংবেঙীয়া মাত — "সিপিনে শুনা নাই গোটেই বাচনবোৰ যে বোকাত সিচঁৰতি হৈ পৰি গ'ল। আকৌ গোটেইবোৰ ধুব লাগিব। মই নোৱাৰো, বুজিছে, এনেকৈ নোৱাৰো। এতিয়াই সাজি-কাচি ওলাই ধুনীয়াকৈ ক'ব নহয় 'ভাত দিয়া মোৰ দেৰি হৈছে' মই কিবা মেচিন নেকি?" —একেলগে ইমান কথা কৈ ফোঁপাই ফোঁপাই গুচি গ'ল শ্ৰীমতী।

"চিঠি নহয়হে, একো নহয়, খালি কাগজ, বুজিছা, খালি কাগজ।" মই বুজাবৰ চেষ্টা কৰিলো। ভুল বুজিব লাগিলে দিগ্‌দাৰ হ'ব নহয়। এই বয়সতনো মোক কোনে লুকাই-চুৰকৈ পঢ়িবলগীয়া চিঠি দিব?

"কৰক, যি কৰে কৰি থাকক। বুঢ়া বয়সত কালৈ লিখে লিখি থাকক। মোৰ কি? কাম কৰা ছোৱালী এজনী আনি দিব নোৱাৰে, নিজাকৈয়ে আনক এজনী।" বাহিৰত শ্ৰীমতীৰ টেংটেঙীয়া মাত।

বুজিছো নহয়, লাগিল কেনা। আজিকালিৰ মানুহবোৰে একো কথাই ভালভাৱে নভবা হ'ল। ভাল ভাৱে ভাবিবলৈ এৰিয়েই দিছে। ভনীয়েকক লৈ ফুৰিবলৈ গ'লেও পিছৰ পৰা সুইট সুইট। খুলশালীয়েকৰ লগত চিনেমা চাবলৈ গ'লেও পিছৰ পৰা ক'ব, "ডেকাবোৰৰ কাৰণে বৰ লাজৰ কথা হৈছে দেই।" আকৌ বন্ধু-বান্ধৱৰ কিবা কামৰ বাবে কাৰ্য্যালয়ৰ সহকৰ্মীক অনুৰোধ কৰিলেও ক'ব, "আপুনি কিয় আহিছে? কি স্বাৰ্থ আছে আপোনাৰ?" চাওঁকচোন দেশখন কি হ'ল! গতিকে শ্ৰীমতীয়ে নেভাবিব কিয়? ভাবক। মই লিখি যাম। লিখি উঠি তেওঁকেই প্ৰথম দেখুৱাম, তেতিয়াহে বুজিব মই কি কৰিছিলো।

"মই নোৱাৰো। এনেকৈ আৰু নোৱাৰো। ৰাতিপুৱাই উঠি পৃথিৱীত ভৰি দিয়াৰ পৰা দোভাগ ৰাতি বিছনাত উঠালৈ অকণমান যদি ৰক্ষা পালোহেঁতেন" শ্ৰীমতীয়ে বকিয়েই আছে।

"হেৰা মই আজি ভাত নাখাওঁ দিয়া, বুজিছা পেটটো ভাল লগা নাই।"

"আপুনি নেখালে বুলি ঘৰখনত আৰু মুখ নাই নেকি?" ওলোটাই মোকেই গিজ্‌গিজাই উঠিল। কি কৰা যায়। এওঁ এনেকৈ মাইক বজাই থাকিলে ক'ত লিখা হ'ব? লাভত 'হৰিৰ নামত নাই ৰতি ঘৰৰ বন যায় খতি'ৰ দৰেহে হ'ব। মুড্‌টো একেবাৰে নষ্ট কৰি দিলে। তেওঁৰ হাত-মুখ সমানে চলি আছে। জুনুট্ জুনুট্ খাৰুৰ শব্দ ; ধেং, ঠুং, ঠাং বাচন ধুই থোৱাৰ শব্দ। ধুই আনি বাচনবোৰ থেকেচা মাৰি থোৱাৰ শব্দ 'জেনেট্'। ষ্টোভটো পাম্প দিয়াৰ শব্দ 'কেওট্ কেওট্ কেওট্'। ক্ষন্তেক পিছতে হেৰ্ হেৰ্ হেৰ্ ষ্টোভৰ শব্দই গোটেই ঘৰটো চানি পেলালে। এইবাৰহে যেন ৰক্ষা পৰিলো। অন্ততঃ তেওঁৰ মুখৰ শব্দ-ব্ৰহ্মাৰ আক্ৰমণৰ পৰা বাচিলো। ষ্টোভৰ হেৰ্ হেৰ্ শব্দই তেওঁৰ শব্দব্ৰহ্মাক একাকাৰ কৰি মহাশূন্যলৈ লৈ গৈছে। হেৰ্ হেৰ্ হেৰ্..... এইবাৰ লিখিব পৰা যাব কিজানি। 'হৰকান্তই— মোৰ গল্পৰ প্ৰথম শব্দটো লিখিলো।

"সুখ নাই সুখ নাই কত ধৰুৱাৰ,
অণুমাত্ৰ সুখ নাই চিৰ ৰুগীয়াৰ।"

সিটো কোঠাৰ পৰা ল'ৰাটোৱে চিঞৰি চিঞৰি পঢ়া শব্দকেইটা ঠহ্ ঠহ্‌কৈ কাণত পৰিল। আকৌ খেলি-মেলিখন লাগি গ'ল। কি লিখিম বুলি ভাবিছিলো মনত পেলাবলৈ চেষ্টা কৰিলো।

"দেউতা, অণুমাত্ৰ মানে কি?' সিটো কোঠাৰ পৰা ল'ৰাটোৱে চিঞৰি সুধিছে। মোৰ পৰা একো সঁহাৰি নাপাই কিতাপখন হাতত লৈ ল'ৰাটো মোৰ কোঠা পালেহি। এইবাৰ মোৰ গাত ভেজা দি পুনৰ সুধিলে, "দেউতা, অণুমাত্ৰ মানে কি?" কিন্তু ল'ৰাটোৰো মাত বন্ধ হৈ গ'ল যেতিয়া মোক কাগজ-কলম লৈ নিবিষ্ট মনে বহি থকা দেখিলে। কাৰণ তেনে অৱস্থাত, মানে লিখা-পঢ়া কৰা, সি মোক কাহানিও দেখা নাই। ইমান দিনে সি চাগৈ ভাবি আছিল যে ডাঙৰ মানুহে লিখা-পঢ়া কৰিব নেলাগে, সৰুৱেহে লিখা-পঢ়া কৰিব লাগে, স্কুললৈ যাব লাগে। কিন্তু আজি সম্পূৰ্ণ নতুন কথা দেখিয়েই হ'বলা সিও থমকি ৰ'ল প্ৰথমতে। আচৰিত বস্তু চোৱাদি মোৰ মুখলৈ চালে। তাৰ পিছত সুধিলে, "দেউতা, আপোনাৰো পৰীক্ষা আছে নেকি?"

"পৰীক্ষা? অ' বাবা মোৰ পৰীক্ষাই আছিল।"

"কেতিয়া?"

"আজিয়েই আছিল বাবা।"

"ইচ্ ৰাম! মাক কোৱা নাছিল কিয়? ৰ'ব মই মাক কৈ আহো, সোনকালে ভাত লাগিব বুলি।" কিতাপখন মোৰ কোচত দি ল'ৰাটো দৌৰ মাৰিব খুজিলে। বাধা দি মই ক'লো, 'হ'ব বাবা, আৰু নেলাগে। পৰীক্ষা হৈ গ'ল।"

আচৰিত হৈ ল'ৰাটোৱে মোৰ মুখলৈ তেল্‌তেলকৈ চাই থাকিল। তাৰ খুদমান মনটোত বা কি প্ৰতিক্ৰিয়া হ'ল! ❑❑

[কামৰূপ জিলা সাহিত্য সভাৰ মুখপত্ৰ 'কামৰূপা'ত প্ৰকাশিত]

দুয়ে একে শূণ্য



মই ঘৰৰ মানুহজনীৰ কথা নুশুনা নহয়, শুনো। সেইবুলি মোক তিৰোতাসেৱকৰা বুলি নাভাবিব আকৌ। শুনিবলগীয়া কথা হ'লে মানুহজনীৰে নহয় ল'ৰা-ছোৱালীৰ কথাও শুনিব লাগিব। নহ'লে জানো ঘৰখন ঘৰ হৈ থাকিব! সকলোৰে সহযোগতহে ঘৰখন চলিব।

আমাৰ আকৌ ঘৰত কামকৰা বেলেগ মানুহ নাই। ল'ৰা দুটাটো ল'ৰাই, দংদংকৈ ছোৱালী দুজনীও আছে। পিছে সিহঁত কোনেও মাকক অকণমানো সহায় কৰি নিদিয়ে। মইহে তেওঁক ইটো-সিটো কামত সহায় কৰি দিব লাগে। আজিকালি বেছিভাগ ল'ৰা-ছোৱালীয়ে কামৰ ভিতৰত টিভি চোৱা, ডেক বজোৱা আৰু শোৱা কামহে কৰে। আনকি নিজৰ কাপোৰখিনিও ধুই নলয়। সাধাৰণ পিয়নৰ চাকৰি এটা কৰি ছজনীয়া পৰিয়ালটোক লঘোণ নপৰাকৈ ৰাখিবলৈ যে কিমান মাথা মাৰিবলগীয়া হৈছে মইহে জানো। সিহঁতে কি বুজিব। বুজিবৰ চেষ্টা কৰিলেহে। ইটো মাহৰ পৰা সিটো মাহৰ দৰমহা পোৱালৈ উশাহ নোপোৱা যেন হয়। মাজতে দৰমহা পোৱাৰ তাৰিখৰ ইকাল-সিকাল হ'লেতো কথাই নাই। বাকীৰ দোকানীৰ ওচৰত 'পাৰে পৰি হৰি' গাবলগীয়া হয়। আৰু অফিচলৈ যোৱাৰ

সময়ত কেলেণ্ডাৰত থকা ভগৱানৰ ছবিখনত সেৱা এটা কৰি প্ৰতিদিনে প্ৰাৰ্থনা এটা কৰি যোৱা হয় দৰমহা হোৱাৰ কামনাৰে।

তেতিয়াই মানুহজনীয়ে বোলে এনেকৈ আৰু নোৱাৰি। বেলেগ উপায় চিন্তা কৰক। এইটো কিবা চাকৰি হ'লনে! পুৱাৰ পৰা ৰাতিলৈ খাতি থাকিব, ইপিনে ঘৰৰ মানুহক দুসাজ ভালকৈ খুৱাবও নোৱাৰে। আজি যদি, ঈশ্বৰে নকৰক কোনোবা এজনৰ ডাঙৰ বেমাৰ এটা হয়, কি কৰিব? মৰিবলৈ এৰি দিয়াৰ বাহিৰে কিবা কৰিব পাৰিবনে?

এৰাহে, কথাটো মই টং নকৰা নহয়। পিছে কৰিম কি, অংকটো মিলাব পৰা নাই নহয়। মানুহজনীয়ে বোলে আপোনাৰ ভবা-চিন্তা কৰি থাকোতেই যাব। আমাৰ মহেনে কৈছে নহয় সি বোলে অফিচত চাহ বনাই বাবুসকলক দিয়ে। ঘৰৰ পৰা তামোল কাটি নি বেচে। তেনেকৈ সি বহুত টকা পায়। সেইবোৰহে মানুহ। আমাৰবোৰৰ সেইবোৰ বুদ্ধি মূৰত সোমালেহে! ক'ত বা ভাং খাই বহি থাকে! মই বোলো, সেইবোৰ চিন্তা মই নকৰা নহয়, কৰিছো। পিছে কি হ'ব, আমাৰ অফিচৰ বাবুবোৰ যিহে, বাকী খাই খাই উন্টা লগাই দিব। মিছাতে গাধ খাটনি দিয়াৰ বাহিৰে একো নহ'ব। তেওঁ বোলে জানো নহয়, আমাৰবোৰ পানী নেদেখোতে কাপোৰ কোচোৱা মানুহ। আজি কিছুদিনৰ পৰা তেনেধৰণৰ আলোচনা চলি আছিল আমাৰ মাজত।

এদিন মই মাটিত বহি তৰকাৰী কাটি আছো। তেতিয়াই মানুহজনীয়ে উলিয়ালে কথাটো।

'হেৰি নহয়, কেইদিনমানৰ পৰা মই কথা এটা ভাবি আছো। পিচফালে সৰুকৈ চালি এখন দি গাই এজনী ৰাখিব নোৱাৰিনে? নিজৰ খোৱাখিনিও হ'ব আৰু গাখীৰ বেচি......।'

'হেৰা, সেইবোৰ কথা মই কেতিয়াবাই ভাবি শেষ কৰিলো। কিন্তু ভবা আৰু কাৰ্যকৰী কৰা একে কথা নহয়, বুজিছা। চালিখনৰ খৰচটো আছেই, গাই এজনী কিনিবলৈ হ'লেও আজিৰ বজাৰত নাই বুলিলেও দহ/ পোন্ধৰ হেজাৰ টকা লাগিব। লাগিবনে নাই?'

'মই কি জানো?' ভেকাহি মাৰিলে তেওঁ।

'মই কি জানো ক'লে নহ'ব। লাগিব। বেছিও লাগিব পাৰে। ক'ত পাবা ইমান টকা? আমাৰতো তলি উদং, পেটে ভঁৰাল।'

মানুহজনীয়ে বোলে কণা কাটি কাটি ৰখা টকাকেইটমান হওঁতে মোৰ হাতত আছে। কালি হিচাপ কৰি চাইছিলো। দুই হেজাৰমান হ'ব। বিপদে-আপদে লাগে বুলি থৈছিলো। সেইখিনি হাতত লৈ বাকী যি লাগে কাৰোবাৰ পৰা ধাৰে ল'লে হয় দেখোন। গাখীৰ বেচি এবছৰতে ধাৰ মাৰি দিব পৰা নহ'বনে?

এৰা, কথাটো মোৰ গাত লাগিল। তেওঁতো একো বেয়া দিহা দিয়া নাই। বোলে মন্দোদৰীৰ কথা নুশুনি ৰাৱণ সবংশে ধ্বংস হৈছিল। গতিকে তিৰীৰ কথা বুলি সকলো কথা দলিয়াই পেলোৱাটো উচিত নহয়। চেষ্টা কৰি চোৱাতনো লোকচান কি? মোৰ লগৰ পিয়ন চিতাৰামে শতকৰা মাহিলি পাঁচ টকা সুদত টকা ধাৰলৈ দিয়ে। তাক কথাখিনি কৈ দহ হেজাৰমান টকা ধাৰলৈ দিব পাৰিব নেকি সুধিলো। চিতাৰামেও নিৰাশ নকৰিলে। মই আগবাঢ়িলো। চিতাৰামে বুদ্ধি এটা দিলে বোলে গাই কিনিব নালাগে, বহুত দাম। ভাল জাতৰ চেউৰী কিনাহে লাভ। এবছৰমান পুহিব লাগিব যদিও লোকচান নহয়। তাকেই কৰিলো।

চিতাৰামৰ ধৰুৱাৰ তালিকাত মোৰ নামটো সোমাল আৰু মোৰ সম্পত্তিৰ তালিকাত ক'লা চেউৰী এজনী বাঢ়িল। চিতাৰামে গোট গোট আখৰেৰে 'চিতামৰা' বুলি চহী কৰি দৰমহাৰ টকা লয়। গতিকে মই তাক চহী কৰি দিয়া উকা দলিলখনত মোৰ চহীটো ঠিক আছেনে নাই ঘেঁহাই ঘেঁহাই কে'বাবাৰো বানান কৰি কৰি পঢ়ি চালে— মো হি নী- দাস। পি-তা....। ঠিক আছে বুলি নিশ্চিত হোৱাৰ পাছতহে এখন এখনকৈ গণি গণি টকা দিলে সি।

আমি কাম ভগাই ল'লো। ৰাতিপুৱাই গোবৰখিনি নি জলকীয়াৰ গুৰিত, বেঙেনাৰ গুৰিত বা পানীলাউৰ গুৰিত দি গোহালিটো চাফা কৰা কামটো মানুহজনীৰ আৰু চেউৰীজনীৰ ডিঙিত ৰছীডাল লগাই গোহালিৰ পৰা উলিয়াই নি তাইৰ পিছে পিছে কিছুদুৰ কুকুৰ দৌৰ দি গৈ এঠাইত খুঁটিটো গোজা মাৰি থোৱা কামটো মোৰ ভাগত পৰিল। আকৌ অফিচৰ পৰা আহিয়েই খুঁটিটো উভালি দি ৰছীডালত ধৰি তাইৰ পিছে পিছে মিলখা সিঙৰ দৌৰ দি গোহালিত সোমোৱা কামটোও মোৰ ভাগতেই পৰিল। এই অভ্যাসটো এবছৰ চলিল। ডেকা বয়সত এইজনী কিনি যদি এনেকৈ সদায় দৌৰাৰ অভ্যাস কৰিলোহেঁতেন তেনেহ'লে নিশ্চয় দৌৰত বিশ্বৰেকৰ্ড কৰাটো সহজ হ'লহেঁতেন মোৰ কাৰণে।

বহু অপেক্ষাৰ অন্ত পেলাই চেউৰীজনীয়ে দমৰা পোৱালি এটা জন্ম দিলে। ঘৰখনত আনন্দৰ ঢৌ উঠিল। দমৰা পোৱালি নহয় যেনিবা ল'ৰা-ছোৱালী নোহোৱা ঘৰত ল'ৰা এজনহে জন্মিল। অফিচলৈ গৈ প্ৰথমতে খবৰটো দিলো চিতাৰামক। অহা মাহৰ পৰা তাৰ ধাৰ পৰিশোধ কৰা আৰম্ভ কৰিব পাৰিম বুলিও জনাই দিলো তাক। শ্ৰীমতীৰ লগত আলোচনা কৰি সিদ্ধান্ত লোৱা হ'ল— ভাল দিন এটা চাই খীৰোৱা আৰম্ভ কৰিব লাগে। সেই মতে সাতদিন পাছত যা-যোগাৰ লৈ গাইজনীৰ ওচৰ পালো। লগত শ্ৰীমতী। যা-যোগাৰ মানে খীৰোৱাৰ বাবে বাল্টি এটা, বহাৰ বাবে পীৰা এখন, খীৰাই থোৱাৰ বাবে

ডাঙৰ বাল্টি এটা। শ্ৰীমতীয়ে গাইজনীৰ গা পিহি মৰম কৰি আছে, মই বহিছো খীৰাবলৈ। লথিয়াইছে, জঁপিয়াইছে। তথাপি এৰা নাই আমিও। নতুন গাই, অলপ দিগ্‌দাৰ কৰিবই। লাহে লাহে ঠিক হ'ব। চেষ্টা এৰা নাই। এৰা-ধৰাকৈ আধালিটাৰমান গাখীৰ উলিয়াইছো। হঠাৎ এবাৰ এনে এটা লাঠি মাৰিলে যে, মই চিৎ ভোলোঙা খাই পৰি গ'লো। গাখীৰৰ বাল্টিটো ছিটিকি পৰিল বহু দূৰত। নতুন গাই। কেইদিনমান দিগ্‌দাৰি কৰিবই। লাহে লাহে ঠিক হ'ব বুলি নিজকে সান্ত্বনা দিলো। দিলে কি হ'ব— পিছদিনা, তাৰ পিছদিনা, তাৰ পিছদিনাও একেই ঘটনাৰ পুনৰাবৃত্তি হ'ল। মানে লাঠিহে খালো গাখীৰ কিন্তু নাপালো। কি কৰা যায়! উপায়-বুদ্ধি হেৰাল।

শেষত কাঞ্চা এজন ঠিক কৰাৰ সিদ্ধান্ত কৰিলো। ৰাতিপুৱাই আহি গাইজনী খীৰাই দি যাব। দৰমহা হিচাপে দিনে আধালিটাৰকৈ গাখীৰ দিব লাগিব। সেইমতেই বন্দবস্ত হ'ল কাঞ্চাৰ লগত।

'বাবু এইটু বাল্টিৰে নহ'ব, ডাঙৰ বাল্টি লাগিব। উহাৰতো ডাঙৰ আছেটো কমচে কম দহ লিটাৰ গাখীৰ পোৱা যাব।' কাঞ্চাৰ কথাখিনি যেন কথা নহয় মৌ-ৰসহে। টোপে টোপে গিলি আমেজত চকু মুদি দিলো। শ্ৰীমতীয়ে উৰি যোৱাদি গৈ ফিল্টাৰ কৰি থোৱা পানীখিনি পেলাই দি ডাঙৰ বাল্টিটো খালী কৰি লৈ আহিল। প্লেট এখনত অলপ মিঠাতেলকে ধৰি কাঞ্চাই বিচৰা সকলো বস্তু নিমিষতে তাৰ ওচৰত হাজিৰ কৰিলে।

কাঞ্চাই কাম আৰম্ভ কৰিলে। আমাৰ মনত অপাৰ আনন্দ। কাঞ্চাৰ গাই-খীৰোৱাৰ কায়দা চাই চাই আমি অভিভূত হ'লো। যিহেতু গাখীৰ দিয়াৰ বাবে বেপাৰী ঠিক কৰা নাই গতিকে সেইদিনাৰ দহ লিটাৰ গাখীৰ কি কৰা হ'ব, কাক কিমান দিম, কিমান দৈ কৰা হ'ব দুয়োজনে— মানে শ্ৰীমতী আৰু মই আলোচনা কৰি মুখে মুখে লিষ্ট এখনকে বনাই পেলালো। কাঞ্চাক বিদায় দি উঠিয়েই দৈ বনোৱাৰ বাবে 'ঘাই' এটা কিনি অনাৰ কথা কৈ উঠিছোহে, এনেতে ঘটিল নহয় অভাৱনীয় ঘটনাটো। পিছ ঠেং দুখন ওপৰলৈ উঠাই ঘোঁৰাই জাপ মৰাৰ দৰে কৰি গাইজনীয়ে এনে এটা লাঠি মাৰিলে যে কাঞ্চা চিৎ-ভোলোঙা খাই বাগৰি পৰিল। গাখীৰসহ বাল্টিটো বহু দূৰত পৰি ঘূৰি ঘূৰি এঠাইত ৰৈ গ'ল। বাল্টিটোৰ পৰা মাটিত পৰা গাখীৰখিনিয়ে লাজতে গোটেই চোতালখনত লুকোৱাৰ ঠাই বিচাৰি ফুৰিব ধৰিলে।

'উহ্, উহ্, উহ্। বাবু, গাইটু বৰ ডাকু আছে ঐ।' পৰি থকাৰ পৰাই কেঁকাই গেঠাই ক'লে কাঞ্চাই।

সমো শৰ্মাৰ খীৰৰ টেকেলি ভঙা দি আমাৰো সকলো সপোন মুহূৰ্ততে ভাগি চুৰমাৰ

হৈ গ'ল। চোতালত পৰি সিঁচৰতি হৈ থকা গাখীৰখিনিলৈ সতৃষ্ণ নয়নে চাই থাকিল শ্ৰীমতী।

সপোন যিহেতু ভাঙিলেই, গতিকে গাইজনীৰো প্ৰয়োজন নোহোৱা হ'ল। যিকোনো উপায়ে গাইজনী বেচি চিতাৰামৰ ধৰ্ষ্যৰ তালিকাৰ পৰা নামটো কটাৰ চিন্তাই অহৰহ পীড়া কৰিব ধৰিলে। শেষত পালো যেনিবা গৰুৰ দালাল এজন। গাইজনীৰ আগফাল পিছফাল ঘূৰি ঘূৰি চাই দালালজনে সুধিলে। গাখীৰ কিমান দিয়ে? মই বোলো তোমাৰ ওচৰত লুক-ঢাক কি ? ভালকৈ খীৰাবই পৰা নাই, কেনেকৈ ক'ম কিমান গাখীৰ দিয়ে। তেওঁ বোলে ঠিক আছে। এতিয়া কিমান চাইচা কোৱা। মানে কিমান টকা পালে দিবা?

মই বোলো চেউৰীতে কিনিছো। জাৰ্চীৰ জাত। চাৰিহেজাৰ টকাত কিনি এবছৰ পুহিলো। এতিয়া দামুৰীয়ে-গাইয়ে মিলি দিবা আৰু আঠহাজাৰমান। তেওঁ বোলে কোনে কিনিবহে তোমাৰ দাংকাটি গাইজনী আঠহেজাৰ টকা দি? হয় যদি মই তোমাক কিনা দামটোকে দিম। লোকচান নকৰো। ভাবি চোৱা।

মই বহুত কাউ-বাউ কৰিলো। তেওঁ নাচোৰবান্দা। চাৰি হেজাৰতকৈ এপইচাও বেছি দিবলৈ ৰাজী নহয়। তেওঁৰ মতে মোৰ কষ্ট দেখিহে টকা চাৰিহেজাৰ উলিয়াই দিব খুজিছে। নহ'লে এনে দাংকাটি গাই এজনী বিনা পইচাই দিলেও কোনেও নিনিয়ে। উপায় নাপাই 'চ'তমহীয়া কালা, কোবাই ধোবাই যি পালা' বুলি দালালৰ প্ৰস্তাৱতে মান্তি হ'লো।

এসপ্তাহ পাছতে দালালজন আহিল। লগত দুজন মানুহ। গাইজনী দেখুৱাই মানুহজনক ক'লে— প্ৰথম পিয়ন ১৫/১৬ লিটাৰ গাখীৰ ওলায়। ভালকৈ খীৰালে আৰু ৩/৪ লিটাৰ বেছি ওলাব। দামুৰীটোলৈ চালেই গম পাবা। গাখীৰ ৰাখি খীৰোৱা বাবে নোদোকা হৈ আছে। পিছৰ পিয়নত কমেও ২০ লিটাৰ দিব। লক্ষ্মী গাই। ঘাঁহ নাবাচে। যি আগত পৰে খায়। চেহেৰা দেখিছাই নহয়। ৰখাৰ অসুবিধা। চোৱা মানুহ নাই। নহ'লে বিক্ৰী কৰাৰ কথাই নাছিল। একো হেত্-কেত্ নাই। ভাগ্যৰ বলতহে এনে এজনী গাই পাবা।

গাইজনীৰ গুণ বৰ্ণাই অনৰ্গল লেক্‌চাৰ মাৰিলে দালালজনে। মাজতে কাকো একো কোৱাৰ সুৰুঙাই নিদিলে। মই মাথো চকু-কাণ থিয় কৰি চাই থাকিলো। গাইজনীৰ যে ইমান গুণ আছিল মই মালিকটো হৈ গমেই পোৱা নাছিলো ইমান দিনে। অথচ তেওঁ বেলেগ মানুহ হৈয়ো মোতকৈ ভালকৈ গুণবোৰ ক'ব পাৰিলে। আচৰিত!

লাহে লাহে কথা চমুৱাই আনিলে দালালজনে। তোমালোক মোৰ বন্ধু মানুহ। ভাল গাই এজনী তোমালোকক দিব পাৰিলে মোৰো ভাল লাগিব। সেই কাৰণে মই বোলো তোমালোকেও ভাল গাই এজনী বিচাৰি আছা। এওঁ (মোক দেখুৱাই) অসুবিধাৰ বাবে মন নাথাকিলেও গাইজনী বেচিম বুলিছে। গতিকে মই দেখুৱাই দিছো। এওঁ দহহেজাৰ

টকাৰ কথা কৈছিল, মই বোলো তুমি বন্ধু মানুহ এওঁলোকো বন্ধু মানুহ। সেই হিচাপে মই কৈছো আঠ হেজাৰত ছিঙি দিবা। লাগি থাকিব নালাগে। এওঁ মান্তি হৈছে। এতিয়া তোমালোকৰ কথা।

মানুহ দুজনে দালালৰ কথাত ভোল গৈ বিনা বাক্যব্যয়ে আঠহেজাৰ টকাত ৰাজী হৈ গ'ল। মোৰ মূৰটো ঘূৰোৱা যেন পালো। একো ক'বও পৰা নাই, ক'বলৈ কোনেও একো সোধাও নাই। আচল কথাটো ক'বও নোৱাৰো, বচনত বন্দী। জীয়াই জীয়াই জুইত পেলাই দিয়া চেঙেলী মাছৰ দৰে চৎফটাই আছো। ক'ব খুজিও একো ক'ব পৰা নাই। বুকু ফাটি যায়, মুখ নুফুটে। নিজৰ গালত নিজে চৰিয়াবৰ মন গৈছে।

"অচিন কাঠৰ থোঁৱা নলগাবা" কথাষাৰি মোৰ মনৰ ভিতৰত উজান-ভাটি কৰিবলৈ ধৰিলে। এৰা, বিজ্ঞসকলে ঠিকেই কৈ গৈছিল— অচিন কাঠৰ ঢেঁকীৰ থোঁৱা লগাবলৈও মানা কৰি থৈছে। আমি অধমেহে কথাষাৰিৰ মৰ্ম নুবুজি.....। ◻◻

[২৪ ছেপ্টেম্বৰ, ২০০৩ — অগ্ৰদূত কাকতত প্ৰকাশিত]

আদাক দেখি উঠিল গা

এদিন কথা প্ৰসঙ্গত বন্ধু এজনে বৰ গাজত লগা কথা এষাৰ কৈছিল বোলে— ঘৰৰ বোৱাৰীজনীয়ে যদি মুৰকামোৰণি বুলি গধূলিতে বিছনাত উঠে, ৰাতি ভাত খাবলৈও নুঠে, তেতিয়া জানিব সেই ঘৰখনৰো মুৰকামোৰণি আৰম্ভ হ'ল। ঘৰখনৰ অপাৰেচন হ'বলৈ আৰু বেছি পৰ নাই। যৌথ পৰিয়াল হ'লে সোনকালে ভাতৰ চৰু বেলেগ হ'ব। আৰু ঘৈণীয়েকক গাঁৱৰ ঘৰত এৰি যদি গিৰিয়েকে চহৰত চাকৰি কৰে তেনেহ'লে ঘৈণীয়েকক চহৰলৈ নিব লাগিব। নহ'লে মুৰকামোৰণি ভাল নহয়।

অফিচৰ পৰা আহি ঘৰখনৰ অৱস্থা দেখি কথাষাৰ চাৎকৈ মনত পৰিল। ড্ৰয়িং ৰুমৰ বস্তুবোৰ মৰণা মৰা দি চেদেলি-ভেদেলি কৰি থৈ চোফাৰ ওপৰত উঠি যুঁজি আছে ল'ৰা-ছোৱালী হালে। শ্ৰীমতী পৰি আছে বিছনাত। বন্ধুৰ কথাষাৰ মনত পৰিল যদিও মোৰতো তেনে হ'বলৈ নাই। সেই অধ্যায় কেতিয়াবাই পাৰ হ'ল। গাঁৱৰ ঘৰত চাকৰণীৰ দৰে কাম কৰি কৰি বগা মানুহজনী ক'লা হৈ যোৱা বাবে আজিৰ পৰা ১৫ বছৰ আগতেই গাঁৱৰ

ঘৰৰ পৰা কোৱাৰ্টাৰলৈ লৈ আহিবলগীয়া হৈছিল। এতিয়া গাত ৰ'দ নলগাকৈ কোৱাৰ্টাৰতেই সোমাই থাকে। ওলোৱাৰ ভিতৰত ল'ৰা-ছোৱালীহালক স্কুলৰ পৰা অনাৰ বাবে সদায় দুপৰীয়া এবাৰ সাজি-কাচি ওলাই যায়। স্কুললৈ নিয়া কামটো ময়ে কৰো। আৰু ছয়মাহে-বছৰেকে এবাৰ আলহী হৈ গাঁৱৰ ঘৰলৈ যাবলৈ হ'লে কিন্তু ছাতি আৰু পানীৰ বটল লগত নিবলৈ নাপাহৰে। গাঁৱৰ পানী খাই বেমাৰ হোৱাৰ ভয়ত পানীৰ বটল নিবই। গাঁৱৰ ঘৰত ৰাতি থাকিবলৈ হ'লেতো যমৰ ঘৰত থকা যেন পায়। বৰ জোৰ কৰিলে এৰাতি। তাতকৈ বেছি কেতিয়াও নাথাকে।

হাতৰ বেগখন মেজৰ ওপৰলৈ দলি মাৰি দি তেওঁৰ কাষতে বিছনাত বহি জ্বৰ-তৰ উঠিছে নেকি কপালত হাত দি চালো। জ্বৰ থকা যেন নালাগিল। লাহেকৈ সুধিলো—

'হেৰা, কি হৈছে, হয়নে?'

'একো হোৱা নাই।' শুই থকাৰ পৰাই ক'লে তেওঁ।

মই বোলো একো হোৱা নাই যদি শুই আছা কিয়?

ঘেংঘেঙাই উঠিল তেওঁ— 'মই অকণমান জিৰাবও নোৱাৰোনে?'

আওঁ, আজিনো আকৌ কি হ'ল? কথা ক'বই নোৱাৰা হ'ল দেখোন। কি হৈছে, কি হ'ব পাৰে চিন্তা কৰিব ধৰিলো। আগৰ অভিজ্ঞতাৰ পৰা বুজিলো যে অচিৰে মোৰ ওপৰেৰে আৰু এচাটি ধুমুহা বলিব। আৰু সেই ধুমুহাছাটিয়ে মোক ভালকৈ আজুৰি যাব। কিন্তু আজুৰি নি ক'ত পেলাব সেই চিন্তাইহে প্ৰেচাৰ বঢ়াব ধৰিলে।

কাপোৰ সলাই উঠি ল'ৰা-ছোৱালীহালক থান-থিত লগাইছোহে গাজনি-ঢেৰেকনি আৰম্ভ হ'লেই নহয়— 'আমাক চাকৰণী কৰি আনিছে নহয়। চাকৰ খাটিয়েই মৰিব লাগিব। লগৰ তিৰোতাই গাড়ী ঘূৰাই ফুৰিছে আৰু আমি......'।

ল'ৰাটোক একাষৰীয়াকৈ মাতি নি তাৰ পৰা জানিবৰ চেষ্টা কৰিলো কথাৰ গুৰি ক'ত। সি থুল-মূল আভাস এটা দিলে। সি ঠিক ভাগ লগাই কথাটো ক'ব পৰা নাই যদিও সাৰ অংশ এনে হয়গৈ— কাষৰ কোৱাৰ্টাৰত থকা মোৰ সহকৰ্মী হাজৰিকাই আজি নতুন মাৰুতি কাৰ এখন আনিছে। গণেশ মন্দিৰত পূজা দি আহি প্ৰসাদ দিয়াৰ চলেৰে হাজৰিকানীয়ে আমাৰ এওঁক নতুন গাড়ী অনা খবৰটো দি গ'ল। লগতে নতুন গাড়ী লৈ ক'ত ক'ত ঘূৰিব তাৰো থুল-মূল হিচাপ এটা দি গ'ল। আৰু হাজৰিকানী যোৱাৰ পাছৰ পৰাই.......।

কথাখিনি শেষ কৰি ল'ৰাটোৱে প্ৰশ্ন কৰিলে— 'দেউতা, হাজৰিকা খুৰাই যে নতুন

গাড়ী কিনিছে আমাৰো নিকিনা কিয় ?' ল'ৰাৰ প্ৰশ্নৰ উত্তৰ তৎক্ষণাৎ দিব নোৱাৰিলো। কিছুসময় ভাবিব লগীয়া হ'ল। ক'লো— 'তেওঁৰ টকা আছে, আমাৰ নাই। সেই কাৰণে।'

'আমাৰ টকা কিয় নাই ?'

কি উত্তৰ দিলে ভাল হ'ব ভাবি থাকোঁতেই তেওঁ সিটো কোঠাৰ বিছনাৰ পৰা ওফৰি আহি ইটো কোঠাৰ মজিয়াত পৰিল। আৰু লগে লগে তেওঁৰ সমস্ত খং ঔকিল হৈ ল'ৰা-ছোৱালীহালৰ পিঠিত বৰষিবলৈ ধৰিলে। ঘটনাৰ আকস্মিকতাত মই তভং খাই ৰ'লো। ল'ৰা-ছোৱালীহালেও একো উৱা-দিহ নাপাই হুৱাও-ৰাৱে কান্দিব ধৰিলে। তেওঁৰ হাত চলিয়েই থাকিল দুয়োটাৰ ওপৰত। যেন সিহঁত দুটাহে সকলো অনৰ্থৰ মূল।

ঘৰখন মৌন ব্ৰতত। ৰাতি ভাত খোৱাৰ নামটোহে হ'ল। ৰন্ধা-বঢ়াৰ কাম ময়ে কৰিলো। তেওঁ বিছনাৰ পৰা উঠিয়েই নাহিল। ল'ৰা-ছোৱালীহাল শোৱাৰ পিছত ময়েই আগধৰি মৌন ব্ৰত ভাঙিলো। 'আজি ইহঁত দুটাই কাৰোবাৰ লগত কাজিয়া কৰিছিল নেকিহে ?' একো হেত্‌কেতেই নকৰিলে তেওঁ মোৰ কথাত। কি কৰা যায়! এনেকৈ থাকিলে জানো ঘৰখন ঘৰ হৈ থাকিব ? ঘৰৰ মূল মানুহজনীয়ে যদি এনেখন কৰি থাকে ? কি কৰিলে তেওঁ সন্তুষ্ট হ'ব সেই কথা জানিব পাৰিলেও। কিন্তু তেওঁ চিধাকৈ একো কোৱা নাই। বহুত চিন্তা কৰাৰ পাছত বিছনাখনক কোৱাৰ দৰেই ক'লো—

'লখৰাৰ ফালে মাটি এটুকুৰাৰ খবৰ পাইছো। দৰে-দামে মিলে যদি কিনিয়েই পেলাব লাগিব। মাটিটুকুৰা হ'লে লাহে-ধীৰেও ঘৰ সাজিব পৰা যাব।' কথাষাৰ হাৱাত এৰি দি প্ৰতিক্ৰিয়ালৈ অপেক্ষা কৰিলো।

বেছি দেৰি অপেক্ষা কৰিবলগীয়া নহ'ল। দৰবে কাম দিলে। নিমাতীৰ মাত ওলাল।

'গাঁৱত মাটি কিনিবলৈ আহিছে! কোন থাকিব তাত ? মাটিহে দেখে আমাৰ। তাকো গাঁৱত। কিয় বা চহৰত চাকৰি কৰিবলৈ আহিছিল ? গাঁৱত মাটি লৈ হাল-কোৰ মাৰি থাকিলেই ভাল আছিল। সেই কাৰণে ওচৰৰ মানুহে গাড়ী কিনি আনি আমাক লাজ দিব পাৰিছে।' ভেকাহি মাৰিলে তেওঁ।

মই বোলো লখৰানো ক'ত গাঁৱতহে। গুৱাহাটীতে দেখোন। আমাৰ দৰে মানুহৰ গুৱাহাটীৰ ভিতৰৰ মাটিৰ দাম শুনিলেই মূৰ ঘূৰাব। কিনা দূৰৰ কথা। গতিকে লখৰাৰ ওচৰৰ পাহাৰৰ দখলী মাটিকে চাইছো। কম দামত কিনিব পৰা যাব। গাড়ী কিনিবলৈ লাখ টকা লাগিব। ইমান টকা থাকিলেহে! গাঁঠিত নাই ধন, বৰসবাহলৈ মন মেলিলে হ'বনে ?

দাং খাই উঠিল তেওঁ— 'ইস্ লাখ টকা লাগে। আমি নাজানো বুলি ভাবিছে! ৩০ হাজাৰ টকা দিলেই বেঙ্কে নতুন গাড়ী দিয়ে। সকলোৱে কিনি আছে। আমাকহে লাখ টকা লাগে।

মই বোলো কিনিব পাৰি। ময়ো জানো। নজনা নহয়। পিছে মাহে মাহে যে টকা দি থাকিব লাগিব। টকা নিদিলে যে গাড়ী টানি লৈ যাব। সেই কথাটো কোনেও কোৱা নাই তোমাক। আৰু আমাকনো গাড়ী এখনৰ কি দৰ্কাৰ? নিজৰ বুলিবলৈ মাটি এডোখৰহে লাগে। এনেধৰণৰ ঠেলা মৰা ধৰণৰ কথা-বতৰা চলি থাকিল প্ৰায় এসপ্তাহ। তথাপি অৱস্থা স্বাভাৱিক নোহোৱা দেখি কম্প্ৰমাইজ কৰিবলৈ বাধ্য হ'লো। মানে গাড়ী কিনাৰেই সিদ্ধান্ত কৰিলো। তথাপি ঘৰখনলৈ শান্তি আহক।

ওচৰৰ কোৱাৰ্টাৰৰ হাজৰিকাৰ লগত কথাটো আলোচনা কৰিলো। তেঁৱেই মোক বেংকলৈ লৈ গ'ল। ক'ত কি কৰিব লাগে হাজৰিকাৰ পৰামৰ্শ মতেই কৰিলো। কাৰণ ইতিমধ্যে গাড়ী কিনাৰ অভিজ্ঞতা হৈছে তেওঁৰ।

শেষত ঘৰখনৰ শান্তিদূত হিচাপে এদিন বগাৰঙৰ মাৰুতি কাৰ এখনে পদূলি শুৱনি কৰিলে। পদূলি মানে, পদূলি বুলিবলৈ কোৱাৰ্টাৰৰ সন্মুখৰ ৰাস্তাটোহে আছে। তাতেই ৰাখিলো দুদিনমান সকলোৱে দেখাকৈ। কিছুদিন পাছত কোৱাৰ্টাৰৰ কাষতে চালি এখন কৰি তাত থোৱা কৰিলো। গাড়ী অহাৰ পাছৰ পৰা তেওঁ আগৰ নিমাতী কইনাজনীৰ ঠাইত ৰাংঢালী ন-কইনাজনী হৈ পৰিল। ল'ৰা-ছোৱালীহালো পঢ়া-শুনা বাদ দি গাড়ীৰ কাষৰ পৰা নুগুচাই হ'ল। মই অফিচৰ পৰা অহাৰ সময়ত ঘৰত গোটেইকেইজনে দুৱাৰমুখত ৰৈ থাকে মোৰ বাবে। আহি পোৱাৰ লগে লগে ভি-আই-পিক আদৰি নিয়াদি আদৰি নি চাহ খোৱা মেজত মোক আগুৰি বহে গোটেই কেইজনে। হঠাৎ মই ঘৰখনৰ কাৰণে বৰ দৰ্কাৰী মানুহ হৈ পৰিলো। মোৰ নিজকে হিৰো হিৰো লাগিল। তেওঁলোক সাজি-কাচি ৰেডি হৈয়েই থাকে। মাথো মই চাহকাপ খাই গাড়ীখন উলিয়ালেই হ'ল। ক'লৈ যাব ঠিক কৰা থাকে। যদি মোৰ অহাত দেৰি হয় তেনেহ'লে দূৰলৈ যাব নোৱাৰিলেও অন্ততঃ গণেশগুৰিৰ বজাৰলৈ হ'লেও যাব। মুঠতে গধূলি সময়ত গাড়ীখনত উঠি এপাক ঘূৰিবই লাগিব।

ফুৰিবলৈ যোৱা মানে আৰু কি? গাড়ীখন দেখুৱাবলৈ যোৱাহে। গুৱাহাটীৰ আশে-পাশে সাধাৰণ চিনাকি বন্ধু-বান্ধৱৰ ঘৰো বাদ যোৱা নাই। আৰু বন্ধৰ দিনত কোনদিনা কাৰ ঘৰলৈ যোৱা হ'ব তাৰ লিষ্ট বনাই লৈছে তেওঁ। চেকেণ্ড চেটাৰ-দেত নলবাৰীৰ বাইদেউইঁতৰ ঘৰলৈ, ৰবিবাৰে পাঠশালাৰ খুৰাৰ ঘৰলৈ। পাছৰ ৰবিবাৰে তেজপুৰৰ

ককাদেউহঁতৰ ঘৰলৈ...... আৰু তাৰ পাছৰ ৰবিবাৰে......

বন্ধৰ দিনত আমাৰ ঘৰত চৌকা নজ্বলা হ'ল। তেওঁৰ হিচাপমতে ৰাহি হ'ল। বহুত খৰচ কমিল। মোৰ মতে বাঢ়িল। এইখিনিতে তেওঁৰ আৰু মোৰ অংকৰ উত্তৰ বেলেগ বেলেগ হ'ল। দুয়োৰে অংক দুই ধৰণৰ। তেওঁৰ যোগ অংক আৰু মোৰ বিয়োগ। মোৰ হিচাপ নিমিলা হ'ল। দৰমহা পায়েই দোকানৰ বাকী দিয়া, গাখীৰৰ বাকী দিয়া, ল'ৰা-ছোৱালীৰ স্কুলৰ ফিজ দিয়া আৰু শেষত গাড়ী কিনাৰ বাবে বেংকত কিস্তি দিয়াৰ পাছত জেপ খালী হৈ যায়। তাৰ মাজতে আকৌ পেট্ৰোল কিনা কথাটোতো আছেই। গতিকে অংক মিলে কেনেকৈ!

ইপিনে ল'ৰা-ছোৱালীহালে স্কুললৈ যাবলৈ মন নকৰা হ'ল। তাৰ সলনি বন্ধৰ দিনৰ হিচাব উলিয়াই থকা হ'ল। কেতিয়া বন্ধৰ দিন পৰে তালৈ বাট চাই থকা হ'ল। বন্ধৰ দিন পৰিলে তেওঁৰো মনটো উৰা মৰা হ'ল। আৰু মই টকা বিচাৰি ফুৰা হ'লো— হা-টকা হা-টকাকৈ ইঘৰ-সিঘৰ দৌৰি ফুৰা হ'লো।

আমি আলহী খোৱাৰ নামত, গাড়ীখন দেখুৱাই ফুৰিলো। কিন্তু আমি যে গ'লো, গতিকে আমাৰ ঘৰলৈও আলহী অহা আৰম্ভ কৰিলে। প্ৰথমতে আহিল আমাৰ গাঁৱৰ ঘৰৰ পৰা বৌ আৰু ভতিজা তিনিটা। পৰীক্ষা শেষ হৈছে। ভালকৈ শ্ৰেণী আৰম্ভ হোৱা নাই। সেয়েহে ল'ৰা-ছোৱালীকেইটাক গুৱাহাটী দেখুৱাই নিম বুলি আহিছে। কেইদিনমান থাকিব। ল'ৰা-ছোৱালী তিনিটা লৈ চিটিবাছত ঘূৰা অসুবিধা। ঠাইবোৰো চিনি নাপায়। গতিকে মই আকস্মিক ছুটী লৈ কামাখ্যা মন্দিৰ, বালাজী মন্দিৰ আদি দেখুৱাই ফুৰিব লগীয়া হ'ল তেওঁলোকক। গাড়ী নিয়া বাবে ল'ৰা-ছোৱালীহালো ওলাল স্কুল বাদ দি। যাবলৈ নাপাই শ্ৰীমতী মুখ ওন্দোলাই থাকিল। গাড়ীত নধৰে, নহ'লে তেওঁ নোযোৱাকৈ থাকেনে?

ইয়াৰ পাছত আহিল তেওঁৰ মাক, মানে মোৰ শাহুআই, বেমাৰ দেখুৱাবলৈ। প্ৰথমে এদিন গ'লো বেমাৰ দেখুৱাবলৈ বুলি মেডিকেললৈ। তাৰ পাছত সপ্তাহত এদিনকৈ চাৰিদিন যাবলগীয়া হ'ল চেক্আপ কৰিবলৈ। তাৰ পাছত তেওঁৰ ফালৰ, মোৰ ফালৰ দাদা, খুৰা, পেহা-পেহী, মহা-মাহী, মামা-মামী, মামাৰ জীয়েক, মাহীৰ জীয়েক এটাৰ পাছত আন এটা দল লানি নিচিগাকৈ আহিয়েই থাকিল। কেতিয়াবা ৰাতি শুবলৈ ঠাই নোহোৱা হয়। আৰু হেঁচা-ঠেলাকৈ উঠাই লৈ হ'লেও প্ৰতিটো দলক এদিন হ'লেও নতুন

গাড়ীত উঠাই এপাক গুৱাহাটীখন ঘূৰাবলগীয়া হ'ল। গতিকে মোৰ অফিচত আকস্মিক ছুটী ১৫ দিনৰ ঠাইত ৩০ দিন হ'ল। অফিচাৰে মাতি নি সতৰ্ক কৰি দিয়াই নহয় ভৱিষ্যতে অফিচত নিয়মীয়া হোৱাৰ নিৰ্দেশ দিলে।

প্ৰথমতে ভাবিছিলো, অলপ হাত ধৰি খৰচ কৰিলে বেংকৰ ধাৰখিনি কেইবছৰমানৰ ভিতৰত মাৰিব পৰা হ'ব। কিন্তু ধাৰ মৰা দূৰৰ কথা, ধাৰৰ বোজা বাঢ়িহে যাব ধৰিলে। বেংকৰ ধাৰ, অফিচৰ ধাৰ, বন্ধু-বান্ধৱৰ ধাৰ— মুঠতে ডিঙিলৈকে ধাৰ। গতিকে ধাৰমুক্ত হোৱাৰ আশাত লটাৰীৰ টিকট কটা আৰম্ভ কৰিলো। হ'লে কি হ'ব, টিকট কাটিছো হে কাটিছো টকা পোৱাৰ লক্ষণ হ'লে দেখা নাই।

আলহীৰ উৎপাতত তেওঁ যেতিয়া পাকঘৰৰ পৰা ওলাব নোৱাৰা হ'ল, ভাতৰ চৰু দাঙি দাঙি কঁকালৰ বিষ হ'ল তেতিয়াহে জ্ঞান আহিল তেওঁৰ। এদিন অকলে পাই মোক ক'লে— 'গাড়ীখন লোকলৈকে কিনা যেনহে হ'ল। ঘৰখনৰ খৰচো বাঢ়িল আলহীৰ বাবে। বেচি দিব নোৱাৰিনে এইখন? মই বোলো কেলেই, থাকক দিয়া। ইমান আগ্ৰহ কৰি কিনা সম্পত্তি এটা বেচো বুলিয়েই বেচি দিব পাৰিনে! তেওঁ বোলে ধাৰ কৰি কৰা সম্পত্তিহে। বিক্ৰী কৰি ধাৰখিনি মাৰি দিয়া ভাল। মই বোলো— হে-ৰা, 'ঋণং কৃত্বা ঘৃতং পিবেৎ' বুলি কথা এষাৰ আছে নহয়। থাকক দিয়া।

আপুনিতো ক'বই-তেনেকৈ। গাড়ীখন অনাৰ পৰা যে আলহী সোধোতে সোধোতে কঁকাল বেঁকা হৈছে, সেইফালে চাইছেনে? মই বোলো— হে-ৰা, ময়ূৰৰ পাখি গুজি লৈ কাউৰীয়ে পেখম ধৰিবলৈ গ'লে কঁকাল ভাঙিবই।

'এতিয়া সকলো দোষ মোৰহে হ'ল। থোকাথুকি মাতেৰে ক'লে তেওঁ— 'মই ক'লোৱেই যেনিবা, নভবা-নিচিন্তাকৈ ইমান টকা ধাৰলৈ লৈ গাড়ী কিনিবলৈ কিহে পাইছিলনো আপোনাক!'

'হয়নে?' ☐☐

[২০০৪ চনৰ নৱেম্বৰ সংখ্যা 'শ্ৰীময়ী'ত প্ৰকাশিত]

হাবুঙত নুন সস্তা

দৰা গৈ পোৱাৰ লগে লগে কইনাঘৰত যি উঁদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয় সেই খিনিয়েই বোধহয় বিয়াখনৰ উৎসৱমুখৰ আৰু আনন্দৰ সময়। আৰু ঠিক বিয়া শেষ হোৱাৰ পাছতেই দৰা-কইনাক লৈ আয়তীসকল হিৰ্-হিৰ্কৈ ঘৰ সোমাল। ৰাতি পুৱাবলৈ বেছি সময় নাই। প্ৰায়বোৰ মানুহকে টোপনিয়ে হেঁচি-ঠেলি য'ৰে মানুহ তাতেই ফ্ৰিজ কৰি থৈছে। ফ্ৰিজ নোহোৱাসকলে বৰুণী বাই আছে। আৰু সিবিধ ধৰি যোৱা সকলৰতো কথাই নাই — ফিউজ হৈ যেনি-তেনি পৰি আছে। সেই সময়খিনিয়েই আটাইতকৈ বিৰক্তিকৰ আৰু আমনিদায়ক। একাপ ৰঙা চাহ বা এখন তামোল খাবলৈ কাওঁ-বাওঁ কৰি থাকিলেও কোনেও নুপুচে। বিচাৰি বিচাৰি কাৰোবাক ক'লেও এবাৰ ঘৰ সোমালে আৰু ভিতৰৰ পৰা নোলায়। সেই কাৰণে দৰাৰ লগত যোৱাৰ কথা ক'লেই মই জাঁপ মাৰি উঠো। নানা লেঠা দেখুৱাই নাযাবলৈ আপ্ৰাণ চেষ্টা কৰো।

কিন্তু নানা বাঘ-ভালুক দেখুৱাইও এবাৰ নোৱাৰি এখন বিয়াৰ বৰযাত্ৰী হ'বলগীয়া হৈছিল অলপতে।। বৰযাত্ৰী হৈ গাড়ীত উঠাৰ পৰাই মোক এটা চিন্তাই খুন্দিয়াই আছিল। সেই সময়খিনিৰ চিন্তাই, সেই সময়খিনি পাৰ কৰা যাব কেনেকৈ। কিন্তু একোজন মানুহে যে আমনিদায়ক সময়খিনিও আনন্দদায়ক সময়লৈ পৰিৱৰ্ত্তন কৰিব পাৰে সেই অভিজ্ঞতা সেইদিনাহে হ'ল।

দৰাৰ মহাক। পোছাকী নাম হৰিশ ভট্ট। বাসস্থান নুনমাটি। কৰ্মস্থান কাছাৰী। দৰাৰ লগত যোৱা গাড়ীত মোৰ কাষৰ চিটত বহা মানুহজনে উপযাচি নিজেই নিজৰ চিনাকি

দিছিল মোক। কৈছিল, মনে মনেনো কিমান বহি থাকে হেৰি! চিনাকি হৈ সুখ-দুখৰ কথাকে পাতি যাওঁ দিয়ক। মই আকৌ মুখত পিঠা ভৰাই গপচত বহি থকা মানুহক ভাল নাপাওঁ। নিজেও তেনেকৈ বহি নাথাকো। বাৰু মই কি, ক'ত, কিয় বিখ্যাত ক'লো। এতিয়া আপুনিও মুখ খোলক। একে লেঠাৰিয়ে নিজৰ ক'বলগীয়াখিনি কৈ শেষ কৰি কিছুসময় মোৰ মুখৰ ফালে ট-টকৈ চাই থাকিল। বোধহয় মোৰ চকুৰ ভাষা পঢ়ি চালে, তাৰ পাছত পুনৰ তেঁৱেই ক'লে— 'এতিয়া মাইক আপোনাৰ ফালে আগবঢ়ালো।' মানুহজনৰ কথা কোৱাৰ ধৰণ দেখি মোৰ পেটে পেটে হাঁহি উঠিল। ভালো লাগিল। বুজি পালো মানুহজন ৰসিক হ'ব। মই একো নোকোৱা দেখি পুনৰ তেঁৱেই ক'লে— 'হে-ৰি, হাঁহিয়েই থাকিল যে, একো নক'লে দেখোন। অৱশ্যে আপোনাৰ হাঁহি থকা মুখখন দেখিও মনটো ভাল লাগি আছে। ছোৱালী হ'লেতো....।' এই বয়সতো ছোৱালীৰ কথা। আৰু কথা কোৱাৰ যিটোহে ঢং, এই মানুহজনৰ কথা শুনিলে মৰা মানুহো উঠি বহিব। মই হাঁহিটো বহুত সময়ৰ পৰা চেপি ৰাখি আছিলো। আৰু নোৱাৰিলো। ফুচ্‌কৈ হাঁহিৰ ফোৱাৰাটো ওলাই গোটেই বাছখনতে ছিটিকি পৰিল। আৰু তেওঁৰ হাঁহিটোৱে পাৰ ভাঙি বাছখনৰ বাহিৰলৈ ওলাই দৌৰ মাৰিলে। 'বুঢ়া দুটাৰ কি হ'ল' বুলি গাড়ীখনৰ মানুহবোৰে কিছু সময়ৰ বাবে নিজৰ নিজৰ কথা বন্ধ কৰি আমাৰ ফালে চালে। একো নুবুজাকৈ কিছুমানে এনেয়ে এচেৰেঙাকৈ হাঁহিলে। আৰু নিজৰ কথাত মগ্ন হ'ল।

'খাওঁক।' —মৌলৈ চিগাৰেটৰ পেকেটটো আগবঢ়াই দিলে।

'চিগাৰেট? চিগাৰেট খায় নে হোপে?' —ৰগৰ কৰি চালো মই।

'হে-ৰি আপুনি সাহিত্যিক নেকিহে?'

'নহয়, মানে সুধিছো।'

'কিয় সোধে?' দাং খাই উঠিল মানুহজন... 'আজিলৈকেতো কোনেও সোধা নাই। বুজি পাইছো দিয়ক। পিছে, সিবিধ, মানে ডেম কেয়াৰ টনিকবিধ চলেনে নাই?'

মই নচলে বুলি ক'বলৈহে পালো তেওঁ মোৰ ফালে এনেদৰে ঘোপাকৈ চালে যেন মই বৰ দোষণীয় কথাহে ক'লো।

'আপুনি কোন যুগৰ মানুহহে। মদ, ভাং, চিগাৰেট, ড্ৰাগছ্ এইবোৰ হ'ল কলিৰ যুগৰ অমৃত। সেইবোৰ নাখায় যদি খায় কি? আমি কিন্তু চব খাওঁ দেই। টানৰ ভিতৰত শিল আৰু ঢিলাৰ ভিতৰত বিস্থাহে খোৱা নাই। তাৰ বাহিৰে একো বাকী এৰা নাই। আৰু এই চিগাৰেট, চিগাৰেটটো এম.ই স্কুলত পঢ়া দিনৰ পৰাই লুকাই-চুৰকৈ খোৱা আৰম্ভ। চিগাৰেট সেই বয়সত আমাৰ বাবে আছিল নিষিদ্ধ। নিষিদ্ধ বস্তুৰ সোৱাদেই বেলেগ নহয়! আৰু

কলেজত মোৰ চিগাৰেট খোৱাৰ ষ্টাইলেই বেলেগ আছিল, বুজিছে। কোনো চিনেমাৰ ডাইৰেক্টৰে নেদেখিলে বুলিহে, নহ'লে..... —কৈয়েই নিজৰ ৰসিকতাত নিজেই টেক টেককৈ হাঁহিবলৈ ধৰিলে। মোৰ গালে-মুখে চিগাৰেটৰ ধোঁৱা আৰু থু ছিটিকি পৰিল।

হাঁহি সামৰি পুনৰ তেঁৱেই মুখ মেলাই থাকিল। মাজতে আনে কিবা ক'ব পৰাকৈ সুৰুঙা নৰখাকৈ কৈ যায় তেওঁ। অন্যমনস্ক হ'বৰো উপায় নাই, কথাৰ মাজে মাজে 'বুজিছে, বুজিছে' বুলি হাতৰ বাউসীত ধৰি টানি থাকে। সেইটো চাগে তেওঁৰ মুদ্রাদোষ! মানুহবোৰ হুৰমুৰকৈ গাড়ীৰ পৰা নামিব ধৰিলে। বাহিৰলৈ চাই দেখো কইনা ঘৰ। তাৰ মানে কইনাঘৰ পালোহিয়েই। আমিও নামিলো গাড়ীৰ পৰা। কইনা ঘৰতো তেওঁ মোৰ লগ নেৰিলে। কিয় এৰিব, ইমান এজন ভাল শ্রোতা পাইছে। কইনা ঘৰত বহিয়েই পুনৰ মুখ খুলিলে যেন চুইছ্ দিয়া টেপৰেকৰ্ডাৰহে। এইবাৰৰ প্ৰসঙ্গ তেওঁৰ বিয়া। তেওঁৰ বিয়াত কিমান মানুহ হৈছিল, দৰাৰ লগত কিমান মানুহ গৈছিল.... তাৰ পৰা আৰম্ভ কৰি দৰা আদৰি অনাৰ পৰা বিয়াৰ শেষলৈকে প্ৰতিটো মুহূৰ্তৰ চলন্ত বিৱৰণী। ৰভাৰ তলত কইনাৰ হাতত ধৰাৰ সময়ত কইনাৰ বুঢ়া আঙুলিত জোৰেৰে চেপা মাৰি দিয়াৰ পৰা আঙঠি লুকুৱাৰ সময়ত চাউলৰ মাজত নথৈ আঙঠিটো হাতত ৰখালৈকে একো বাদ নপৰাকৈ।

মই মাজতে অকণমান ফাঁক উলিয়াই সুধিলো— 'ইমান কথা মনত আছে, কম নহয় দেই আপুনি।'

'আছে আছে। কিয় নাথাকিব? সেইবোৰ পাহৰিব লগা কথানে? এটা কথাও পাহৰা নাই। সেই পুৰণি কথাবোৰ মনত পৰিলে ভাল লাগি যায়হে। ভোক-পিয়াহ নাইকিয়া হয়। নতুনকৈ চিগাৰেট এটা জ্বলাই আত্মসন্তুষ্টিৰ ভাবত ধোঁৱা উৰুৱাই দি দি কথাখিনি ক'লে। কিছুসময় আপোনমনে চিগাৰেট হুপি থাকিল। মই ৰক্ষা পোৱা দি পালো মুখখন বন্ধ হোৱা দেখি। কিন্তু হঠাৎ মোক আচৰিত কৰি দি প্ৰশ্ন কৰিলে—

'আপোনাৰ মানুহজনী, মানে পত্নীৰ কথা কৈছো, কেনেকুৱা?'

'কিয়?' শব্দটো বোধহয় খহটা আৰু স্বাভাৱিকতকৈ ডাঙৰকৈ ওলাইছিল মোৰ মুখৰ পৰা। তেওঁ থত্‌মত্ খোৱাৰ দৰে হ'ল, কিন্তু হতাশ হোৱা যেন নেলাগিল। ইঁহাৰ নিচিনা কৰি ক'লে—

'নহয়, মানে, বৰ কড়া নে ভাল? আমাৰ তেওঁৰ দৰে দৰমহাৰ টকাৰ হিচাপ ধৰে নে নাই? তাকেহে সুধিছো। আমাৰ তেওঁ বৰ কড়াহে। প্ৰতিটো টকাৰ হিচাপ ধৰে বুইছেনে? দিনত কেইডাল চিগাৰেট খালো, অফিচত কেইকাপ চাহ খালো, কেইখন তামোল খালো,

চব হিচাপ ধৰেহে। বৰ দিগ্‌দাৰ বুইছে। মানে কথাটো হ'ল কি, তেওঁৰ মতে মানুহে যিমান পাৰে কম খৰচত চলিব লাগে। ঘৰখন চলোৱাৰ দায়িত্ব তেওঁৰ। তেওঁ যিমান পাৰে কম খৰচত ঘৰখন চলাবৰ চেষ্টা কৰে। গতিকে মোলৈও তেওঁৰ কঢ়া নিৰ্দেশ, অযথা খৰচ নকৰিবা। ঘৰত এপেট খাই যোৱাই, আকৌ অফিচত চাহসোপা গিলি থকাৰ কি দৰ্কাৰ? অফিচৰ পৰা আহি ঘৰত খাবাই নহয়।

হোমৰ ধোঁৱা। পুৰোহিতৰ মন্ত্ৰ ধ্বনি।

ইপিনে চিগাৰেটৰ ধোঁৱা আৰু হৰিশ ভট্টৰ ননষ্টপ বক্‌বকনি। কোনোবাই যদি কয় বোলে বেলতলা বজাৰত আলুৰ দাম কম তেনেহ'লে আমাৰ তেওঁ পাৰিলে নুনমাটিৰ পৰা আলু কিনিবলৈ বেলতলালৈ যাব। তথাপি সস্তাত কিনিব।

এবাৰ হ'ল কি, ৰ'ব তামোল এখন খাই লওঁ। আঙুলিৰ আগত চুণ এসোপামান লৈ মাজে মাজে জিভাৰে চুণ চাকি চাকি, তামোল পাগুলি পাগুলি পুনৰ আৰম্ভ কৰিলে— 'কোনোবাই ক'লে বোলে কাছাৰীৰ বজাৰত তৰকাৰীৰ দাম বৰ কম। কম মানে একেবাৰে কম। প্ৰতিটো বস্তুৰ দাম আমাৰ নুনমাটিৰ দৈনিক বজাৰতকৈ আধা। বছ্‌। পাৰিলে তেওঁ তেতিয়াই যায় কাছাৰীৰ বজাৰলৈ। মই বোলো ৰ'বাহে যাৰে-তাৰে কথা শুনি জঁপিয়াই নাথকিবাচোন। কিন্তু ক'লে কি হ'ব! তেওঁৰ মুৰত কথা এটা সোমাল মানে সোমালেই। সহজতে নোলায়। সেই গতিকে তেতিয়াৰ পৰাই মই এসাজ ভাত যদি শান্তিৰে খাব পাৰিলোহেঁতেন!

ভাতৰ কাঁহীখন আগত দিয়েই পুৰোহিতে মন্ত্ৰ মতা দি মাতিবই — 'খোৱা শুকান তৰকাৰীসোপা। সদায় একেসোপা তৰকাৰীকে সিজাই থাকিব পাৰিনে? পানী দি থোৱা ১২ বছৰীয়া শুকান তৰকাৰীসোপা কিনিব লাগে সোণৰ দামত। মুখত দিব নোৱাৰি। শুকান পটল, শুকান বেঙেনা কেইটাৰ বাহিৰেতো একো পাবলৈ নাই এইখন বজাৰত। লোকে কাছাৰী বজাৰৰ পৰা বিধে বিধে সজীৱ তৰকাৰী আনে, তাকো আধা দামত। আমাৰহে ভাগৰ। আনিবৰ সময়েই নাই। অফিচখনতেই খুচৰি থাকে। মোক যেন ঘৰখন চলোৱাৰ ঠিকাহে দিছে। বোলে অফিচৰ কাষতে কাছাৰী বজাৰখন। দূৰলৈ যাব লাগিলেতো আছিলেই। সেইখিনি যাবৰেই সময় নাই। এনে ৰাষ্ট্ৰপতিৰ অফিচখন! আমি আৰু অফিচত কাম কৰা মানুহ দেখাই নাই। আমাৰ জনেহে অফিচত কাম কৰিছে।' সেই কথাৰ ওপৰত কিবা যুক্তি-তৰ্ক দিব পাৰিনে?

নোৱাৰিলো, বুজিছে। নোৱাৰিলো। সদায় সেইবোৰ শুনি থকাতকৈ তেওঁৰ মতে

চলাটোকেই বুদ্ধিমানৰ কাম হ'ব বুলি ভাবিলো। সিদ্ধান্ত হ'ল— দৰমহা পোৱাৰ দিনাই কাছাৰী বজাৰত মাহেকৰ তৰকাৰীৰ বজাৰ কৰা হ'ব। ঘোষণাটো শুনাৰ পাছত যেনিবা গাজনি-ঢেৰেকণি কমিল। মুখখনো ফৰকাল হ'ল। পিছে তাৰ সলনি অফিচলৈ যোৱাৰ সময়ত সদায় এটা প্ৰশ্নৰ উত্তৰ দি থাকিবলগীয়া হ'ল— 'আজি হ'বনে দৰমহা?— 'জানো?'

'জানো' বুলি কোৱা মানে যে 'নাজানো' সেইটো বুজি পোৱা হৈছে তেওঁ। গতিকে 'জানো' বুলি কোৱাৰ লগে লগে কৰ্মচাৰী সংগঠনৰ নেতাসকলতকৈও উচ্চস্বৰত চৰকাৰৰ ওপৰত গালিবৰ্ষণ আৰম্ভ হয়। মই বকা পৰিলো। গালিবোৰ মোৰ পৰা চৰকাৰলৈ ট্ৰেন্সফাৰ হ'ল। কিন্তু চৰকাৰক গালি পাৰা আৰু ভগবানক গালি পাৰা একেই কথা। কাৰো গাত নালাগে। শেষত— ২ তাৰিখে দৰমহা হ'ল আৰু ৩ তাৰিখে ৪.৩০ বজাত শ্ৰীমতী হাজিৰ হ'ল কাছাৰীৰ সমুখত। কান্ধত থকা ভেনিটি বেগখন পেটুৰা। ভিতৰত সৰু-ডাঙৰ ছখন বেগ। মোৰ অফিচৰ পৰা ওলোৱাত অলপ দেৰি হোৱাৰ বাবে তেওঁৰ অভিযোগ— 'কিনো কৰি থাকাহে অফিচডালত? মই অথনিৰে পৰা বৈ বৈ ব'ৰ হৈ গৈছো। মানুহবোৰে নেদেখা বস্তু চোৱাদি যেনেকৈহে চায়।'

মই অলপ জোকাই চাব খুজিলো— 'নহয় মানে, তোমাক মাইকী নে মতা ধৰিব নোৱাৰিহে তেনেকৈ চাইছে নেকি? প্ৰথমতে ময়েইতো ধৰিব পৰা নাছিলো তুমিয়েই নে আন কোনোবা।'

বৰশীত লগা চেঙেলী মাছৰ দৰে জঁপিয়াব ধৰিলে তেওঁ— 'মোকনো কোনদিনা ভাল দেখা তুমি! কেতিয়াবা ভাল বুলি কৈ পাইছানে?' কৈয়েই উচাৎ মাৰি গুচি গ'ল। মই একপ্ৰকাৰ দৌৰি গৈয়েই আগভেটা দিলো। বোলো কাছাৰী বজাৰ সেইফালে নহয়। এই ফালেহে।

'তুমিয়েই যোৱা। মই নাযাওঁ।'

মাতটো যিমান পাৰি কোমলকৈ উলিয়াই ক'লো— 'মাজ ৰাস্তাত এইবোৰ ভাওনা কৰি থাকিলে মানুহে কি বুলিব? আহা আহা, আগতে একোকাপ চাহ খাই লওঁ।'

চাহ খাই থাকোতে তেওঁ ঘৰতে বনাই নিয়া মালৰ লিষ্টখনত চকু ফুৰাই মোৰ চকু কপালত উঠিল। 'এইখিনি মালেৰে দেখোন সৰু-সুৰা ভোজ এখনেই পাতিব পৰা হ'বহে।'

'এহ্ তুমি সদায় বেছিয়েই দেখা।' ভেকাহি মাৰি উঠিল তেওঁ — 'এমাহৰ বাবে কমহে হ'ব।'

'হেৰা, চবজিৰ মাহেকীয়া বজাৰ কৰা ক'ত দেখিছাহে? শেহলৈ সেইবোৰ চবজি হৈ থাকিবনে?' বুজাবৰ চেষ্টা কৰিলো।

তপৰাই মাত দিলে তেওঁ— 'সেই কাৰণে মই ফ্ৰিজ এটাৰ কথা কৈ আছো।' তেওঁ জানে কেনেকৈ মোৰ মাত বন্ধ কৰিব লাগে।

বজাৰত সোমাই 'অধিক মাছত বগলী কণা'ৰ দৰে অৱস্থা তেওঁৰ। কোনটো কিনিব, কোনটো নিকিনিব। পটল, তিয়ঁহ, বিন, তাজা পালেং শাক, ৰঙালাউ, লেচেৰা, বেঙেনা, পানীলাউ। পাৰিলে যেন গোটেই বজাৰখনকে মোনা কেইখনত সুমুৱাই ল'ব। লিষ্ট ক'ৰবাতেই থাকিল। তেওঁ দেৰি কৰিলে যেন কোনোবাই কিনিহে নিব — এনে ভাবত খপ্জপ্কৈ কিনি গৈছে এফালৰ পৰা। মই নিৰ্বিকাৰভাৱে মোনাকেইখন চোঁচোৰাই লৈ ফুৰিছো তেওঁৰ পিছে পিছে। মই যে এজন মানুহ, তেওঁৰ পিছে পিছে মোনা লৈ গৈ আছোঁ সেই কথা বোধহয় পাহৰি গৈছে তেওঁ। ৰবটকহে যেন তেওঁ নিৰ্দেশ দি গৈছে। তেওঁ কিনিছে, মই মোনাত ভৰাই গৈছো। শেষত জীয়া কাৱৈ মাছ এক কেজিৰে বজাৰ সামৰিলে যদিও গাঁৱলীয়া হাঁহকণী দেখি তাকো কিনিলে আধা ডজন। মুঠতে আমাৰ হাতত থকা মোনাকেইটাত বস্তু ভৰাবলৈ আৰু ঠাই নাই।

'হেৰা, অ'টো এখনকে লোৱা ভাল হ'ব নেকিহে, ইমানবোৰ বস্তু লৈ চিটিবাছত কেনেকৈ যাবা?' সেই সময়ত চিটিবাছত যোৱাটো অসম্ভৱ হ'ব বুলিয়েই অ'টোত যোৱাৰ প্ৰস্তাৱ দিছিলো।

'ৰ'বাচোন, চেষ্টা কৰি চাওঁ।' তেওঁৰ পইচা বচোৱাৰ ধান্দা।

খানাপাৰা, পাঞ্জাবাৰী, কাহিলীপাৰা, বশিষ্ঠ। সেয়া আহিছে আহিছে, নুনমাটিৰ গাড়ী আহিছে। আহা আহা, উঠিব পাৰিলে ভাল হয়। হেঁচি-ঠেলি, ঘামি-জামি কোনোমতে বাছৰ ভিতৰত সোমালো। তেওঁ আগত মই পাচত। মোৰ হাতত থকা বেগ দুখনে অসুবিধা কৰা বুলি মানুহৰ আপত্তি। নানাজনৰ নানা মন্তব্য। উপায় নাপাই ভৰিৰ চেপাত বেগ দুখন লৈ কোনোমতে থিয় হৈ থাকিলো। ভালকৈ থিয় হৈ থকাৰো উপায় নাই। ইজনৰ গাত সিজন লিপিট খাই ধৰি গৈ আছো কোনোমতে। গুৱাহাটীৰ যিহে ৰাস্তা, বাছখন দুলি দুলি গৈ আছে। আৰু আমি ভিতৰত থকা প্ৰাণীসোপাই চাৰ্কাছৰ জৰিৰ ওপৰেৰে খোজ কাঢ়োতে ইফালে সিফালে দুলি দুলি ভাৰসাম্য ৰক্ষা কৰি নপৰাকৈ থকাৰ দৰে, কোনোমতে ভাৰসাম্য ৰক্ষা কৰি গৈ আছো। কোন তলকত মোৰ ভৰিৰ চেপাৰ পৰা বেগ দুখন ওলাই গ'ল গমেই নাপালো। মানুহজন হালি গৈ হাতেৰে বিচৰাৰো উপায় নাই। গতিকে ভৰি দুখনকেই মানুহৰ ভৰিৰ মাজেৰে সুমুৱাই দি বেগ বিচৰাৰ চেষ্টা

কৰিলো। ভৰি দুখনতো দুটা চকু থকা হ'লে! চেহ্, বেগ দুখনৰ গতি বা কি হৈছে! কিছুসময়ৰ পাছত বাহিৰ পাছৰ কাষৰ পৰা কোনো শুনিলো— 'মাছ, মাছক'কলৈ আহিলনে। মোৰ বেগৰ কাৰে মাছকেইটাই কোনেহে পানী বিচাৰি বাহুখনৰ ভিতৰত ঘূৰি ফুৰিছে।

নুনমাটিত মানুহবোৰ নামি শেষ হোৱাৰ পাছত দেখিলো বেগ দুখন দুঠাইত চেপেটা হৈ শুই আছে। গোটেই বাহুখনৰ ভিতৰত তিয়ঁহ, বিলাহী, বেঙেনা, পটল চেপেটা হৈ আছে। শ্ৰীমতীয়ে কান্দিছে নে হাঁহিছে নে কাবেবাৰ ওপৰত খং কৰিছে মুখলৈ চাই পট্‌কৈ ধৰিব পৰা নাই। তেঁৱো চাই আছে বাহুখনৰ ভিতৰখন, কিজানি ঘৰলৈ নিব পৰা অৱস্থাত কিবা অলপ আছেই। নিছে নাই। বাহুখনৰ ভিতৰখনত ধুমুহা যোৱাৰ পাছৰ অৱস্থা। মাথো ধুমুহা যোৱাৰ পাছত ভঙা ঘৰ, গছ-গছনিবোৰ ঠিক-ঠাক কৰাৰ কাৰণে মানুহ ঘূৰি ফুৰাৰ দৰে জীয়া কাৰৈ মাছকেইটাই চেপেটা লাগি পৰি থকা বস্তুবোৰৰ মাজে মাজে কাণ বাই ফুৰিছে।

কিছুসময় চাই থকাৰ পাছত শ্ৰীমতীয়ে পানী সিঁচাৰ পাছত বোকাত মাছ ধৰা দি এখন হাতেৰে মেখেলা কোচাই আনখন হাতেৰে কাৰৈ মাছকেইটা ধৰাৰ চেষ্টা কৰিছে। মই চাই আছো মোনা দুখনলৈ। বিলাহী আৰু কণী ভাঙি লাগি ধৰিছে। কিমান চেণ্ডেল, জোতা সিহঁতৰ ওপৰেৰে পাৰ হৈ গৈছে। হাতেৰে চুব পৰা অৱস্থাত নাই।

মাছ ধৰিবলৈ খেপিয়াই থকা শ্ৰীমতীলৈ চাই মোৰ ভিতৰত জমা হোৱা খংখিনি উলিয়াই দিলো— 'হে-ৰা, সস্তাত কিনা তাজা চব্‌জিৰ বেগ দুখনো লোৱা। ইমান আগ্ৰহেৰে কিনা বস্তুবোৰ ইয়াত এৰি থৈ যাব পাৰিবিনে? লোৱা।'

একো নামাতিলে তেওঁ। সুবিধা পাই পুনৰ ক'লো— 'সস্তাত বস্তু কিনাৰ মজা পালা নহয় এতিয়া। বোলে হাবুঙ্গত নূন সস্তা, দেহাৰ বা কি অৱস্থা!'

বেগখনৰ দৰে যেন মানুহজনীও চেপেটা হৈ গ'ল। একো উত্তৰ বিচাৰি নাপাই কন্দনামুৱা হৈ বেঙা মানুহৰ দৰে চাই থাকিল মোৰ ফালে। □□

[২০০৩ চনৰ ৩০ নৱেম্বৰত 'অগ্ৰদূত' কাকতত প্ৰকাশিত]



ভেটি নিয়ন্ত্ৰণ বিধেয়ক

প্ৰস্তাৱনা ঃ ভেটি, ঘোচ, ব্ৰাইব, উৎকোচ বা উপঢৌকন শব্দটো এতিয়া ভাৰতবৰ্ষত বহুলভাৱে প্ৰচলিত। দ্বাৰপালৰ পৰা উচ্চপদস্থ বিষয়া, মুখ্যমন্ত্ৰীৰ পৰা প্ৰধানমন্ত্ৰীলৈ কোনেও সাৰি যাব পৰা নাই ইয়াৰ সৰ্বগ্ৰাসী প্ৰভাৱৰ পৰা। ৰাজ্যতেই হওঁক বা কেন্দ্ৰতেই হওঁক এই ভেটি দিয়া আৰু লোৱা কাৰবাৰটো চলি আছে। কাৰবাৰটোৰ ওপৰত কোনো চৰকাৰী নিয়ন্ত্ৰণ নথকা বাবে যেয়ে যি খুচি দিছে, যেয়ে যি খুচি লৈছে। কোনো Standard maintain হোৱা নাই। যেনে ধৰক, দিওঁতাই অজ্ঞতাবশতঃ বিষয়া এজনক এশটকা দিলে, তেনে কৰিলে বিষয়াজনৰ Standard থাকিল ক'ত! গতিকে এই কাৰবাৰটোৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ থকা ভাল। কাৰবাৰটো সেই তাহানিৰ ৰজা-মহাৰজাৰ দিনতো আছিল। আজিও চলি আছে Open Secret কাৰবাৰ হিচাবে। নিষিদ্ধ বস্তুলৈ মানুহৰ আগ্ৰহ বেছি। মদ নিষিদ্ধ হৈ থকাৰ সময়তো মানুহে মদ নোখোৱাকৈ থকা নাছিল। খাইছিল। কিন্তু বেহিচাপত খাইছিল। কাইলৈ বা পাওঁ নে নেপাওঁ বুলি ভাবি যেতিয়া পায় তেতিয়াই ডিঙিলৈকে খাই লৈছিল। আৰু লুকাই-চুৰকৈ বেচা বস্তু যেয়ে যি খুচি দাম লৈছিল। যেই মদ খোলা দিলে, মদৰ দোকান খোলাৰ চৰকাৰী অনুমতি দিলে, চাহৰ দোকানৰ দৰে নিশ্চিন্ত মনে মদৰ দোকানত (বাৰত) আৰামত বহি মদ খাব পৰা কৰি দিলে, দেখা গ'ল মানুহবোৰে হিচাপতকৈ

এচামুচ মদো বেছিকৈ নোখোৱা হ'ল। সেয়াহে উত্তম পন্থা। দেশ গঢ়াৰ বাবে ইয়াতকৈ আৰু ভাল পথ কি হ'ব পাৰে! মদ খাওঁতাৰো লাভ। বেচোঁতাৰো লাভ। আৰু বেচিবলৈ অনুমতি দিয়াসকলৰো লাভ। চৰকাৰৰো লাভ। লাভেই লাভ। পৰীক্ষামূলকভাৱে চলোৱা সেই মদ চৰকাৰীকৰণ প্ৰচেষ্টাত অভূতপূৰ্ব সাফল্য লাভ কৰাৰ পাছত ভেটি খোৱা কাৰ্যটোকো আইনসঙ্গত কৰি চৰকাৰৰ নিয়ন্ত্ৰণাধীন কৰাৰ কথা গুণা-গঁথা কৰা হৈছে। তাৰেই ফল এই 'ভেটি নিয়ন্ত্ৰণ বিধেয়ক'।

বৰ্তমান বিভিন্ন গুপ্ত নামত চলি আছে এই কাৰবাৰটো। যেনে চাহ খৰচ, উপহাৰ আৰু বৰগুণি আদি ভদ্ৰ নামত। পদমৰ্যাদা অনুযায়ী চাহ খৰচ পঞ্চাছ টকাৰ পৰা পঞ্চাছ হেজাৰলৈ হ'ব পাৰে। উপহাৰৰ নামত ভেনিটি বেগ, শাৰী, টিভি, ফ্ৰিজ আৰু গাড়ীৰ পৰা ফ্লেটলৈ দিব পাৰে। আৰু বৰগুণি, মানে বিভিন্ন পুঁজিলৈ বৰগুণি বুলি এক লাখৰ, পৰা এক কোটি বা তাতোকৈ বেছি ল'ব পাৰে। কিন্তু গোটেই লেন-দেনটো গোপন হোৱা বাবে দিয়া-লোৱাৰ কোনো নীতি বা সীমা নাই। আটাইতকৈ ডাঙৰ কথাটো হৈছে, এই যে লেন-দেনটো আইনসঙ্গত নোহোৱা বাবে হাতীচোৰো সাৰি যায়, বেঙেনা চোৰো ফঁচি যায়। আৰু তাকে লৈ তিলটোকে তালটো কৰি বাতৰি কাকতবোৰে হৈ-চৈ লগাই দি ৰম্‌ৰমীয়া ব্যৱসায় কৰে। ওখ চকীত বহি থকাসকলক চকীয়ে মানুহে ধুপুচ্‌কৈ মাটিত বগৰাই দিয়ে। হাতীয়ে মাউতে খালত ডুবাই গো-খোজত তল যোৱা এবেগেতীয়া সজাই ৰং চায়। কলম পিহি পিহি পেট পোহা সাংবাদিকসোপা ৰাতিৰ ভিতৰতে হিৰো বনি যায়। কথা হ'লনে?

হলা গছ দেখিলে আকৌ সকলোৱে বাগী কুঠাৰ মাৰে। সুবিধা পালেই চালনীয়ে বেজীক হাঁহে বোলে 'তোৰ গাত ফুটা'। দিন ডকাইতে সিন্ধি খন্দা চোৰক হাঁহে গভাইত চোৰ বুলি। সেইবোৰ দেখি-শুনি এই ভেটি-লোৱা কাৰবাৰটো আইনসঙ্গত কৰি দেশত শান্তি আৰু প্ৰগতি নমাই অনাৰ বাবে চিন্তাত মগ্ন হ'ল বৰমূৰীয়াসকল। উপায় উদ্ভাৱনৰ চিন্তাত বহুদিন বহুৰাতি বিলাসী হোটেলত বিলাতী মদৰ মাজত ডুবগৈ আছিল বহু নেতা-পালিনেতা। ভেটি নিয়ন্ত্ৰণ বিধেয়কখনৰ ভ্ৰূণ অংকুৰিত হৈছিল সেই সময়তেই। মাথো অপেক্ষাত আছিল ভূমিষ্ঠ হোৱাৰ।

আইনখন প্ৰস্তুত কৰি থকাৰ সময়ত দেহ-মন সতেজ কৰি ৰখাৰ সকলো বন্দোবস্ত কৰা হৈছিল। হোটেলৰ কোঠাৰ ডিম লাইটৰ পোহৰত আইনখন প্ৰস্তুত কৰি থকা প্ৰতিটো মুহূৰ্ততে জনসাধাৰণৰ মঙ্গলৰ কথা, দেশৰ প্ৰগতিৰ কথা চকুৰ আগত ৰাখিহে দফাঁসমূহ সন্নিবিষ্ট কৰা হৈছিল। গতিকে আইনখন বলবৎ হ'লে দেশৰ উন্নতি হ'ব।

জনসাধাৰণৰ মঙ্গল হ'ব। বিশেষকৈ চৰকাৰী বিষয়া আৰু কৰ্মচাৰীসকলৰ অৱস্থা টনকিয়াল হ'ব। কৰ্মচাৰীসকলে দৰমহাৰ কাৰণে আন্দোলন কৰি টেটুফালি চিঞৰি মৰিব লগা নহ'ব। তেতিয়া চৰকাৰেও হেলিকেপ্টাৰত উঠিয়েই দেশ চলাব পাৰিব। মাহৰ শেষ দিনটোতো বিষয়া-কৰ্মচাৰীসকলৰ পকেট গৰম হৈ থাকিব। কাৰবাৰটো আইনসিদ্ধ নোহোৱা বাবে ইচ্ছা থাকিও ভয়তে খাব নোৱাৰি ওঁঠ চেলেকি থকা বিষয়া-কৰ্মচাৰীসকলে গোগ্রাসে গিলি পেট ঢোল যেন কৰি অফিচৰ চকীত ফোঁপাই ফোঁপাই শুই থাকিব পাৰিব। তেতিয়া দেশে উন্নতিৰ জখলাডালত আৰু এখোজ ওপৰলৈ উঠিব পাৰিব। গতিকে সৰ্বজন হিতায়চঃ সৰ্বজন সুখায়চঃ সদনৰ অনুমোদনৰ বাবে আইনখন দাখিল কৰা হ'ল।

নাম ঃ এই আইনখনৰ নাম 'ভেটি নিয়ন্ত্ৰণ বিধেয়ক-২০০১' হ'ব।

পৰিসৰ ঃ অসম, বিহাৰ, তামিলনাডুকে ধৰি ভাৰতৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত এই আইনখন বলবৎ হ'ব। বৰ্তমানৰ পৰিস্থিতিলৈ চাই আইনখন তৎকালে বলবৎ কৰা হ'ব।

দফা নম্বৰ-১ ঃ এই আইনখন বলবৎ হোৱাৰ লগে লগে ভেটি লোৱা আৰু দিয়া ব্যৱস্থাটো আইনসঙ্গত বুলি গণ্য কৰা হ'ব।

দফা নম্বৰ-১ (ক) ঃ এই আইনখন বলবৎ হোৱাৰ পিছত ভেটি নোলোৱাকৈ কাম কৰা সকলক আইন-ভঙ্গকাৰী হিচাবে গণ্য কৰি শাস্তিৰ ব্যৱস্থা কৰা হ'ব।

দফা নম্বৰ-২ ঃ এই আইনখনৰ দ্বাৰা চৰকাৰী চাকৰি কৰাৰ বাবে দৰমহা আৰু কাম কৰাৰ বাবে ভেটি লোৱাটো বাধ্যতামূলক কৰিব বিচৰা হৈছে।

দফা নম্বৰ-৩ (ক) ঃ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলে ইখন মেজৰ পৰা সিখন মেজলৈ ফাইল অনা-নিয়া কৰাৰ বাবদ ফিজ বা পাৰিশ্ৰমিক হিচাবে ল'ব পৰা ধনৰ পৰিমাণ নিম্নতম ১০০ টকা ধাৰ্য কৰা হৈছে। উৰ্দ্ধতম সীমা নাই।

দফা নম্বৰ-৩ (খ) ঃ তৃতীয় বৰ্গৰ কৰ্মচাৰীসকলে অফিচলৈ আহি চহী কৰা বাবদ নিৰ্দ্ধাৰিত দৰমহা পাব। কাম কৰিব লাগিলে প্ৰতিটো ফাইলৰ বাবদ ঠিকাদাৰৰ কামৰ ক্ষেত্ৰত নিম্নতম এহেজাৰ আৰু আন কামৰ ক্ষেত্ৰত ল'ব পৰা নিম্নতম চাহ খৰচ পাঁচশ টকা ধাৰ্য্য কৰা হৈছে। তাৰ ওপৰত যিমান বেছি ল'ব পাৰে তাক কৰ্মচাৰীজনৰ ক্ৰেডিট হিচাপে গণ্য কৰা হ'ব। বছৰটোৰ ভিতৰত সৰ্বোচ্চ পৰিমাণৰ ভেটি ল'ব পৰা কৰ্মচাৰীসকলক প্ৰমোচন, বিশেষ ইনক্ৰিমেণ্ট আদি ৰূপত পুৰস্কৃত কৰা হ'ব।

দফা নম্বৰ-৩ (খ) ঃ ৰাজপত্ৰিত বিষয়াসকলে ল'ব পৰা নিম্নতম চাহ খৰচৰ পৰিমাণ এনেধৰণৰ— ঠিকাদাৰৰ ক্ষেত্ৰত কামটোৰ বাবদ নিৰ্দ্ধাৰিত মুঠ ধনৰ ৪০-৬০ শতাংশ। চাকৰি প্ৰাৰ্থীৰ ক্ষেত্ৰত ল'ব পৰা ধনৰ পৰিমাণ ৩০ হেজাৰ আৰু সাধাৰণ কামৰ ক্ষেত্ৰত নিম্নতম ১০ হেজাৰ টকা। তাতকৈ যিমান বেছি ল'ব পাৰিব বিষয়াসকলক সিমানেই দক্ষ আৰু চৰকাৰৰ অনুগত বিষয়া হিচাপে গণ্য কৰা হ'ব। আৰু পুৰস্কাৰ হিচাবে অধিক দায়িত্বপূৰ্ণ পদত অধিষ্ঠিত কৰা হ'ব। কিন্তু নিৰ্দ্ধাৰিত হাৰতকৈ কম লোৱা বা ল'ব নোৱাৰা বিষয়াসকলক অপদাৰ্থ বিষয়া হিচাপে চিহ্নিত কৰি গুৰুত্বহীন বিভাগত নি বহুৱাই থোৱা হ'ব। আনকি আন শাস্তিমূলক ব্যৱস্থাও ল'ব পাৰিব।

দফা নম্বৰ-৪ ঃ নগদ টকাৰ উপৰিও উপহাৰ হিচাপে দিয়া যি কোনো বস্তু ল'ব পাৰিব। শাৰী, ঘড়ী, টিভি, ফ্ৰিজ, গাড়ী আদি যিকোনো বস্তু উপহাৰ হিচাপে ল'ব পাৰিব। উপহাৰ লোৱাৰ ক্ষেত্ৰত কোনো উৰ্দ্ধতম বা নিম্নতম সীমা নাথাকিব।

দফা নম্বৰ-৫ ঃ বিষয়া আৰু কৰ্মচাৰীসকলৰ বাৰ্ষিক গোপনীয় প্ৰতিবেদনত (Annual Confidantial Report) ভেটি লোৱাত কোনে কিমান ওস্তাদ বিশেষভাৱে উল্লেখ থাকিব আৰু তাৰ ওপৰতে প্ৰমোচনৰ বিষয়টো বিশেষভাৱে বিবেচনা কৰিব।

দফা নম্বৰ-৬ ঃ মন্ত্ৰী, বিধায়ক আৰু এম.পি-সকল যিহেতু চৰকাৰী মানুহ নহয় ৰাইজৰ প্ৰতিনিধিহে, গতিকে তেওঁলোকে যিকোনো উপহাৰ ল'ব পাৰিব। জনসাধাৰণৰ মঙ্গলৰ বাবে, দেশৰ মঙ্গলৰ বাবে আৰু দেশসেৱাৰ বাবে তেওঁলোকে নগদ ধন বা যিকোনো বস্তু-বাহানি লোৱাৰ কোনো সীমা থকা উচিত নহয়। কাৰণ তেওঁলোকে যি ল'ব দেশৰ বাবে ল'ব, তেওঁলোকে যি ল'ব দেশৰ উন্নতিৰ বাবে ল'ব। তেওঁলোকে যি ল'ব ৰাইজৰ মঙ্গলৰ বাবে ল'ব। নিৰ্বাচনৰ জৰিয়তে নেতা বনাই দিয়াৰ পিছত তেওঁলোক দেশৰ সম্পত্তি হৈ পৰে। আৰু দেশখন তেওঁলোকৰ হাতত তুলি দিয়াৰ পিছত ভোটাৰসকলৰ আৰু একো কৰাৰ অধিকাৰ নাথাকে। গতিকে সেই নেতাসকলে উপহাৰ লোৱাৰ ক্ষেত্ৰত বাধ্য-বাধকতা থকা উচিত নহয়। এই ক্ষেত্ৰত তেওঁলোকক সম্পূৰ্ণ স্বাধীনতা দিয়া উচিত বুলি বিবেচনা কৰা হৈছে।

বিধেয়কখন সদনত দাখিল কৰাৰ লগে লগে বিৰোধী আৰু শাসক উভয় পক্ষৰ সদস্যসকলৰ বিপুল হৰ্ষোল্লাসৰ মাজত গৃহীত হ'ল। ▢▢

[২০০১ চনৰ বিহু সংখ্যা 'দৈনিক অগ্ৰদূত' কাকতত প্ৰকাশিত]

সদৌ অসম ছাত্ৰী সন্থা

আগকথা ঃ অসমত বৰ্তমান যি গতিত জনসংখ্যা বাঢ়ি আছে বিভিন্ন ধৰণৰ সংগঠনৰ সংখ্যাও একেই গতিত বাঢ়ি গৈ আছে। বৰ্তমানলৈ প্ৰতিজন নাগৰিকৰ বিপৰীতে এটাকৈ সংগঠনৰ কম নহয়, বেছিহে হ'ব পাৰে। আৰু প্ৰতিদিনে নতুন নতুন সংগঠনৰ জন্ম হোৱালৈ চাই চলিত ২০০০ চনৰ শেষলৈ প্ৰতিজন মানুহৰ বিপৰীতে কমেও দুটাকৈ সংগঠনৰ জন্ম হ'ব বুলি আশা কৰিব পাৰি। আৰু এই হাৰত সংগঠনৰ জন্ম হৈ থাকিলে ২০০০ চনৰ ভিতৰত যে দেশে উন্নতিৰ জখলাডালৰ শেষ বিন্দুত থিয় হ'বগৈ নোৱাৰিব কোনে ক'ব। গতিকে দেশ গ'ল গ'ল বুলি টেটুফালি চিঞৰি চিঞৰি স্বৰ্গলৈ যোৱা অম্বিকাগিৰিয়ে দেশৰ তেনে উন্নতি দেখি স্বৰ্গৰ পৰা নামি অহাৰ বাবে নিশ্চয় আটাহ পাৰিব ধৰিব— "যাউৰে। যাউ। মোৰ দেশক লাগি যাউ। দেশৰ বৈভৱ চাউ।" আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে নিশ্চয় দেশ উদ্ধাৰৰ এই কিটিপটো নজনাৰ দুখত স্বৰ্গৰ পৰাই দেশমাতৃৰ চৰণ চিন্তি লোকগীত এফাঁকি আওঁৰাই দুখ পাতলাবৰ চেষ্টা কৰিব— "মই কিয় নাজানিলো তোমাৰে সেৱা। অৰুণ চৰণতলে ৰাখিও সদা।"

সমাজসেৱা ঃ- সমাজসেৱা কৰাৰ বাবে যে অকল মন্ত্ৰী-বিধায়কেই হ'ব লাগিব তেনে নহয়। সমাজসেৱা কৰাৰ কিটিপ জানিলে মন্ত্ৰী-বিধায়ক নহ'লেও তেওঁলোকৰ পিছে পিছে যাব পৰা হ'ব পাৰি। তাৰবাবে বৰ বিশেষ কষ্টও কৰিব নালাগে। কষ্টৰ ভিতৰত মাথো ঘৰতে বহি কমিটী এখন গঠন কৰা, কমিটীৰ মিটিঙৰ কাৰ্যবিৱৰণী লিখা আৰু বিভিন্ন অফিচলৈ আবেদন পত্ৰ লিখি সময়মতে যথাস্থানলৈ প্ৰেৰণ কৰা। ইমানখিনি কৰিলেই হয়। কথাটো অলপ বহলাই কওঁ বাৰু। স্বেচ্ছাসেৱী অনুষ্ঠানলৈ কেন্দ্ৰীয় চৰকাৰে বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ

বাবে অনুদান দিয়ে। মোটা অংকৰ অনুদান। যেনে— পূৰ্ণসাক্ষৰতা অভিযানৰ কাৰণে সজাগতা শিবিৰ পতা, প্ৰচাৰ কৰা, কিতাপ প্ৰস্তুত আৰু ছপাকৰণ, আলোচনী প্ৰকাশ, শিক্ষাদান ইত্যাদি ইত্যাদি। যাৰবাবে লাখ লাখ টকা অনুদান দিয়ে। গ্ৰাম্যস্বাস্থ্য সজাগতা আঁচনিৰ অধীনত স্বাস্থ্য ৰক্ষা সম্পৰ্কীয় শিক্ষা দান, সজাগতা সৃষ্টিৰ বাবে আলোচনা চক্ৰ আদিৰ ব্যৱস্থা কৰা। প্ৰাকৃতিক ঔষধ প্ৰস্তুতকৰণ আৰু ব্যৱহাৰ সম্পৰ্কে প্ৰচাৰ কৰা আদি বাবদ অনুদানৰ ব্যৱস্থা আছে। পৰিয়াল সীমিতকৰণৰ বাবে সজাগতা শিবিৰ। পাৰিপাৰ্শ্বিকতা ৰক্ষাৰ বাবে সজাগতা শিবিৰ, প্ৰচাৰ। এইড্‌চ সম্পৰ্কে সজাগতা শিবিৰ, প্ৰচাৰ। সংহতি আৰু ভাতৃত্ববোধৰ বাবে আলোচনা চক্ৰ, প্ৰচাৰ পত্ৰিকা ছপা কৰা আদি এশ এটা বিষয়ত লাখ লাখ টকা অনুদান দিয়াৰ ব্যৱস্থা আছে। কিন্তু সকলোকে নিদিয়ে, দিয়ে স্বেচ্ছাসেৱী সংগঠনকহে। লেঠা সেইখিনিতেই। যাৰবাবে সকলোৱে সুবিধা ল'ব নোৱাৰে। কিন্তু যিসকলে কিটিপটো জানে তেওঁলোকে হোৱা-হোৱে কেন্দ্ৰীয় চৰকাৰৰ ধন আনি ঠেঙৰ ওপৰত ঠেং তুলি খাই আছে। সমাজতো ডাঙৰ মানুহ বোলাই আছে। তেওঁলোকে কাগজে-কলমে সংগঠন এটা জন্ম দি নিজে তাৰ ৰমূৰীয়া হৈ লয়। তাৰ পিচত আনকি সংগঠনৰ নামত দেশ-বিদেশ ঘূৰি ফুৰাৰো উদাহৰণ আছে। কিছুমানে তেনে সংগঠনৰ নামত গাড়ী কিনি সেই গাড়ীৰেই সমাজসেৱা কৰি ফুৰাও দেখা যায়। তাৰ ভিতৰতো সঁচা সংগঠন কৰি অনুদানৰ ধন সঁচা কামত ব্যয় কৰা দুই-চাৰিজন অঁকৰা সমাজসেৱক নথকাও নহয়। পিচে তেওঁলোকৰ মূৰৰ ওপৰত ৰাইজে সদায় টাঙোন জোকাৰি থাকে। কাৰণ তেওঁলোকক ৰাইজে চিনি পায়। ৰাইজৰ কাম কৰি ৰাইজৰ মাজত ঘূৰি ফুৰে কাৰণে সহজতে ৰাইজে লগ পায়। হাতৰ কাষতে পায়। কিন্তু কাগজে-কলমে সংগঠন কৰি চৰকাৰৰ ধন অনাসকল থাকে ৰাইজৰ পৰা বহু দূৰত। তেওঁলোক ৰাইজৰ চকুত ডাঙৰ মানুহ হৈ থাকে। নিঃস্বাৰ্থ সমাজসেৱক হৈ থাকে। গতিকে ৰাইজে তেওঁলোকক ঢুকি নেপায়। আৰু চৰকাৰৰ চকুতো তেওঁলোকৰ সংগঠনবোৰহে আচল সংগঠন। কাৰণ তেওঁলোকে ক'ত কেনেকৈ মেনেজ কৰিব লাগে জানে। গতিকে কেৰ্কেটুৱাই তামোল খায় নেওলক বান্ধি কিলায়।

গতিকে নিবনুৱাসকলে গোহালিৰ গৰু, মাকৰ কাণৰ সোণ বা খেতিৰ মাটি বিক্ৰী কৰি ধনৰ টোপোলা হাতত লৈ চাকৰিৰ বাবে 'চেনেল' বিচাৰি হাবাথুৰি খাই ফুৰাতকৈ তেনেকুৱা সমাজসেৱী হৈ আত্ম-নিৰ্ভৰশীল হোৱাৰ বাবে চেষ্টা কৰি চাব পাৰে। সেই আশাৰে কথাখিনি উল্লেখ কৰা হ'ল। পৰীক্ষা প্ৰাৰ্থনীয়। (কথাটো কিন্তু অতি গোপনীয়, বেছি বহল নকৰে যেন)।

সংগঠন :- আৰু এক প্ৰকাৰৰ সংগঠন আছে যাক নেতা গঢ়া সংগঠন বুলি ক'ব পাৰি। তেনেকুৱা সংগঠনৰ জন্ম দিয়ে নেতাইহে, সংগঠনে নেতাৰ জন্ম নিদিয়ে। তেনেকুৱা

সংগঠন জন্ম দিয়াটো ভাতৰ লগত পানী খোৱাৰ দৰে কথা। শিক্ষা-দীক্ষা থাকক বা নাথাকক, দম দি কথা ক'ব পৰা হ'লেই হ'ল। আৰু দুই-চাৰিজনক দম দি হাতত ৰাখিব পৰা হ'লেই তেওঁৰ গা নেতা নেতা গোন্ধাব ধৰে। তেতিয়া কেইজনমান চামচা লগ লগাই চাহ দোকান বা নিজৰ বৈঠকখানাত বহুৱাই লৈ সংগঠন এটাৰ জন্ম দিলেই হ'ল। দাদাজন হ'ব সেই সংগঠনৰ নেতা। লগে লগে দাদাজনৰ ৰং সলনি হৈ যায়। পিছদিনাৰ পৰাই তেওঁ বাতৰি কাকতত বিবৃতি দিব পৰা নেতা হৈ পৰে, আনকি অসম বন্ধও দি দিব পাৰে। আৰু এবাৰ নেতাৰ চাপটো পিঠিত পৰাৰ লগে লগে কিছুমান সুবিধা আদায় কৰাৰ ফ্ৰি লাইচেন্স পাই যায়। সুবিধাবোৰৰ ভিতৰত আছে— যাৰে তাৰে পৰা দম দি চান্দাৰ নামত ধন আদায় কৰা, বিনা পইচাই গাড়ী-মটৰত পেট্ৰল ভৰোৱা, চৰকাৰৰ পৰা বন্দুকধাৰী গা-ৰখীয়া লোৱা, মদৰ দোকানৰ লাইচেন্স লোৱা, ব্যৱসায় কৰাৰ নামত চৰকাৰৰ পৰা বিভিন্ন সুবিধা আদায় কৰা, আৰু গুৱাহাটীত মাটি লৈ ঘৰ সজোৱা ইত্যাদি ইত্যাদি।

সেইকাৰণে বোধহয় এতিয়া অসমৰ প্ৰতিটো জাতি, প্ৰতিটো ধৰ্ম, প্ৰতিটো ভাষা-ভাষীৰ নামত দুই তিনিটাকৈ সংগঠনৰ জন্ম হৈছে। হয়তো ভৱিষ্যতে আৰু অধিক সংগঠনৰ জন্ম হ'ব। বৰ্তমানলৈ থকা সংগঠনবোৰৰ ভিতৰত— বামুণ সন্মিলন, সুদিৰ সন্মিলন, কোঁচ সন্মিলন, ৰাজবংশী সন্মিলন, কলিতা সন্মিলন, আহোম সন্মিলন, বড়ো সন্মিলন, কছাৰী সন্মিলন, ৰাভা সন্মিলন, কাৰ্বি সন্মিলন, বঙালী সন্মিলন, বিহাৰী সন্মিলন, পাঞ্জাবী সন্মিলন, মাৰোৱাৰী সন্মিলন আদিৰ উপৰিও মদাহী সন্মিলন, জুৱাৰী সন্মিলন, চোৰ সন্মিলন, ডকাইত সন্মিলন, ঘোচখোৰ সন্মিলন, দালাল সন্মিলন আৰু চামচা সন্মিলন আদি প্ৰধান। ইয়াত স্থানৰ অভাৱত মাত্ৰ কেইটামান সন্মিলনৰহে উল্লেখ কৰা হ'ল। এনে ধৰণৰ হেজাৰ হেজাৰ সন্মিলন, সন্থা, সংঘ আছে।

সেইবোৰ হ'ল সাধাৰণ মানুহৰ সংগঠন। নিজ নিজ জাতি, ধৰ্ম বা ভাষা অনুযায়ী সেইবোৰ সংগঠনলৈ মানুহ দৌৰ মাৰে। তাৰ উপৰিও ছাত্ৰৰ নামতো আকৌ বেলেগ বেলেগ সংগঠন আছে। যেনে সদৌ অসম ছাত্ৰসন্থাৰ লগতে প্ৰতিখন স্কুল বা কলেজত থকা ছাত্ৰ একতা সভা। তাৰ উপৰিও প্ৰতিটো জাতি, ভাষা বা ধৰ্মৰ নামতো একোটা ছাত্ৰ সংগঠন আছে। যিহেতু একোজন মানুহে বা একোজন ছাত্ৰই কিমানটা সংগঠনৰ লগত থাকিব পাৰিব তাৰ কোনো ধৰা-বন্ধা নিয়ম নাই। গতিকে যেয়ে যিমান ইচ্ছা সিমান সংগঠনৰ বিষয়বাব ল'ব পাৰে। আৰু ৰাজনৈতিক দল সমূহৰতো প্ৰত্যেকৰে ছাত্ৰ সংগঠন একোটা আছেই। কিছুমানে কয়— ছাত্ৰ অৱস্থাৰ পৰাই ভৱিষ্যতে নেতা হোৱাৰ তালিম দিয়াৰ বাবেই তেনে সংগঠনৰ জন্ম দিয়া হয়। আন কিছুমানে কয় ৰাজনৈতিক দলবিলাকৰ পোৱালি সংগঠন হিচাবে তেনে ছাত্ৰ সংগঠনৰ জন্ম দিয়া হয় যাতে নল মৰিলে গজালি

ওলোবাৰ দৰে বাপেক মৰিলে পুতেক নেতা হ'ব পাৰে। সেয়েহে সচৰাচৰ মন্ত্ৰী, এম.এল.এ-সকলৰ পুতেক-জীয়েকহঁতকেই তেনে ছাত্ৰ সংগঠনৰ লীডাৰৰ দায়িত্ব দিয়া হয়।

কৰ্মচাৰীসকলৰ মাজতো দাড়ি গজা দি নতুন নতুন নেতা ওলাই আছে। আৰু নেতাবোৰৰ সংস্থাপনৰ বাবে নতুন নতুন কৰ্মচাৰী সংগঠনবো জন্ম হৈ আছে। কাৰণ যিমানেই নেতা বাঢ়ে সিমানেই সংগঠন বাঢ়ে। কৰ্মচাৰীসকলৰ কিবা লাভ হয় নে নহয় বেলেগ কথা কিন্তু চৰকাৰৰ লাভ হয়, খুচিমতে কৰ্মচাৰীসকলক চেপি-খুন্দি বস-জীপ নাইকীয়া কৰিব পাৰে। ফাইলেৰে চেপি ৰাখিব পাৰে।

সদৌ অসম ছাত্ৰী সন্থা ঃ- সকলোৰে একোটা নিজা নিজা সংগঠন আছে, মাথো ছাত্ৰীসকলৰহে নাই। ছাত্ৰীসকলৰ বাবে এইটো লাজৰ কথা নহয়নে? এনেয়ে ছোৱালীসকল বিয়াৰ আগতে মাক-বাপেকৰ অধীন আৰু বিয়াৰ পিছত গিৰিয়েকৰ অধীন। গতিকে এই ছাত্ৰী অৱস্থাটোৱেই মুকলি সময়। এই সময়তো আকৌ ছাত্ৰ সন্থাৰ অধীন হৈ থকাৰ যুক্তি ক'ত? মহিলাসকলৰ মহিলা সমিতি আছে, মহিলা কৰ্মচাৰী সকলবো বেলেগে মহিলা কৰ্মচাৰী সংগঠন আছে। গতিকে ছাত্ৰীসকলৰ নাথাকিব কিয়? এই বিষয়টোৰ ওপৰত গভীৰভাৱে চিন্তা-চৰ্চা চলি আছে কটন ছোৱালী হোষ্টেলৰ নিৰ্দিষ্ট কোঠা এটাত। আলোচনাৰ আহ্বায়ক মুক্তামুখী। ২য় বাৰ্ষিকৰ ছাত্ৰী। চাহ-পানীৰ খৰচো বহন কৰিছে মুক্তামুখীয়েই। কলেজৰ হাজিৰা বহীত তাইৰ নাম মালবিকা দাস। কিন্তু তাইক সকলোৱে মুক্তামুখী বুলিয়েই মাতে। সদায় বিউটী পাৰ্লাৰলৈ গৈ মুখখন মুক্তাৰ নিচিনা উজ্জ্বল কৰি ৰাখে কাৰণে তাইৰ নাম মুক্তামুখী। লাভাৰজনে অৱশ্যে মুক্তা বুলিহে মাতে। লগৰ ছোৱালীবোৰেহে মুক্তামুখী বোলে। বহুতে আকৌ মেক্‌আপ মুখী বুলিহে কয়।

আলোচনা মানে আৰু কি— মুক্তামুখীয়ে কৈ গৈছে বাকীবোৰে হু-হা কৰি শলাগি গৈছে। তাৰ বাহিৰে উপায়ো নাই। কৌটিপতি বাপেকৰ একমাত্ৰ কন্যা মুক্তামুখী। তেওঁলোকৰ (মানে লগৰ ছোৱালীবোৰৰ) কেণ্টিনত চাহৰ বিল দিয়া, চিনেমা চালে টিকটৰ পইচা দিয়া কামটো মুক্তামুখীয়েই কৰে। গতিকে তাইৰ কথাৰ ওপৰত কথা কৈ সেই সুবিধাবোৰ হেৰুৱাব কোনে? মুক্তামুখীৰ প্ৰস্তাৱমৰ্মে "সদৌ অসম ছাত্ৰী সন্থা" গঠন কৰাৰ প্ৰস্তাৱ গৃহীত হৈ গ'ল। সেইদিনাৰ আলোচনাত উপস্থিত নাই যদিও মুক্তামুখীৰ প্ৰস্তাৱ মতে বিশ্ববিদ্যালয়ৰ ছাত্ৰী শ্ৰীমতী লিজা ৰহুলক সভানেত্ৰী আৰু মুক্তামুখী ওৰফে মালবিকা দাসক সম্পাদিকা পতা হ'ল বুলি সকলোৱে হাত চাপৰি বজাই সমৰ্থন জনালে। লগতে সেইদিনাৰ সভাত উপস্থিত থকা বাকী দহজনীক সভ্যা পতা হ'ল বুলিও মুক্তামুখীয়ে ঘোষণা কৰিলে। কমিটি গঠন হ'ল : এতিয়া আহিল দাবীৰ কথা।

সদৌ অসম ছাত্ৰী সন্থাৰ দাবী হ'ব প্ৰধানকৈ ছাত্ৰীসকলৰ বাবে সকলো ক্ষেত্ৰতে ৩০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা। বিশেষকৈ কলেজৰ নামভৰ্ত্তিৰ ক্ষেত্ৰত, খেলা-ধূলাত প্ৰাইজ দিয়াৰ ক্ষেত্ৰত আৰু পৰীক্ষাত পাছ্ কৰি দিয়া আদিত। পৰীক্ষাত পাছ্ কৰি দিয়াত ৩০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰাৰ দাবীটো ১ নম্বৰত ৰখা হ'ল। এই দাবীটো পূৰণৰ বাবে সময়সীমা বান্ধি দিয়া হ'ব। নিৰ্দিষ্ট সময়ৰ ভিতৰত দাবীটো পূৰণ নকৰিলে আনকি আন্দোলনৰ কাৰ্য্যসূচীও লোৱা হ'ব। কাৰণ ছাত্ৰীসকলৰ বহুত ব্যক্তিগত সমস্যা থাকে। যাৰ বাবে ছাত্ৰসকলৰ দৰে একান্ত মনে পঢ়ি থকাৰ সময় নাপায়। হোষ্টেলতো আনকি ভিজিটৰৰ উৎপাতত ৰাতি ন বজালৈ পঢ়া মেজৰ ওচৰলৈ যাবই নোৱাৰে। গতিকে ৩০ শতাংশ সংৰক্ষণৰ ভিত্তিত পৰীক্ষাত পাছ্ কৰাই দিবই লাগিব। এইটো হ'ব ছাত্ৰীসন্থাৰ প্ৰথম আৰু প্ৰধান দাবী। ইয়াৰ উপৰিও ল'ৰাৰ দৰে ছোৱালীসকলকো খুচিমতে ঘূৰিবলৈ দিয়া। ল'ৰাৰ দৰে ছোৱালীসকলকো হোষ্টেলৰ পৰা ৰাতি যেতিয়াই তেতিয়াই সোমোৱা আৰু বাহিৰলৈ ওলাই যোৱাত থকা বাধা নিষেধ প্ৰত্যাহাৰ কৰা। ছাত্ৰীসকলক খুচিমতে লংপেণ্ট, হাফপেণ্ট আদি যি খুচি পিন্ধাৰ স্বাধীনতা দিয়া। স্কুলসমূহৰ ছাত্ৰীসকলৰ মেখেলা-চাদৰৰ সলনি হাফপেণ্ট বা লংপেণ্ট-চাৰ্ট প্ৰৱৰ্তন কৰা। কাৰণ শত্ৰুৰ হাতৰ পৰা পলাই সাৰিবলৈ চেষ্টা কৰোতে মেখেলাত উজুটি খাই মুখথেকেচা খাই পৰি বহু ছোৱালীৰ নাক-মুখ ভগাৰ উদাহৰণ আছে। আনকি কিছুমানৰ মেখেলা খুলি পৰাৰো উদাহৰণ আছে। গতিকে এই দাবীটোত আমি ভালকৈ লাগি ধৰিব লাগিব। তেতিয়া আমি স্কুল-কলেজৰ সকলো ছাত্ৰীৰ পৰা সমৰ্থন পাম।

লগতে সদৌ অসম ছাত্ৰীসন্থা গঠন হোৱা কথাটো অতি সোনকালে বাতৰি কাকত যোগে সকলোকে জনাই দিব লাগে। লগতে ছাত্ৰীসন্থাৰ দাবীসমূহৰ কথা উল্লেখ কৰি বাতৰি কাকতত বিবৃতি দিব লাগে। বাতৰি কাকতত বিবৃতি প্ৰকাশ হ'লেহে ছাত্ৰীসকলে দাবীসমূহ সম্পৰ্কে অৱগত হ'ব। দৰ্কাৰ হ'লে দাবীসমূহৰ গুৰুত্ব বুজোৱাৰ বাবে অতি সোনকালে এদিনীয়া অসম বন্ধ পালন কৰাৰ বাবেও সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সম্পৰ্কে বাতৰি কাকতত বিবৃতি দিয়াৰ বাবে "সদৌ অসম ছাত্ৰী সন্থা"ৰ সাধাৰণ সম্পাদিকা মুক্তামুখীক দায়িত্ব দিয়া হয়।

সামৰণি :- বৰ্তমান পৰিস্থিতিত প্ৰতিটো পৰিয়ালতে একোটাকৈ সংগঠন থকা ভাল। তেতিয়া অন্ততঃ পৰিয়ালটোৰ সমূহীয়া অভাৱ অভিযোগসমূহ পূৰণৰ বাবে চৰকাৰক দাবী জনাব পৰা হ'ব। দৰকাৰ হ'লে অসম বন্ধ বা অনশন কৰি হ'লেও ৰাইজৰ সমৰ্থন আদায় কৰিব পৰা যাব। নে কি কয়?

কিমধিকম্! ❑❑

[২০০০ চনৰ বেলতলা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা 'কুলি-কেতেকী'ত প্ৰকাশিত]

বিউ বিহু উহু বিহু

আজিকালি বিহু আহিল বুলিলে সকলোৱে গা ৰাই-জাই নকৰে। বিহুৰ এমাহ আগৰ পৰা তাঁতৰ খট্‌খট্‌ খট্‌খট্‌ আৰু ঢেঁকীৰ ঢেংকট ঢেংকুৰুট মাতে গাঁও ৰজনজনাই নাথাকে। ঢোল-পেঁপাৰ মাত শুনিও গা সাতখন-আঠখন নালাগে। কাৰণ বছৰৰ বাৰমাহে সকলোতে বিহুৰ কেছেট বাজিয়েই থাকে। মেলে-মিটিঙে বিহু নাচ, বিহুগীত চলিয়েই থাকে। গতিকে ঢোল-পেঁপাৰ মাত শুনি বিহু বিহু নলগা হ'ল আজিকালি। মুঠতে বিহু পতা ল'ৰাকেইটাৰ

বাহিৰে বাকী মানুহৰ বিহু বুলিলে গা-মন নাচি নুঠে তেনেকৈ। পিচে বিহু পতা ল'ৰাবোৰো কম নহয়। তেওঁলোকে জোৰকৈ বিহু লগাই দিব খোজে। খুজিবই, বছৰেকৰ বিহু। গাত নালাগিলে হ'বনে! তাতে বিহুটো আমাৰ বাপতি সাহোন। গতিকে ঘৰে ঘৰে গৈ হ'লেও বুঢ়া-ডেকা সকলোৱে গাত বিহু লগাইহে এৰে। কুলি-কেতেকীলৈ বাটেই নাচায়। কাৰণ—

বিহু মানে আনন্দ। বিহু মানে বতাহত উৰি ফুৰা গুট্‌খাৰ খালি পেকেট। বিহু মানে মদৰ দোকানৰ ষ্টক ক্লিয়াৰেঞ্চ। বিহু মানে মেলা। বিহু মানে সাংস্কৃতিক সন্ধিয়া। বিহু মানে মিলত বোৱা গামোচা। বিহু মানে বাইকৰ পিচত উৰি ফুৰা মুগা চাদৰৰ আচল। বিহু মানে প্লাষ্টিকৰ কপৌফুল। বিহু মানে গামোচাৰে তপামুৰ ঢাকি নাচি ফুৰা ডেকা। বিহু মানে মঞ্চত নাচি থকা ফুটবল যেন পেট। গতিকে এই বিহুৰ নাম শুনিলেই আকৌ

কিছুমানৰ গা পিৰ্‌পিৰ্ পাৰ্‌পাৰ্ জিন্‌জিন্ জান্ জান্ কৰে। আৰু কিছুমানে জ্বৰ ঘমা দি ঘামে। কিছুমানৰ চুগাৰ বাঢ়ে, কিছুমানৰ ব্লাড্ প্ৰেচাৰ বাঢ়ে। আৰু কিছুমানৰ বুকুৰ ধপ্‌ধপনি হাতুৰিৰ শব্দৰ দৰেই হয়।

ওম্‌কাৰমল আগৰৱালাৰ বিষ্ণুৰ নাম শুনিয়েই ব্লাড্ প্ৰেচাৰ বাঢ়িল। চকুৰে ধোঁৱা-কোৱা দেখিলে। দোকানখন ঘূৰিব ধৰা যেন পালে। কেনেবাকৈ উঠি দোকানৰ তলাটো মাৰিলে। আনদিনাতকৈ সোনকালে ঘৰলৈ অহা দেখি ঘৈণীয়েক আচৰিত। কি বা হ'ল!

"আজ ইত্‌না জলদি আয়া?"

"হা, শৰীৰ খাৰাপ।" বেছি কথা কোৱাৰ ধৈৰ্য নাই তেওঁৰ।

"তো, ডাক্তৰকো বুলাউ?"

"নাই নাই, এইচে ঠিক হো জায়েগা।"

"কিউ জি, এইচে কেইচে ঠিক হো জায়েগা?"

"নাই, প্ৰেচাৰ বাঢ়িছে, ঠিক হো জায়েগা।"

"প্ৰেচাৰ বঢ় গিয়া মত্‌লব ঘাটা লাগ গিয়া ক্যা?"

"নাই নাই।"

তো, উলফা চুলফা?"

"নাই নাই।"

"কোই বুৰা খবৰ?"

"আৰে নাইৰে?" বিৰক্ত হয় ওম্‌কাৰমল বাবু।

"তবে প্ৰেচাৰ কিউ বাঢ়া?"

"বিউ — বিউ।" বিৰক্তি প্ৰকাশ কৰিলে।

"বিউ!!!"

"হা।"

"ইত্‌না জলদি আয়া?"

"হা।"

"অব ক্যা হোগা?"

"আৰে হোনা ক্যা হ্যায়, দেনা হ্যায়, দেনা।" ক্ষোভেৰে ক'লে।

এনেতে কলিং বেলটো বাজি উঠিল। চক্ খাই উঠি দুয়ো সেইফালে চালে। মুখৰ

মাত হৰিল। উৎকণ্ঠিত ঘৈণীয়েকৰ প্ৰশ্নবোধক চাৱনি— কোন হ'ব পাৰে এই সময়ত!

খৰধৰকৈ বিছনাত বাগৰি দিলে ওম্‌কাৰমলে। আমাৰ প্ৰেচাৰ। তুম এক কাম কৰো— ঘৈণীয়েকক বুজাই দিলে ওম্‌কাৰমলে— "তুমি খিৰিকিৰে চাই লোৱা। যদি বিহুৰ চান্দা উঠোৱা ল'ৰা হয় তেনেহ'লে মই ঘৰত নাই।"

ঘৈণীয়েকে চালে খিৰিকিৰ ফাকেৰে। বাৰান্দাত দুজন ল'ৰা। পিন্ধনত চুট-টাই। হাতত ডাঙৰ বেগ। ওম্‌কাৰমলক ফুচ্‌ফুচাই সুধিলে— হাতত চান্দাৰ বহী নাই। দুটা ডাঙৰ বেগ আছে। ল'ৰাও মাত্ৰ দুজন। চুট-টাই মৰা। কি কৰিব.... দৰ্জা খুলিব নে নাই! তেওঁ থকা বুলি ক'ব নে নাই!

ওম্‌কাৰমলে ইঙ্গিতেৰে বুজাই দিলে— খোলা!

দৰ্জা খুলিবলৈহে পালে ল'ৰা দুজনে একেকোবে ঘৰৰ ভিতৰলৈ সোমাবই খুজিছিল। মানুহজনীয়ে বোলে কি কথা আছে ইয়াতেই কোৱা, ঘৰ সোমাব নালাগে। ল'ৰা দুজনে বোলে আমি ডাইৰেক্ট কোম্পানীৰ পৰা আহিছো চাৰ্ভে কৰিবলৈ। মানে গেছ কোম্পানীৰ চাৰ্ভে। মানে গেছটো ব্যৱহাৰ কৰোতে কি কি প্ৰব্লেম পাইছে, কি পাইপ ব্যৱহাৰ কৰে, ৰেগুলেটৰটো কিমান পুৰণি হৈছে, গেছ চেভ্ কৰাৰ কি ব্যৱস্থা আছে। চিম্‌নি আছে নে নাই?... একে উশাহে প্ৰশ্ন কৰি কৰি মানুহজনীৰ প্ৰেচাৰ বঢ়াই দিলে। মানুহজনীয়ে বোলে মোৰ গেছৰ একো প্ৰব্লেম নাই। মোৰো একো প্ৰব্লেম নাই। মানুহজনৰহে প্ৰব্লেম হৈছে... বুলি কৈ কোনোমতে ল'ৰা দুজনৰ কবলৰ পৰা মুক্ত হৈ দৰ্জাখন জপাই দিলে।

ইপিনে বহুসময় ধৰি মানুহজনী বাহিৰৰ পৰা নোযোৱা দেখি ওম্‌কাৰমল বাবুৰ প্ৰেচৰ হুৰ্‌হুৰ্‌কৈ বাঢ়িবলৈ ধৰিলে। মানুহজনী ভিতৰ সোমোৱাৰ লগে লগে একে উশাহে সুধিলে— "কিত্‌না মাংগা?"

"কাহা মাংগাৰে? কুম্পানীকা লৰ্‌কা। গেছৰ কথা। বাপ্‌ৰে বাপ্। ক্ৰিকেটকা কমেণ্টৰী মতন কহিছে। আমাক হেচি-ঠেলি তো ঘৰেই ঘুচিব চাইছিলে।"

ওম্‌কাৰমল বাবুৱে জাপ মাৰি বিছনাত উঠি বহিল— "হাঃ ঘৰ ঘুচিছে? কম্পানীকা লৰ্‌ক? কাহা? কাহা?" এনে দেখুৱালে যেন এতিয়াই সিহঁত দুটাৰ ডিঙি দুটা মুচৰি ছিঙি পেলাব। ঘৰ সোমোৱা মজা দিব।

এনেতে আকৌ কলিং বেল বাজিল। ওম্‌কাৰমলে বোলে আকৌ আহিল নেকি সিহঁত? এইবাৰ ভাল শিক্ষা দিম। ঘৈণীয়েকে বোলে সিহঁত নাহে। বিহুৰ চান্দা তোলা ল'ৰাহে আহিব পাৰে।

বিহুৰ চান্দা তোলা ল'ৰাৰ নাম শুনাৰ লগে লগে গৈ থকা কেৰেলুৱাডাল চুই দিয়াৰ লগে লগে কেঁচা টকাটোৰ দৰে গোল হৈ পৰাৰ দৰে ওম্‌কাৰমল বাবুও কোচ-মোচ খাই

বিছনাত বাগৰি পৰিল।

কোঠালৈ ঘূৰি আহি ওম্‌কাৰমল বাবুৰ অৱস্থা দেখি ঘৈণীয়েকে ক'লে— "বাবুলালেৰ বাবা, ইত্‌না দৰ কৰিলেতো প্ৰেচাৰ বাঢ়িব। দৰ কাহেকো। বেল বজাইছে লাঠু বাইহে।" আকৌ ফেটি সাপৰ দৰে ফুচ্‌ফুচাই উঠিল ওম্‌কাৰমল— "হুহ্, লাঠু বাই ভি বেল বজাইছে। ভদ্ৰলোক বনিছে সব। বেলতা হতাই দিব লাগে।"

গিৰিয়েকৰ টেন্‌চন্ দেখি ঘৈণীয়েকে বুজাবৰ চেষ্টা কৰিলে বোলে— "ইমান টেন্‌চন খাই থকাতকৈ বিহুৰ ল'ৰাহঁতৰ লগত কিবা এটা মোকাবিলা কৰি লোৱা ভাল।"

ঘৈণীয়েকৰ কথা শুনি ওম্‌কাৰমল বাবু গৰজি উঠিল বোলে— "কেইটা বিহু কমিটীৰ ল'ৰাৰ লগত মোকাবিলা কৰিবা। কমচে কম ৫০টা বিহু কমিটী আহিব। এহেজাৰকৈ দিলেও ৫০ হেজাৰ লাগিব। এহেজাৰতো কোনেও নলয়। এখনেই ৫০ হেজাৰ বিচাৰিব। নিদিলে ভুকুৱাই টেবিল ভাঙিব আৰু.....।"

বহুত ভাবি-চিন্তি ঘৈণীয়েকে ক'লে— "আচ্ছা, বাবুলালেৰ বাবা। ২০ হেজাৰমান দিলে ৰাজী হৈ যাব না!"

"আৰে ৰাজী হ'লে আমাৰ কি লাভ হ'ব? আমাক গামোচা এখনহে দিব। আৰু কহিব ওম্‌কাৰকাল বাবু বহুত ভাল মানুচ আছে। আমি বহুত মৰম কৰি এই গামোচাটো [illegible]ছে। হেহ্।"

"বাবুলালেৰ বাবা।" ঘৈণীয়েকে পৰামৰ্শৰ সুৰত ক'লে— যে ইমান টকা দিয়াতকৈ ৫০ খনমান গামোচা কিনি আনি ৰাখিব লাগে আৰু ওম্‌কাৰমলে এই কেইদিন সদায় ডিঙিত গামোচা এখন ওলোমাই ৰাখিব লাগে। বিহুৰ চান্দা উঠোৱা ল'ৰাৰ দল আহিলে হাঁহি হাঁহি আগবঢ়াই আনি গাদীত বহুৱাই লৈ প্ৰথমতে চাহ-পানী খুৱাই ল'ব লাগে। তাৰ পিচত বিহুৰ বিষয়ে দীঘলীয়া ভাষণ দিব লাগে আৰু শেষত ল'ৰা কেইজনক মৰমতে একোখন গামোচা দি আমিও বিহু পাতিছো বুলি ওলোটাই চান্দা বিচাৰিব লাগে। আৰু বিহুলৈও নিমন্ত্ৰণ কৰিব লাগে।

ঘৈণীয়েকৰ কথা শুনি ওম্‌কাৰমল বাবু জাপ মাৰি বিছনাৰ পৰা নামি থিয় হ'ল— "তুম কামাল কৰ দিয়াৰে বাবুলালেৰ মা। বহুত আচ্ছা হ'ব। আমিও বিহু পাতিম। গামোচা দিম আৰু চান্দা খুজিম। ৫০ খন গামোচা। এখন গামোচাত এহেজাৰকৈ চান্দা পালেও ৫০ খনত ৫০ হেজাৰ।"

"বিউ কা ভাচন?"

"হো জায়েগা।" ❑❑

[বেলতলা আঞ্চলিক বঙালী বিহু সন্মিলনৰ স্মৰণিকা 'কুলি-কেতেকী'ত প্ৰকাশিত]

বিষত উইঁ উইঁ বিন্দু

....ঘৰত যেতিয়া জুই লাগে তেতিয়া আটায়ে একেলগ হৈ জুই নুমাব লাগে। সেই সময়ত নীতি-আদৰ্শক লৈ লাগি থকা উচিত নহয়। যদি সেই লৈ বাক্-বিতণ্ডা, টনা-আজোৰা কৰি থকা হয়, তেনেহ'লে সকলোবিলাক পুৰি ছাঁই হৈ যাব। সেইদৰে যিকোনো আন্দোলনৰ ক্ষেত্ৰতো নীতি-আদৰ্শ লৈ বৰ বেছি লাগি থাকিব নালাগে যদিহে আন্দোলনটো যুক্তিসঙ্গত হয়। কাৰণ আন্দোলনবোৰে কোনো বাধা নামানে, মানিব নোৱাৰে — ই তাৰ নিজা গতিত আগবাঢ়ে উদাসীনভাবে। মনত ৰাখিব ৰাইজ, আমি আসুৰিক শক্তিৰ বিৰুদ্ধে যুঁজিবলৈ হ'লে আমিও শক্তিৰ পূজা কৰিবই লাগিব। হুলেৰে হুল কাঢ়িব লাগিব। আমি বিচাৰো সদায় শাসনযন্ত্ৰৰ তলত পৰি চেপা খাই থকা জনতাক মুক্ত কৰি জনতাৰ শাসন প্ৰৱৰ্তন কৰিবলৈ। স্বেচ্ছাচাৰী একনায়কত্ববাদীইঁতৰ হাতৰ পৰা শাসনৰ দণ্ডডাল কাঢ়ি আনি জনতাৰ হাতত তুলি দিয়াটোৱেই আমাৰ একমাত্ৰ লক্ষ্য।.......

'ঐ, কিবা বুজি পাইছ নে?' কাষত বহি থকা বকুলক ঢকা এটা মাৰি দি সুধিলে নৰেনে।

'নাই, বুজা নাই।'

'ক'ৰবাৰ পৰা মুখস্থ কৰি আহি ইয়াত গাইছে। কি কৈছে সিও বুজা নাই নিশ্চয়। আৰে, তাৰ জ্ঞানৰ দৌৰ কিমান আমি নাজানো নেকি?'

'সি আজি যে ইমান মুখস্থ কৰিব পাৰিছে আগতে পৰা নাছিল কিয়? আগতে ইমান

মুখস্থ শক্তি থকা হ'লে মেট্ৰিকত দুবাৰ গেৰা মাৰিব নালাগিলহেঁতেন। বি.এ-ত চিক বেডত পৰীক্ষা দি কিতাপ চাই চাই লিখিব নেলাগিলহেঁতেন।'

"এতিয়া যে নেতা হৈছে।"

..... "বুৰঞ্জীৰ দোলক স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ পৰা গণতন্ত্ৰ, আৰু গণতন্ত্ৰৰ পৰা স্বেচ্ছাচাৰী একনায়কত্ববাদলৈ দুলিব ধৰিছে। আমি এই দোলকৰ গতিৰ আগত পৰিছো।"

'আওঁ— ঐ শুন শুন, এইবাৰ বুৰঞ্জীৰ কথা কৈছে। হে'ৰ এইখন বিহুৰ মিটিং নে বুৰঞ্জীৰ মিটিং?'

'সেইটো তাক কেলেই? মিটিং যিহৰেই নহওঁক, সি যি মুখস্থ কৰি আহিছে তাকেহে গাব পাৰিব। বেলেগ কথা কেনেকৈ ক'ব? আচলতে কি জান, কোনেও নুবুজা ডাঙৰ ডাঙৰ শব্দ কিছুমান আৰু হোৱাই নোহোৱাই বিদেশী ডাঙৰ মানুহৰ মুখৰ কথা বুলি কথা কেইটামান ক'ব পাৰিলেই নিজকে ডাঙৰ বক্তা যেন লাগে, ডাঙৰ নেতা যেন লাগে। প্ৰায়ভাগেতো তাকেই কৰে। সি নকৰিব কিয়? আজিকালি তাৰ গাটোও নেতা নেতা গোন্ধাইছে নহয়।'

'হয় দেই! কিযে দিন পৰিল। আগতে বিহু বুলিলে ঢেঁকীৰ মাত, তাঁতৰ মাত একাকাৰ গাঁওবোৰ ৰজনজনাই আছিল এমাহ আগৰ পৰাই। ৰাতি দোভাগলৈ ঢোল, পেঁপাৰ মাতে বিছনাত পৰি থকা বুঢ়া-বুঢ়ীকো নচুৱাই আছিল। আজিকালি কাচিৎহে ঢেঁকীৰ মাত শুনা যায়, তাঁতৰ মাতো নাইকিয়া হ'ল। মৰমৰজনক বজাৰৰ পৰা কিনি অনা মিলত বোৱা গামোচা দি মৰম যচা হ'ল।'

'ক'ব লাগিলে টি.ভি. বাকচটোৰ ভিতৰততো বছৰৰ বাৰ মাহেই বিহু চলি থাকে। গতিকে এতিয়া আৰু বিহুৰ ঢোলৰ মাতে আগৰ দৰে গা ৰাই-জাই নকৰে। নাচনীৰো গছকত যঁতৰ ভঙা উলাহ নালাগে।'

'হয়, ভাল কথা কৈছ। এতিয়া বিহুৱা ডেকাকেইজন দেখিছ? কিবা বোলেনে বজৰং, ৰাইনোৰ বস্ত্ৰ ধোঁৱাই উশাহ বন্ধ কৰি কিমান ডেকাক ক'লৈ লৈ গ'ল আচল হিচাব দিব পাৰিব কোনোবাই? কিমান আবিয়ৈ গাভৰুক মাতৃ সজালে হিচাব আছে? নাই, সেইবোৰ হিচাব কাৰো নাই। কোনেও নেৰাখে। মাথো নিজৰ স্বাৰ্থত আঘাত লাগিলে হৈ-চৈ লগাই দিয়ে বচ্।

'সঁচা কথা দেই। বিহু পাতিবলৈ আজি বিহুৱা ডেকাই নাইকিয়া হ'ল। তাৰ মাজতে যি দুই- চাৰিজন আছে তেওঁলোকৰো বিহু পাতিব পৰাকৈ কঁকালত বল নাইকিয়া কৰি পেলালে

ৰাইনো নে বজ্ৰৰংবোৰে। সেই কাৰণে আজিকালি কেছেটতে বিহুবোৰ ধৰি ৰখাৰ ব্যৱস্থা কৰিছে।'

ঠপ্ ঠপ্ ঠপ্ ....হাততালি।

'অ' সি বহিল। পিছৰখিনি কি ক'লে শুনাই নহ'ল নহয়। মানুহবোৰে দেখোন বৰকৈ হাতচাপৰি মাৰিছে। কিবা মস্ত ভাল কথা ক'লে নেকি?'

'ইস্ ভাল কথা ক'ব লাগেনে? তাৰ কথানো কেইজনে শুনিছে? পিছে মানুহবোৰৰ অভ্যাস এটা হৈ গৈছে নহয় হাত চাপৰি বজোৱাটো। কোনোবাই মিটিঙত কথা কৈ সামৰিলেই যেন হাত চাপৰি বজাব লাগে। এজনে আৰম্ভ কৰিলেই হ'ল— সকলোৱে অট'মেটিক হাত বজাই দিয়ে। হয়তো প্ৰথম চাপৰ মৰাজনে "যা-যা ভাল হৈছে যা, ইমান ব'ৰ কৰিলি..." বুলি কয়েই — মানে সি বক্তৃতা দিবলৈ এৰাত ৰক্ষা পৰিল — এই ভাবত চাপৰি মাৰিলেও বাকীবিলাকে একো বুজি পাওক বা নেপাওক এনেয়ে কেইটামান চাপৰি লগাই দিয়ে। কিনো লচ্‌টো আছে। আৰু তাতেই বক্তাজনৰ বুকুখন এফুট ওপৰলৈ উঠে— "মোৰ বক্তৃতা শুনি ৰাইজে বৰ ভাল পাইছে" এনে ভাবত। চলিয়েই আছে এনেকৈ।

শ্ৰদ্ধেয় বিহুবলীয়া ৰাইজ— এইবাৰ বঁটাসমূহ বিতৰণ কৰাৰ বাবে স্থানীয় বিশিষ্ট ব্যক্তি তথা সমাজকৰ্মী......

'আওঁ, চা চা, বিহুত কেইটামান টকা দিয়াৰ লগে লগে সেই গৰুচোৰটো সমাজকৰ্মী হৈ গ'ল।'

'আকৌ শুনিছনে নাই— 'বিহুবলীয়া ৰাইজ' আমি কি বলীয়া নেকি? ক'বৰ কথা নাই, নেজান যদি নক'বি।'

'ঐ! যাওঁ ব'ল।'

'ঘৰত গৈনো কি কৰিবি?'

'ঘৰলৈ যাওঁ বুলি কেতিয়া ক'লো?'

'তেনেহ'লে?'

'এস্, আজিকালি আৰু উকা পথাৰত বহি বিহু চোৱা দিন আছেনে? বিহু কিনিব পায় দোকানে দোকানে।'

'দোকানে দোকানে?'

'আস্, শুনা নাই? আজি এমাহ আগৰ পৰা দোকানবোৰ গম্‌গমাই আছে। বিহুৰে

গম্‌গমাই আছে। মানে বিহু গীতেৰে। সময় উলিয়াব পাৰিলে কেছেট নিকিনিলেও হয়। দোকানত বহি থাকিলেই হয়।'

'যাওঁ ব'ল।'

'ক'লৈ?'

'কাঞ্চীৰ দোকানলৈ।'

'ভাল মনত পেলাইছ। আহ। তাতহে জমিব।'

'পইচা আছে?'

'আছেতো।'

'ব'ল।'

বকুল আৰু নৰেণ - দুই বন্ধুৱে বিহুতলী এৰি কাঞ্চীৰ দোকানলৈ পোনালে। তেতিয়া বিহু মঞ্চত বিহু হুচৰিদলৰ হুচৰি চলি আছিল পূৰ্ণ উদ্যমে। কাঞ্চীৰ দোকানতো বিহু চলি আছিল পূৰ্ণ উদ্যমে। দূৰৰ পৰাই শুনিছিল দুই বন্ধুৱে। দুই বন্ধু গৈ কাঞ্চীৰ দুৱাৰমুখ পাইছিল মাত্ৰ, টেংটেঙীয়া মাত এটাৰ লগে লগে দুফালৰ পৰা দুটা কিচ্‌কিচিয়া ক'লা [illegible]াৰ নলী দুই বন্ধুৰ বুকুৰ ওপৰত বৈ গ'ল।

"হেণ্ডচ্ আপ্।"

কি হৈছে বুজাৰ আগতেই বুট জোতাৰ গোৰত দুই বন্ধু একেলগে হাম্‌খুৰি খাই পৰিল কাঞ্চীৰ দোকানৰ ভিতৰত।

'পাক্‌ৰাও চালেকো।'

'কি হ'ল? হামিলোকটো বিহু.....'

'হা হা, বিউ, বিউ.....।' ❑❑

[বেলতলা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা 'কেতেকী'ত প্ৰকাশিত]

কাউৰীৰ পেখম

ক্লাবঘৰৰ ভিতৰত আড্ডা জমি উঠিছে। গোলাপী নিচাই প্ৰতিজন সভ্যৰ গা কুট-কুটাইছে। পানীয়খিনি পেটত পৰাৰ লগে লগে পেটৰ ভিতৰত থকা কথাবোৰে বাহিৰ ওলোৱাৰ বাট বিচাৰি পেটৰ ভিতৰত হুনা-খুচা আৰম্ভ কৰিছে। কাৰ পেটৰ পৰা কি কথা ওলাই আহে ক'ব নোৱাৰা হৈ আহিছে ক্ৰমান্বয়ে। কেইজনমানে ফিলচফাৰ যেন হৈ ভাবত বুৰ গৈছে ইতিমধ্যে। ৰঞ্জিতে আকৌ একোপেগ বনাই দিলে। তাৰ পিচত মাংস এটুকুৰা চোবাই চোবাই গিলাচটো হাতত লৈ প্ৰত্যেকৰে মুখৰ ওপৰেৰে চকু ঘূৰাই পৰীক্ষা কৰিবৰ চেষ্টা কৰিলে কাৰ ভল্টেজ কিমান কমিছে। এনেতে মঞ্জিতে টিপ্পনী মাৰিলে— "ঐ, আমিও দেখোন বিহু পাতিব পাৰো এইবাৰ। কমচে কম ছয়মাহৰ কাৰণে মালৰ পইচা ৰাহি হ'ব।"

"মালৰ পইচা কি বে, প্ৰত্যেকৰে একোখন বাইকৰ পইচা ৰাহি হ'ব লাগিব। নহ'লে ইমান কষ্ট কৰি মৰাৰ দৰকাৰ কি?" —যোগ দিলে ৰাতুলে।

ৰঞ্জিতে চিঞৰিবলৈ আৰম্ভ কৰিলে— "কাটা লাগা, কাটা লাগা...।" কেইটামান

চিএৰ্ব মৰাৰ পিছত থক্‌কৈ গিলাচটো মেজৰ ওপৰত থেকেচা মাৰি থৈ উচ্চস্বৰত হাঁহিবলৈ ধৰিলে সি।

হঠাৎ ৰঞ্জিতে তেনে কৰা দেখি আচৰিত হ'ল মঞ্জিত।

"কি হ'ল বে?"

"গান! গান। বিহু বাদ দে। আমিও গান গাওঁ দে এইবাৰ বিহুত। মালৰ খৰচটো ওলাব।" পুনৰ গিলাচটো কৰ্ডলেচ্ মাইক্ৰফোন লোৱাৰ দৰে মুখৰ ওচৰত ধৰি চিএৰিব ধৰিলে ৰঞ্জিতে— 'কাটা লাগা.... থিয় হৈ নাচি নাচি মঞ্চত কৰাৰ দৰে অঙ্গী-ভঙ্গী কৰি চিএৰি থকা দেখি হাঁহিৰ ধুমুহা আৰম্ভ হ'ল। হাঁহিৰ ধুমুহাই যেন ক্লাব ঘৰৰ ওপৰৰ টিনৰ চালিখন উৰুৱাইহে নিব।

"বাঃ বাঃ বাঃ। মালৰ আড্ডাৰ গায়ক হ'ব পাৰিবি কিন্তু তই। পিচে বিহুত.... বিহু মঞ্চত গান কোনে গাব? তই?"

দাং খাই উঠিল ৰঞ্জিত।

"কিয় নোৱাৰিম? ঐ, বিহুৰ সময়ত যে গায়কসোপা ওলায় বাকী সময়ত ক'ত থাকে বে সিহঁত! একেই। আমাৰ দৰে। নোৱাৰিম বুলি ভাবিছ নেকি? হিট্ কৰি দিম, হিট্। মাথো handsৰ পইচাখিনি যোগাৰ কৰি দি চাচোন............ পাছত চব ঘূৰাই পাবি। জিগ্‌জাগ্ পাৰ্টি ষ্টেজত উঠাই দি কেনে যেতিয়া গাম নহয়......"

"হ'ব হ'ব। মঞ্জিতে মাজতে ধৰিলে। কাণে-মূৰে ধৰা জলা দিয়া আঞ্জাৰ দৰে হ'ব। নাকৰ পানী চকুৰ পানী মচি মচি খাওঁতাই ক'ব—- 'ভাল হৈছে। ভাল হৈছে।' হ'ব দে।" —ব্যঙ্গ হাঁহি মাৰি ক'লে মঞ্জিতে— এনেই ভালে আছ।

"আব্বে বাজী মাৰ বে। মঞ্জিতৰ কথাত অগ্নি শৰ্মা হৈ উঠিল ৰঞ্জিত। "মই যদি হিট্ কৰিব নোৱাৰো নহয়.... বাজী মাৰ। মাৰ বাজী।"

"আব্বে ক্ৰিকেট খেল পাইছ নেকি বে বাজী মাৰিবলৈ?"

"মেচ ফিক্সিং হৈ যাব পাৰে।" —কৈয়েই উচ্চস্বৰত হাঁহিব ধৰিলে ৰাতুলে। বাকীকেইজনেও যোগ দিলে। ৰঞ্জিতৰ প্ৰেষ্টিজত লাগিল।

"আব্বে মাৰ বাজী। মই গান গাব নাজানো, নহয়?"

"দেখুৱাই দিম নহয়। মাৰ বাজী।" বাৰে বাৰে বাজী মৰাতেই লাগি থাকিল ৰঞ্জিত।

শেষত সেয়াই হ'ল। বাজীয়েই মাৰিলে। ৰঞ্জিতে যদি বিহু মঞ্চত গান গাব পাৰে তেনেহ'লে মঞ্জিত আৰু ৰাতুলে পাঁচহেজাৰকৈ টকা দিব লাগিব, নোৱাৰিলে ৰঞ্জিতে দিব।

ক্রিকেট খেলত বাজী মাৰি মেচ ফিক্সিং কৰাৰ দৰে ৰঞ্জিতেও বাজী মৰাৰ পিচদিনাৰ পৰাই বিহু সমিতিৰ সম্পাদকৰ পাছত লাগি গ'ল প্রগ্রেম ফিক্স কৰাৰ বাবে। ৰঞ্জিতে গান গোৱাৰ কথা ক'লেই সকলোৱে জাঁপ মাৰিয়েই উঠিছিল প্রথমতে। কিন্তু ৰঞ্জিতে যেতিয়া ক'লে যে গান গোৱাৰ বাবে তাক এটকাও দিব নালাগে, ছয়-সাত হেজাৰ টকা যি কয় তাকেই পোৱা বুলি এনেয়ে লিখি দিব সি। সেইখিনি সাংস্কৃতিক সম্পাদকে বিহুৰ উপহাৰ বুলি ল'ব পাৰিব। সাংস্কৃতিক সম্পাদকে বোলে তোৰ নামত ছয়-সাত হেজাৰ নালাগে ছয়-সাতশ টকা দিয়া বুলি শুনিলেও মানুহে মোক জোতা মাৰিব। ৰঞ্জিতে বোলে তই বৰ অঁকৰা অ'— মোৰ নাম ৰঞ্জিত হৈ নাথাকে নহয়। মোৰ নাম জুনিয়ৰ ভূপেন হাজৰিকা বা জুনিয়ৰ খগেন মহন্ত তেনে কিবা এটাহে হ'ব। আজিকালি তেনেকুৱাই চলি আছে, দেখা নাই নেকি? আৰে ষ্টেজত উঠাৰ আগলৈ কোনেও নাজানিব আচলতে জুনিয়ৰ ভূপেন হাজৰিকা কোন? সাংস্কৃতিক সম্পাদকে বোলে সেইটো জানো। পিছে গান গাব জানিলেহে তেনে কৰিব পাৰি। ৰঞ্জিতে বোলে মই মাল খাব পাৰো, সেইবুলি মোৰ প্রেষ্টিজ নাই নেকি? এই কেইদিন একদম মাল নাখাওঁ। তই চিন্তাই নকৰিবি, ইলেক্ট্রিক ইন্সট্রুমেণ্ট আনি ষ্টেজ ভৰাই দিম নহয়! সেইবোৰ ফিট কৰোতে যেতিয়া আধাঘণ্টা লাগি যাব তেতিয়াই দর্শকৰ ইম্প্রেছন এটা হৈ যাবই নহয় যে এইজন এলাপেচা গায়ক নহয়। জুনিয়ৰ বুলি ক'লেও ভূপেন হাজৰিকাতকৈ সৰু গায়ক নহয়। সাংঘাটিক ভাল গায়ক হ'ব। আৰু যেতিয়া কাণতাল মৰা মিউজিকে বিহু পেণ্ডেল কঁপাই থাকিব তাৰ মাজত মই কি গাইছো কোনেও একো ধৰিবই নোৱাৰিব। মই হাত তালি মৰা দর্শক ফিটিং কৰি থম। সিহঁতে হাত তালি লগাই দিয়াৰ লগে লগে.....। চাই থাকচোন মই কি কৰো! সাংস্কৃতিক সম্পাদক ফিটিং হৈ গ'ল।

তাৰ পাছত পুৰা এসপ্তাহ ৰঞ্জিত নিজৰ কোঠাৰ ভিতৰত। ডেকত গান বজাইছে, শুনিছে, লগে লগে গাইছে, ডেক বন্ধ কৰি গাইছে। মাত্র দুটা গান উৰাই-ঘূৰাই বজাইছে, শুনিছে, আৰু গাইছে। পুৰা এসপ্তাহ পাছত কোঠাৰ পৰা ওলাল। ওলায়েই আঁঠুলৈ পৰা কুৰ্টা আৰু একে কাপোৰৰ পাইজামা চিলাব দিলে। নতুন কুৰ্টা-পাইজামা পিন্ধি আইনাৰ সন্মুখত থিয় হৈ চালে আৰ্টিষ্ট যেন লাগিছে নে নাই। তাৰ পাছত পাউডাৰৰ টেমাটো মাইক্রফোন লোৱাৰ দৰে লৈ আইনাৰ সন্মুখত কেইবাবাৰো একটিং কৰি চালে। বচ্! হৈ যাব। আত্মসন্তুষ্টিত নিজেই গুণগুণালে— চাওঁচোন জুনিয়ৰ ভূপেন হাজৰিকা হ'ব পাৰো

নে নাই!

জুনিয়ৰ নহয়, স্বয়ং ভূপেন হাজৰিকাৰ ভাব দি মঞ্চত উঠিল ৰঞ্জিত। ইতিমধ্যে কাণতাল মৰা মিউজিকৰ শব্দত কাৰো মাত কোনেও নুশুনা অৱস্থা। কৰ্ডলেচ্ মাইক্ৰফোনটো হাতত লৈ কেৰেতিয়ানসকলে কৰাৰ দৰে আগফালে মূৰটো হলাই ৰাইজলৈ বিহুৰ প্ৰণাম জনালে জুনিয়ৰ ভূপেন হাজৰিকা ওৰফে ৰঞ্জিত বৰুৱাই। ৰাতুলেও ধৰিব পৰা নাছিল প্ৰথমতে সেইজন ৰঞ্জিত নে আন কোনোবা। কাৰণ নতুন পোছাকত সি দেখা নাছিল আগতে ৰঞ্জিতক। আৰু সি যে সঁচাকৈ গান গাব ভবাই নাছিল। বাজী মৰা কথাটো সিহঁতে মদৰ নিচাত কোৱা কথা বুলি ভাবি গুৰুত্বই দিয়া নাছিল। কিন্তু....!

মঞ্জিতে বোলে হয় বে। ৰঞ্জিত হয় সেইটো। আওঁ এইকেইদিন ভালেহে সি আড্ডালৈ যোৱা নাছিল। চচ্‌মাযোৰ খুলি চাচোন ভালকৈ। মোত সলাই একেবাৰে আৰ্টিষ্ট হৈ গৈছে। পিছে নীলবৰণীয়া শিয়াল ৰজা হ'লে কি হ'ব? মুখ মেলিলেই ধৰা পৰিব, যেতিয়া হোৱা হোৱা কি হোৱা কি কি হোৱা ওলাব।

পিছে হোৱা হোৱা ওলাল নে ভেঁউ ভেঁউ ওলাল কোনেও ধৰিবই নোৱাৰিলে কাণতাল মৰা মিউজিকৰ উৎপাতত। এটা গান শেষ হ'ল। দুটা শেষ হ'ল। জাউৰিয়ে জাউৰিয়ে হাত চাপৰি পৰিল। হাত চাপৰি পৰিল মানে ৰঞ্জিত জুনিয়ৰ ভূপেন হাজৰিকা বনি গ'ল। আৰু জুনিয়ৰ ভূপেন হাজৰিকা বনি গ'ল মানে ৰঞ্জিত বাজীত জিকিল। মঞ্জিত আৰু ৰাতুল হাৰিল। হাৰিল মানে? তেওঁলোকে ৰঞ্জিতক পাঁচহেজাৰকৈ টকা দিবলগীয়া হ'ল। সেইটো কেনেকৈ হ'ব!

"কেনেকৈ হ'ব মানে, হ'লেই দেখোন", ক'লে মঞ্জিতে।

"সি কি গালে কিবা বুজি পালি জানো?" সুধিলে ৰাতুলে।

"হয় বে! হাল্লাহে কৰিলে। কি গান গালেনো সি? আৰু এটা গাবলৈ কচোন এইবাৰ কি গায় চাওঁ। yes আৰু এটা... আৰু এটা। মঞ্জিতৰ চিঞৰ। লগে লগে আনফালৰ পৰাও চিঞৰ আহিল 'আৰু এটা, আৰু এটা"।

লাগিল লেঠা জুনিয়ৰ ভূপেন হাজৰিকা ওৰফে ৰঞ্জিত বৰুৱাৰ। আকৌ চিঞৰ— 'আৰু এটা, আৰু এটা'। এনেকুৱা হ'ব বুলিতো সি ভবা নাছিল। দুটা গান গোৱাৰ পাছত তাক যে আৰু গাবলৈ ক'ব। ভালো লাগিল। ভয়ো লাগিল। কি কৰে এতিয়া সি? দুটাতকৈ বেছি গানটো শিকা নহ'ল তাৰ।

চুইট্, চুইট্। আৰু এটা, আৰু এটা।

মিউজিক পাৰ্টিৰ লগত আলোচনা কৰিলে। কি কৰা যায়? তেওঁলোকে বোলে গাওক। কিয় চিন্তা কৰিছে? যি জানে গাওক। কোনেও একো বুজি নাপায়, চিন্তা কৰিব নালাগে। আমি আগতকৈও ডাঙৰকৈ মিউজিক বজাম। গাওক, যি জানে গাই যাওক। আমি মিউজিক বজোৱাৰ কিছু পিচত আপুনি যি খুচি গাই থাকিব।

মিউজিক বাজিল উচ্চস্বৰত। কিছুসময় মিউজিক বজাৰ পাছত ৰঞ্জিতে আৰম্ভ কৰিলে—

একজাক বগলী
উল্লাক্ উল্লাক্।
তাৰে এটা গুলি খাই
মল্লাক্ মল্লাক্।

তিনিবাৰ মানে গালে তেনেকৈ। তাৰ পাছত খৰকৈ বজাবলৈ মিউজিক পাৰ্টিক ইঙ্গিত দিলে। মিউজিক খৰ হ'ল।

উল্লাক্ উল্লাক্
মল্লাক্ মল্লাক্

তেনেকৈও তিনিবাৰ গালে। তাৰ পাছত—

উল্লাক্
মল্লাক্
উল্লাক্
মল্লাক্।

গাই গাই গ্ৰীণৰুমৰ ভিতৰলৈ সোমাই গ'ল ৰঞ্জিত। বিপুল হাত চাপৰি আৰু সুহুৰিত বিহু পেণ্ডেল কঁপি উঠিল। □□

[২০০৪ ইং চনৰ মাৰ্চ সংখ্যা 'শ্ৰীময়ী'ত প্ৰকাশিত]

আত্মাৰামৰ বিহ্-উ-দৰ্শন

আত্মাৰামৰ আত্ম কথা ঃ আত্মাৰাম। যি আত্মাক জানে, নিজক জানে, জগতক জানে, জগতক মানে সকলোকে জানে। সকলোকে সমান দেখে। কাৰণ আজিৰ মানুহে "আত্মাস্বৰূপে হৰি সবঘটে বৈঠহ্ জৈচন গগণ বিয়াপিক" জনক চিনি নাপায়। আত্মাৰামৰ মতে সেই কাৰণে পৃথিৱীখনত ইমান বিশৃংখল আৰম্ভ হৈছে। কিন্তু তেওঁ আত্মাক চিনি পায়। তেওঁৰ কাৰণে "কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম" সিহঁতৰো আত্মা আছে। সকলোৰে আত্মা এক। আত্মাৰ ভিন-পৰ নাই। আত্মা আত্মাই। সেয়াই তেওঁৰ নামৰ গুৰি কথা।

আত্মাৰাম যেতিয়া গাঁৱত আছিল তেতিয়া গোটেই গাঁওখন মহতিয়াই ফুৰিছিল দিন-ৰাতি একাকাৰ কৰি আত্মাৰ সেৱাত। কাৰোবাৰ বেমাৰ, বিছনাৰ কাষত আত্মাৰাম। ডাক্তৰখানালৈ নিব লাগে আগত আত্মাৰাম। কাৰোবাৰ ঘৰত বিয়া, সাতদিন আগৰপৰা সাতদিন পিছলৈ গাত ভং নাথাকে আত্মাৰামৰ। কাৰোবাৰ জীয়েকৰ তোলনী বিয়া, তাতো আত্মাৰাম — ভাত ৰন্ধাৰ পৰা পাত কটালৈ। ৰাজহুৱা ভোজ। আত্মাৰাম নহ'লে যেন ভোজেই নহয়। বহাগ বিহুৰ গৰু বিহু। আত্মাৰামৰ গৰু নাই ; কিন্তু সকলোতকৈ আগতে

নৈৰ ঘাটত হাজিৰ হয়গৈ। গোটেই গাঁওখনৰ গৰুবোৰ যেন আত্মাৰামৰ গৰুহে। তেঁৱেই গা-ধুৱাব, গৰুবোৰক লাউ-বেঙেনা খুৱাব আৰু তাৰ পিছত যথাস্থানলৈ খেদি নিব। নামঘৰত বৰসবাহ, সমস্ত কামৰ ভাৰ নিজেই গা-পাতি ল'ব আত্মাৰামে। ঘৰে ঘৰে গৈ বস্তু সংগ্ৰহ কৰাৰ পৰা নামঘৰ চাফা কৰালৈ, পাত কটাৰ পৰা পিঠাগুৰি খুন্দাৰ বাবে আয়তীসকলক খবৰ দিয়ালৈ, সকলোবোৰ কাম যেন আত্মাৰামৰেই।

আত্মাৰামৰ একমাত্ৰ পুতেক মধুৰামে গুৱাহাটীৰ চৰকাৰী অফিচ এটাত পিয়নৰ চাকৰি কৰে। অফিচত পিয়ন, কিন্তু গাঁৱলৈ আহিলে কথাই-বতৰাই মন্ত্ৰীতকৈও চাৰ। গতিকে আত্মাৰামে যাৰে তাৰে ঘৰত বিনা পইচাই চাকৰ খাটি ফুৰা কথাটোত পুতেকৰ প্ৰেষ্টিজত লাগিল। যাৰ ফলত আত্মাৰামক গাঁৱৰপৰা গুৱাহাটীলৈ লৈ অনা হ'ল। গাঁৱৰ আম-কঠালেৰে ভৰি থকা এবাবাৰী, কুঁহিয়াৰৰ জাবৰি, মুকলি খেতি-পথাৰ, নৈৰ ঘাট, সাঁতুৰি-নাদুৰি গা-ধোৱা নদী, চিএৰি চিএৰি গীত গাই গাই বিজাৰ্ভত গৰু চৰাই ফুৰা আত্মাৰাম....। সেইবোৰ এৰি, নগৰত থকা পুতেকৰ সৰু খেৰৰ ঘৰত বন্দী হৈ পৰিল। বাৰান্দাত বহি থাকিবলগীয়া হ'ল টাবত ৰোৱা ফুল যেন হৈ। একেবাহে খৰি কাটি থকাৰ সময়ত বালিকটা দা যেন চিক্‌চিকীয়া হৈ থকা কুঠাৰখনো বিছনাৰ তলত পেলাই থ'লে মামৰে ধৰি কলগছো নকটা হোৱাৰ দৰে আত্মাৰামো বহি বহি হাত-ভৰিবোৰ নচলা হ'ল। গোটেই গাত বিষ। মুৰৰ ঘিবোৰো বোধহয় গোট মাৰি গৈছে। কেতিয়া কাক কি কয় নিজেই ক'ব নোৱাৰা হৈছে। তাৰবাবে পুতেক-বোৱাৰীয়েক আনকি পীত কলীয়া নাতি-নাতিনীহঁতৰো কথা শুনিবলগীয়া হয় আত্মাৰামে।

এতিয়া আত্মাৰামে তেনেকৈ ঘৰৰ পৰা বাহিৰ নোলায়। ওলাবলৈ কামেই বা আছে কিটো, চিনিয়ে বা পায় কাক! আৰু যিহে দিন-কাল পৰিছে কেতিয়া কাৰ হাতত 'কাল' হ'বলগীয়া হয় কি ঠিক। গতিকে পিতৃ-সম্পত্তি দেহাটো হেৰুৱাৰ ভয়ত বাহিৰলৈ নোলায় তেনেকৈ। ঘৰতে বহি নাতি-নাতিনীহঁতৰ ঠেহ-পেচ ভাঙিয়েই কটায় সময়খিনি। মাজে মাজে আত্মাৰামে ভাবে— এই গুৱাহাটীৰ মানুহখিনিক ৰাইজ মেল পাতি বিচাৰ কৰি প্ৰতিঘৰকে জুই-পানী আলাগ কৰি থৈছে নেকি বাৰু?। কাৰো লগত কাৰো মাত-বোল নাই, আহ-যাহ নাই। অহাৰ ভিতৰত আছে গাখীৰ দিয়া নেপালীজন, বাতৰি কাকত দিয়া ল'ৰাজন আৰু চান্দা বিচাৰি অহা ল'ৰাবোৰ। তাৰ বাহিৰে বেলেগ মানুহ তেনেকৈ নাহেই। এনেকৈও মানুহ জীয়াই থাকিব পাৰেনে! ঘৰবোৰ, গাড়ী-মটৰবোৰ চাই চাইনো মানুহ জীয়াই থাকিব পাৰেনে? ঘৰ, গাড়ী, মটৰেতো সুখৰ-দুখৰ কথা নকয়। সুখ-দুখ বুজি নাপায়। ইয়াত বহুত মানুহ আছে কিন্তু সমাজ নাই। মৰম-চেনেহ নাই। কোনেও কাৰো

দুখ বুজি নাপায়, বুজিবৰ চেষ্টা নকৰে। মানুহবোৰো গাড়ী-মটৰৰ দৰে। ইটাৰ ঘৰৰ দৰে। ইটাৰ ঘৰৰ ভিতৰত থাকি, গাড়ী-মটৰত ফুৰি মানুহবোৰো ইটাৰ ঘৰৰ দৰে, গাড়ী-মটৰৰ দৰে হৈ গৈছে কিজানি।

বিহু অহাৰ লগে লগে আত্মাৰামৰ মনটো ঢাপলি মেলিলে গাঁৱলৈ। গাঁৱৰ নদীৰ ঘাটলৈ। গৰু বিহুৰ দিনা ৰাতিপুৱাই কেঁচা কুঁৱাৰ পানীতে গাটো তিয়াই নঙলা মুখলৈ ওলাই গ'ল আত্মাৰাম — কোনোবাই ধুৱাবলৈ গৰু উলিয়াই নেকি তাকেই চাওঁ বুলি। পিছে নাই, ক'ত গৰু ধুৱাব, নদীয়েই নাই ওচৰত। কাৰোবাৰ গৰু থাকিলেও চোতালতে গা ধুৱাব লাগিব। এনেয়ে বাৰান্দাৰ পৰা নঙলামুখলৈ কেইবাৰমান অহা-যোৱা কৰি শেষত বাৰান্দাত থকা বেতৰ মুঢ়া এটাতে ভাগৰুৱা মানুহৰ দৰে বহি পৰিল আত্মাৰাম। নাতি-নাতিনীহঁতক লৈ পুতেক গৈছে বিহুৰ পতাকা উত্তোলন চাবলৈ। মূৰে-কপালে হাত দি বাৰান্দাতে বহি কটালে আত্মাৰামে। পাৰিলে আজিৰ দিনটোৰ কাৰণে হ'লেও গাঁৱলৈ এবাৰ যোৱাৰ মন আছিল আত্মাৰামৰ। বুঢ়া আমন-জিমনকৈ দিনটো বহি থকা দেখি পুতেকৰ নিৰ্দেশমতে বুঢ়াৰ মন ভাল লগাবলৈ বুলি নাতি-নাতিনীহালে গধূলিতে লৈ গ'ল বিহু দেখুৱাবলৈ। আত্মাৰামৰ যাবৰ মন নাছিল কিন্তু নাতিহাল নেৰো-হৰি নাৰায়ণ হোৱা বাবে উপায় নাপাই যাবলৈ ওলাল। সোনকালে যোৱা বাবে মঞ্চৰ ওচৰতে বহাৰ সুবিধা [illegible]লে। মঞ্চখনলৈ আঙুলিয়াই বুঢ়াই সুধিলে— "সেই চাংখনত বিহু হ'ব নেকি অ'? 'অ, তাতেই হ'ব।' —একেমুখে ক'লে নাতিহালে। "মিটিংহে তেনেকুৱা চাঙৰ ওপৰত পাতে। বিহুও হয়নে চাঙৰ ওপৰত! নৈৰ পাৰত, পথাৰত চিঞৰি চিঞৰি হেঁপাহ পলুৱাই গাব নেপালে, নাচিব নেপালে কিহৰ বিহু গোৱা হ'ল! তেনেকৈ বিহু মাৰিলেহে দেহৰ পিৰ্‌পিৰনি কমে। চাঙৰ ওপৰত আকৌ কিবা বিহু মৰা হয়নে? তেনেকৈ নাচিলে ক'ত দেহৰ পিৰ্‌পিৰনি কমিব!"

"আজি-কালি পথাৰত বিহু নামাৰে নহয় ককা। এনেকৈয়েই বিহু মাৰে।"

"ক'তনো বিহু অ'? লাচ পিকাৰহে বজাই আছে দেখোন।" প্ৰায় ধমকিৰ সুৰতেই সুধিলে নাতি-নাতিনীহঁতক।

"অকণমান বহাচোন ককা, আৰম্ভ হ'ব নহয় এতিয়াই।"

ল'ৰা এজনে ষ্টেজত উঠি মাইকত কিবা ক'ব ধৰা দেখি তিৰিঙচকৈ খংটো উঠিল আত্মাৰামৰ— "লাচ পিকাৰ কিয় লাগে? কি ক'ব লগা আছে এনেয়ে ক'ব নোৱাৰে নেকি? ইচ্ লাচ পিকাৰ নহ'লে কথাই ক'ব নোৱাৰা হৈছে ইহঁতে। ওখ চাংখনত উঠিছে

আকৌ লাচ পিকাৰ কেলেই? এনেয়ে জোৰকৈ ক'লেই দেখোন শুনা যাব। জোৰেই নাই নেকি আজিকালিৰ ডেকাসকলৰ! হাল-কোঁৰ নামাৰি বহি বহি খাই থাকোতেই সেই চেহেৰা, শাওণ-ভাদ মাহৰ পথাৰত নমাই দিলে বোকাৰ পৰা উঠি আহিবই নোৱাৰিব ইহঁত। আমি ভাওনা কৰোতে নামঘৰৰ চাৰিওফালে হেজাৰ হেজাৰ মানুহ। তাৰ মাজত আমি চিএঞৰি বচন মাতিছিলো। ক'ত লাচ্ পিকাৰ আছিল তেতিয়া? কিন্তু শেষত বহা মানুহজনেও দেখোন আমাৰ বচন নুশুনাকৈ থকা নাছিল। আজিকালিহে দুজন মানুহৰ আগত কথা ক'বলৈও লাচ্ পিকাৰ নহ'লে নহয়। ডাঙৰকৈ কথা ক'বলৈ শক্তিয়ে নাইকিয়া হ'ল নেকি মানুহবোৰৰ?

"ৰ'বাচোন ককা, মানুহে শুনিলে কি ক'ব?"

"কিনো ক'ব, মই কিবা মিছা কৈছো নেকি?"

"হ'ব দিয়া, মনে মনে থাকা।"

নাতি-পোৱালি দুটাৰ খং উঠা দেখি মুখ বন্ধ কৰিবলৈ বাধ্য হ'ল আত্মাৰাম। নাতি দুটাৰ মতে ককাক গাঁৱলীয়া ভোদা মানুহ। মানে আগৰ জামানাৰ মানুহ। আজিকালিৰ কথা-বতৰাবোৰ পছন্দ নকৰে। প্ৰতিটো কথাতে খুত উলিয়াই কিবা-কিবিবোৰ কৈ থাকে।

ইতিমধ্যে মঞ্চত সা-সৰঞ্জাম কিছুমান উঠাই থিক-থাক কৰা হৈছিল। দৰ্শকক চেলাম কৰি কৰি ডেকা ল'ৰা এজন মঞ্চলৈ উঠি অহা দেখি আন দৰ্শকৰ লগতে নাতি দুটায়ো হাত-চাপৰি বজাই বজাই 'হেই, হেই'কৈ চিএঞৰিবলৈ ধৰিলে। কি হ'ল একো বুজিব নোৱাৰি চাৰিওফালে চাবলৈ ধৰিলে আত্মাৰামে— "কিনো হ'ল ঔ মানুহবোৰৰ?" আত্মাৰামৰ খং উঠিল।

মঞ্চলৈ আঙুলিয়াই নাতি এজনে ক'লে— "সেইজনযে ষ্টেজত উঠিছে সেই কাৰণে। মস্ত ভাল গায়ক সেইজন।"

"অ' হয় নেকি? সেই কাৰণে মানুহবোৰে হেই হেইকৈ গৰু খেদা দিছে। অ, সি মুছলমান নেকি অ'?"

"কিয়?"

"ভাওনাত মুছলমান সম্ৰাটক চালাম দিয়াৰ দৰে চালাম দিছে দেখোন!"

"নহয় ককা। আজিকালি সকলোৱে তেনে কৰে।"

"হয়নে?" —কাণ্ড-কাৰখানাবোৰ আত্মাৰাম বুঢ়াই বৰ ভাল নাপালে যদিও উপায়

নাপাই এ্কো নামাতি বহি থাকিল। গোটেই মঞ্চখন আগুৰি কেবাজনো মানুহে নাম নজনা বাদ্য কিছুমান বজাব ধৰিলে। কেইজনমানে বহি কেইজনমানে থিয় হৈ। কোনোবাই হাতেৰে কোনোবাই মুখেৰে, কোনোবাই আকৌ মাৰিৰে কোবাই কোবাই বজাব ধৰিলে। বাদ্যযন্ত্ৰৰ শব্দত কাৰো মাত ক'তো নুশুনা হ'ল। গায়কজনে সেই কাণতাল মৰা শব্দৰ মাজে মাজে একোটা চিএ্ৰৰ মাৰে আৰু ধপাত খোৱা চিলিমৰ দৰে কিবা এটা হাতত লৈ মঞ্চৰ সম্মুখলৈ আহি হাত-ভৰি-কঁকাল জোকাৰি জোকাৰি নাচিবলৈ ধৰিলে। আত্মাৰামৰ অসহ্য হ'ল। কাণত আঙুলি ভৰাই থাকিয়েই ডাঙৰকৈ নাতিহঁতক সুধিলে—

"মৃগী বেমাৰী নেকি অ' সেইটো?"

"ধেৎ ককা!"

"তেনেহ'লে তাক মহে কামুৰিছে নেকি? বৰকৈ চৎফটাই আছে দেখোন।" নাতি-নাতিনীহাল হাঁহিত ফাটি পৰিল।

"ককাও যে আৰু, সেইটো ডেন্স। চাই থাকাচোন কি ভাল লাগে নাচটো চাই।"

"নাচ? সেইটোক নাচ কয় নেকি? কি নাচ অ' সেইটো?"

"এ্‌ তুমি সেইবোৰ বুজি নাপাবা ককা। চাই থাকা।"

"হয়নে?" মাজে মাজে জিৰণি লৈ লৈ প্ৰায় দুঘণ্টামান তেনে নাচ দেখুবালে গায়কজনে। বিৰক্তি পাই আত্মাৰাম বুঢ়াই যাবই ওলাইছিল। তেনেতে আগৰ দৰে চালাম দি দি গায়কজন মঞ্চৰ পৰা নামিল। বুঢ়ায়ো কাণৰ পৰা আঙুলি উলিয়ালে। লগে লগে মাইকত ঘোষণা হ'ল— "এইবাৰ আপোনালোকলৈ আগবঢ়াম জ্ঞানমালিনী সংঘৰ হুঁচৰি।"

"ককা বিহু বিহু। বহা।"

"অ' বিহুহে দিব লাগে। সেইবোৰ যে কি দিছিল কাণ-মূৰ বিষাই গ'ল।" বুঢ়া বহিল। মঞ্চত আৰম্ভ হ'ল বিহু-হুঁচৰি। আত্মাৰামে চকু-কাণ থিয় কৰি বিহু দলটিৰ ওপৰত সমস্ত মনোযোগ ঢালি দিলে।

"আইতাৰ কেঠাখন গোন্ধাইছে কিবাখন
ৰ'দত দিবলৈ নাই অ' গোবিন্দায় ৰাম।"

আত্মাৰামৰ নাকত যেন কেঠাখনৰ ভেকেটা-ভেকেট গোন্ধটোহে লাগিল। নাক-মুখ কোঁচ খাই গ'ল আত্মাৰামৰ। নাতিহঁতলৈ চাই ঢেকেকনি মাৰিলে— "কি গাইছে অ'

সেইবোৰ?”

“হুঁচৰি, হুঁচৰি। বুজি পোৱা নাই নেকি ককা?”

“হুঁচৰি?” ভূত দেখি ভয় খাই ওলোৱাদি অস্বাভাবিক মাত ওলাই আহিল বুঢ়াৰ মুখৰ পৰা।

‘আজিকালি হুঁচৰি এনেকুৱা হ’ল নেকি? এই হুঁচৰি গাবলৈ হ’লে গৃহস্থই ঢেঁকী থোৰা লৈ পাছে পাছে নেখেদিব?”

আঁকৰা বুঢ়াৰ কথা শুনি স্থাল-কাল পাহৰি বত্রিশটা দাঁত উলিয়াই হাঁহিবলৈ ধৰিলে নাতিহঁতে। তাকে দেখি বুঢ়াৰ খং তুংগত উঠিল। একো কৰিব নোৱাৰি চকীখনকে দুটামান থেকেচা মাৰি বহিল। ইতিমধ্যে বিহু দলটিয়ে হুঁচৰি গোৱা শেষ কৰি বিহু গোৱা আৰম্ভ কৰিলে—

অ’ ৰূপা লিপষ্টিক ঘহি টিপ্ টপ্
অ’ ৰূপা চিঠি লিখাৰ চিক্রেট ক’ড
অ’ ৰূপা কোৱাচোন এবাৰ আই লাভ ইউ।

আত্মাৰাম বুঢ়া জ্বৰ ঘমাদি ঘামিবলৈ ধৰিলে। মুখটো আচন্দ্ৰাই কৰা যেন পালে। বুঢ়া লাহে লাহে বহা চকীখনতে ঢলি পৰিল। ‘ককাৰ কি হ’ল, ককাৰ কি হ’ল.......’ বুলি নাতি দুটিয়ে হুৰা-দুৰা লগালে। পিছফালৰ পৰা কোনোবা এজনে কোৱা শুনা গ’ল “প্ৰেচাৰ উঠিল নেকি?” ◻◻

[২০০১ চনৰ ‘বিহুৱতী’ত প্ৰকাশিত]

তৈলমৰ্দনৰ কথা অমৃত সমান

অথ তৈলমৰ্দনৰ কথা অমৃত সমান।
গেজেট বৰুৱাই কয় শুনে পুণ্যবান।।

এতিয়া শুনক তৈলমৰ্দনৰ কথা। ইয়াৰ কৃপাত খৰিভাৰীও ৰজা হ'ব পাৰে। ভিক্ষাৰী জমিদাৰ হ'ব পাৰে। মাথো ইয়াৰ সদ্ব্যৱহাৰ কৰিব জানিব লাগিব। ইয়াৰ প্ৰয়োগৰ ওপৰতেই মানুহৰ ভাগ্য নিৰ্ভৰ কৰে।

তৈলমৰ্দন, তোষামোদ বা তেল দিয়া শব্দকেইটিৰ মহিমা অপাৰ। সেয়েহে নগৰে-চহৰে, গাঁৱে-ভূঞে, চুকে-কোণে ইয়াৰ আদৰো কম নহয়। শব্দকেইটিয়ে কেতিয়াবাই ৰাষ্ট্ৰীয় স্বীকৃতি পালে। অতি শীঘ্ৰে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি পোৱাৰ পথত। শব্দকেইটি হাড়ে-হিমজুৰে ভাৰতীয়। প্ৰাচীন কালৰ পৰাই ইয়াৰ ব্যৱহাৰ চলি আছে। প্ৰাচীনকালত ৰজা-মহাৰজাৰ পৰা মন্ত্ৰী-বিষয়া, কাড়ি-পাইকলৈ ইয়াৰ সহায়ত বিষয়বাব খাই আছিল। আজিকালিও মন্ত্ৰী-বিষয়া, দালালৰ পৰা শিল্পী-সাহিত্যিকলৈ ইয়াৰ সহায় নোলোৱাকৈ কোনেও চকুত লগা কাম কৰিব পৰা নাই। বৰ্ত্তমান সময়ত 'কেটালাইটিক এজেণ্ট'ৰ জৰিয়তেও তৈলমৰ্দনৰ কাম সমাধা কৰা দেখা যায়।

এই শব্দকেইটিৰ উৎপত্তি, স্থিতি আৰু ক্ৰমবিকাশ সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন মতামত আগবঢ়ালেও এই কথাত পণ্ডিতসকল একমত যে ইয়াৰ প্ৰভাৱ অপৰিসীম। আজিৰ সমাজত 'ডাঙৰ মানুহ' হ'বলৈ হ'লে তৈলমৰ্দনৰ বিদ্যুৎচালিত ওলোমা যানত উঠিবই লাগিব। লক্ষ্য প্ৰাপ্তিৰ বাবে এইটোৱেই একমাত্ৰ চমু আৰু উত্তম পথ। তৈলমৰ্দনৰ এই যানত উঠি চুইচ দিলেই আচল জেগাত পৌচি যাব পাৰি। কিন্তু কিবা কাৰণত লাইন

কাটিব লাগিলে থেকেচ্, হামখুৰি খাই পৰি হাঁড়-মূৰ ভাঙিব পাৰে, সাৱধান।

অকল আজিৰ সমাজতহে যে ইয়াৰ ব্যৱহাৰ আছে তেনে নহয়। তাহানি কালৰ পৰাই ই চলি আছে চিৰপ্ৰবাহমান নদীৰ দৰে। একেই গতিত। তাহানি কালৰ পণ্ডিতসকলৰ কথাই ধৰকচোন। ৰজাৰ গুণ-যশ বৰ্ণাই কৰা সাহিত্য কৰ্মইহে ৰাজকীয় সাহিত্যৰ মৰ্য্যাদা পাইছিল। আৰু তেনে সাহিত্য কৰা পণ্ডিতসকলেহে ৰাজসভাত উচ্চ আসন পাইছিল। তেনে নকৰাসকলে ৰাজৰোষত পৰি প্ৰাণটো বচাবলৈ ইখনৰ পৰা সিখন দেশ ভ্ৰমি ফুৰিবলগীয়া হৈছিল। শ্ৰীমন্ত শঙ্কৰদেৱ তাৰ প্ৰমাণ। এই যে ৰজাৰ গুণানুকীৰ্ত্তন কৰা 'পণ্ডিত' সকলক 'ৰাজকবি, মহাপণ্ডিত, কবিৰত্ন' আদি সন্মান দি আগশাৰীত বহুৱা হৈছিল সেয়া আচলতে পণ্ডিতজনক দিয়া হৈছিল নে তৈলমৰ্দনক দিয়া হৈছিল? কথাটো টং কৰি চাইছেনে?

কুৰুক্ষেত্ৰ মহাৰণত মানুহৰূপী ভগৱান শ্ৰীকৃষ্ণই পাণ্ডৱৰ পক্ষ লৈছিল। কিয়? পাণ্ডৱসকলৰ ভক্তিয়ে ভগৱানক বান্ধি ৰাখিছিল। ভক্তি মানে জানিছেই নহয়। শান্তিৰ প্ৰস্তাৱ দিবলৈ যোৱা শ্ৰীকৃষ্ণক দুৰ্যোধনে শিকলিৰে বান্ধিব নোৱাৰিলে। অথচ পাণ্ডৱসকলে বান্ধি ৰাখিছিল ভক্তিৰ সূতাৰে। এই ভক্তি কি? ভক্তি মানে গুণানুকীৰ্ত্তন নহয়নে? সৌৰ্য্য-বীৰ্যৰ কথা বখানি কৰা গুণানুকীৰ্ত্তন? আৰু গুণানুকীৰ্ত্তন মানে.....?

একেই কথা হৈছিল ৰামায়ণৰ যুদ্ধতো। ভগৱান শ্ৰী ৰামচন্দ্ৰই বিপক্ষৰ প্ৰতি মাজে মাজে দুৰ্বল হৈ পৰিছিল। বিভীষণৰ পুত্ৰ তৰণীসেন বধৰ সময়ত, আনকি ৰাৱণ বধৰ সময়তো। ৰামক ভগৱান বুলি ৰামৰ গুণ বৰ্ণাই স্তুতি কৰিলেই ৰাম দুৰ্বল হৈ পৰিছিল। তেতিয়া... সীতা উদ্ধাৰৰ কথাও পাহৰি গৈছিল হেনো। চাওকচোন কি আচৰিত শক্তি কেইটামান শব্দৰ। ভকতীয়া ভাষাত যাক ঈশ্ প্ৰেম, ঈশ স্তুতি কোৱা হয়, সাধাৰণ মানুহৰ বাবে সেয়া তৈলমৰ্দন বা তোষামোদ। বৰ যাদুকৰী শক্তি, কাম হয় এম. হুছেইনৰ যাদুৰ খেলত দেখাৰ দৰে চকুৰ পচাৰতে, অভাৱনীয় ভাবে। সেয়েহে ইয়াৰ ইমান আদৰ। পুৰণি হৈও নতুন।

সুদীৰ্ঘ কাল বিদেশী ইংৰাজৰ শাসনাধীন হৈ থকাৰ সময়ত অসম তথা ভাৰতবৰ্ষত তৈলমৰ্দনৰ পূজাৰীসকলৰ মাজত প্ৰতিযোগিতা চলিছিল। অদৃশ্য প্ৰতিযোগিতা। সেই প্ৰতিযোগিতাত সফল হোৱা সকলৰ কপাল ফুলিছিল। লাভ কৰিছিল ৰাজ অনুগ্ৰহ। লাভ কৰিছিল ৰায়বাহাদুৰ, ৰায়চাহাব উপাধি। আৰু উপাধিৰ বোজা কান্ধত লৈ বীৰদৰ্পে ঘূৰি ফুৰিছিল। ভাৰতে বিনা ৰক্তপাতে স্বাধীনতা পোৱাৰ গুৰিতেও তৈলমৰ্দনৰ অদৃশ্য হাত থকা বুলি বহুতে সন্দেহ প্ৰকাশ কৰে। আৰু আজি স্বাধীনতাৰ ৪৭ বছৰ পিচত তৈলমৰ্দনে

গোটেই দেশ ছানি ধৰিছে। ইতিমধ্যে নতুন দিল্লীত প্ৰধান কাৰ্য্যালয় পাতি সৰ্বভাৰতীয় তৈলমৰ্দন পৰিষদ এটি গঠন কৰা হৈছে। অসমতো তাৰ এটি কাৰ্য্যালয় খোলা হৈছে দিছপুৰত। এই কাৰ্য্যালয়ৰ পৰা অসমৰ তৈলমৰ্দনকাৰী সকলৰ মাজত সংগঠনৰ কাম-কাজ চলাই থকা হৈছে। আনহাতে চাতুকাৰ বৰুৱাৰ অধীনত এটি গৱেষক পণ্ডিতৰ দলে এই তৈলমৰ্দনৰ ওপৰত গৱেষণা কৰি আছে। আন এটি দলে ক্ষেত্ৰভিত্তিক অধ্যয়ন চলাই আছে। অচিৰে এই সম্পৰ্কে কেবাখনো মূল্যৱান গৱেষণা গ্ৰন্থ প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে। এই গৱেষণা গ্ৰন্থসমূহ প্ৰকাশ পালে এই সম্পৰ্কে বহু কথা পোহৰলৈ আহিব।

প্ৰশিক্ষণ প্ৰাপ্তসকলহে কামৰ যোগ্য ঃ

যিকোনো কামৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ প্ৰয়োজন। গাড়ী চলাবলৈ যেনেকৈ চালকজন উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগে, দেশ চলাবলৈও দেশৰ চালকসকল প্ৰশিক্ষণপ্ৰাপ্ত হোৱাটো বাঞ্ছনীয়। তেহে দেশৰ শাসনযন্ত্ৰটো সুচাৰুৰূপে চলাব পাৰিব। দল এটা চলাবলৈও কৰ্মীসকল তথা বিষয়ববীয়া সকল উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগে। সেয়া শাসক দলৰেই হওক বা বিৰোধী দলৰেই হওক। মানুহৰ পৰা দম্ দি টকা সৰকাবলৈও উপযুক্ত প্ৰশিক্ষণ লাগে। মানুহক গুলিয়াই মাৰিবলৈও প্ৰশিক্ষণ ল'ব লাগে। যিমান বেছি মানুহ মাৰিব পাৰি সিমান বেছি চৰকাৰী সা-সুবিধা আদায় কৰিব পাৰি। গতিকে প্ৰশিক্ষণ লাগিবই। আৰু এই প্ৰশিক্ষণ দলগত হ'লে বেছি ভাল। সেয়েহে তৈলমৰ্দনৰো প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰাৰ কথা চিন্তা কৰা হৈছে। বৰ্ত্তমানে ইয়াৰ পূজাৰীসকলে ব্যক্তিগতভাবে বিভিন্ন প্ৰান্তত কাম কৰি আছে। সেইসকলক একগোট কৰি উপযুক্ত প্ৰশিক্ষণ দি অধিক যোগ্যতাপূৰ্ণ কৰাৰ কথা চিন্তা কৰা হৈছে। কাৰণ যোগ্য-ভোগ্য বসুন্ধৰা।

গণতন্ত্ৰ মানে কিছুমান কমিটি ঃ

গণতন্ত্ৰ মানে হ'ল ব্যক্তিগত ভাৱধাৰাক গোষ্ঠীগত বা সমষ্টিগত ভাৱধাৰালৈ ৰূপান্তৰ কৰা। কাৰণ "জাতিৰ সমষ্টিগত সত্বাৰ মাজত নিজ নিজ ব্যক্তিত্বৰ বিলোপ সাধনতেই ব্যক্তিৰ মুক্তি।" কমিউনিষ্টসকলেও সমষ্টিৰ সন্মুখত ব্যক্তি স্বাতন্ত্ৰ্যক বলি দিবলৈ কয়। কিন্তু কমিউনিষ্টৰ সমষ্টি আৰু গণতন্ত্ৰৰ সমষ্টি একে নহয়। কমিউনিষ্ট সমষ্টি হ'ল শ্ৰেণী সমষ্টি। গণতন্ত্ৰ গোষ্ঠীগত সমষ্টি। গতিকে আমাৰ ভাৰতীয় গণতন্ত্ৰত ব্যক্তিগত আশা-আকাংক্ষা পূৰণৰ বাবেও গোষ্ঠীগত বা সমষ্টিগত ভাবেহে আগবাঢ়িব লাগে। আৰু তাৰবাবে লাগে একোখন সমিতি। সমিতি কৰাৰ পিচত সকলো কাম সমিতিৰ হাতত এৰি দি নাকত তেল দি শুই থাকিব পাৰি। গণতন্ত্ৰৰ বাহাদুৰি এইখিনিতেই। সমিতি গঠন কৰোতে কিন্তু খুব সাৱধান হ'ব লাগিব। চাব লাগিব যাতে সেই গোষ্ঠীৰ মূল মূল

তোষামোদকাৰীসকলক কমিটীৰ অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ পিচত সমিতিসমূহৰ মাজত প্ৰতিযোগিতা হ'ব। কোনখন সমিতি আৰু তাৰ কৰ্মকৰ্ত্তাসকল চৰকাৰৰ সোঁহাত হ'ব পাৰে, কোন বাওঁহাত হ'ব পাৰে তাৰ প্ৰতিযোগিতা আৰু সেই প্ৰতিযোগিতাত নিঃসন্দেহে 'তৈলমৰ্দন'ৰ ভূমিকা লেখত ল'বলগীয়া। সেয়েহে সমিতিৰ বিষয়ববীয়াসকলৰ মাজত ইজনে সিজনৰ পিঠি খজুৱাই দিয়াৰ পৰাই আৰম্ভ কৰা হয়। সেই কামত পাকৈত হোৱাৰ পিচতহে বাহিৰৰ বিশেষজ্ঞৰ দ্বাৰা উচ্চ-পৰ্য্যায়ৰ প্ৰশিক্ষণ দিয়া হয়। সেই প্ৰশিক্ষণৰ ফলস্বৰূপে কিছুমানে জীৱনভৰ কমিটীৰ বিষয়বাব খাই থকাৰ অৰ্হতা অৰ্জন কৰিব পাৰে।

উপসংহাৰ ঃ

বৰ্ত্তমান সময়ত ৰজাঘৰে প্ৰজাঘৰে তৈলমৰ্দনৰ জয়জয় ময়ময় অৱস্থা। অৱশ্যে চকুচৰহা সকলে তৈলমৰ্দণৰ পূজাৰীসকলক 'সুবিধাবাদী', 'দালাল', 'পদলেহনকাৰী' আদি শব্দৰ লেবেল মাৰি হেয় কৰিব নিবিচৰা নহয়। সেইবোৰ লোকৰ উন্নতি দেখি মূৰ-কামোৰণি হোৱাসকলৰহে কাম।

গতিকে সেইবোৰলৈ কাণ দিয়াৰ সকাম নাই। হে-ৰি থেকেচ্‌কৈ পৰি কঁকাল ভঙাৰ পিচত কয় বোলে আঙুৰ টেঙা। সুবিধা কৰিব নোৱাৰিলে চৰেই ভকত। কিন্তু সুবিধা পালে সেই ভকতবোৰহে বেছি দগ্‌ধা হয়। সেয়েহে কওঁ সুবিধা পালে আগুৱাই যাওক, কোনোবাই শুনে শুনক, নুশুনে নাই। মাথো মানুহ চাই প্ৰয়োজনতকৈ বেছি বিনয়ী হ'ব। মানুহ চাই পিঠি খজুৱাই দিব, বচ্‌ আৰু একো নালাগে। বাতৰি কাকতত আপোনাৰ কথাই বেছিকৈ ওলাব। বাতৰি কাকতত নাম ওলোৱা মানে ? কম কথানে ?

আৰু এই 'বস্তু'টো — তৈলমৰ্দন ক'ত নাই ? সাহিত্যত, শিল্পত, ৰাজনীতিত ? ক'ত নাই ? য'তেই ইয়াৰ প্ৰভাৱ বেছি তাতেই উন্নতিও বেছি। কথাতে কয় নহয় বোলে— কথাত কটা যায়, কথাত বঁটা পায়। ৰাজনীতিত উন্নতিৰ উচ্চ শিখৰত উঠিবলৈ হ'লে এই 'বস্তু'টোত পাকৈত হ'বই লাগিব। বিনাকষ্টে লাখপতি হ'ব খুজিলেতো কথাই নাই, বস্তুটো পূৰা আয়ত্বত থাকিব লাগিব। আৰু আজিকালি সাহিত্যত বঁটা লৈ মুধাফুটা সাহিত্যিকৰ শাৰীত উঠিবলৈ হ'লেও সাহিত্যতে এই 'বস্তুটো' ভালকৈ প্ৰয়োগ কৰিব জানিব লাগিব, তেহে। গতিকে এই তৈলমৰ্দনৰ আৱিষ্কাৰকসকলক মৰণোত্তৰ ভাৱে হ'লেও "বুদ্ধি বিভূষণ" উপাধি দি ৰাজ সন্মানেৰে সন্মানিত কৰাৰ ব্যৱস্থা কৰিব লাগে। নে মই বেয়া কৈছো ? কথাটো চিন্তা কৰিব কিন্তু !

জয়তু তৈলমৰ্দনম্‌।। ❑❑

[১৯৯৫ চনৰ কামৰূপ সাহিত্য সভাৰ মুখপত্ৰ 'কামৰূপা'ত প্ৰকাশিত]

ভি আই পি

[কি, ক'ত, কিয় বিখ্যাত?]

কি ঃ ভিআইপি মানে ভেৰি ইম্‌পৰটেণ্ট পাৰছন বা অতি দৰকাৰী ব্যক্তি। এই ভিআইপি বোলা বস্তুটো বেলেগ গ্ৰহৰ পৰা অহা প্ৰাণী নহয়। আপোনাৰ-মোৰ দৰে মানুহেই। হয়তো জন্মসূত্ৰে আনতকৈ নিম্নখাপৰো হ'ব পাৰে। আপোনাৰ-মোৰপৰা পইচা খুজি চিগাৰেট খোৱা বা ক'ৰবালৈ যাবৰ বাবে বাছৰ ভাড়া খুজিবলগীয়া পৰিয়ালৰো হ'ব পাৰে। চাকৰি নেপাই দলঙৰ ৰেলিঙত বহি আড্ডা মৰা বা পান দোকানৰ সন্মুখত থাকি ৰোমিঅ'ৰ ভাও দিয়া বা চাহ দোকানত বহি আড্ডা মৰা দলৰো হ'ব পাৰে। কিন্তু ভাগ্যৰ চক্ৰত নিৰ্বাচনত জয়ী হৈ গাদীত বহিব পাৰিলেই পিঠিত ভিআইপিৰ লেবেল লাগি যায়। আৰু ভিআইপিৰ লেবেল লগাৰ লগে লগে তেওঁলোক হৈ পৰে চৰকাৰৰ সম্পত্তি। আগতে ফটা ছেণ্ডেল পিন্ধি অকলে অকলে দিন-ৰাতি ঘূৰি ফুৰাসকলেও ভিআইপিৰ লেবেল লাগি যোৱাৰ লগে লগে আগে-পিছে বন্দুকধাৰী চিপাহী নহ'লে পাইখানালৈও যাব নোৱাৰা হৈ পৰে। গাড়ী নহ'লে এখোজো যাব নোৱাৰা হয়। আৰু বাহিৰলৈ যাবলৈ হ'লে আগে আগে পেঁপা বজাই বাটৰুৱাক সাৱধান কৰি দিহে যায়। ভিআইপি উঠা গাড়ীৰ ওপৰত ধিমিক-ধামাককৈ জ্বলি থকা লাইট জ্বলাই ভিআইপিজনৰ মনৰ বতৰা দি যোৱা হয়। কোনোবাই বাট এৰি দিয়াত সামান্য হেৰ-ফেৰ

কৰিলেই কোবাই কোবাই আধামৰা কৰি লক্‌আপত ভৰাই থোৱা হয়।

ভিআইপিসকলৰ ক্ষমতা অসীম। তেওঁলোকে কৰিব নোৱাৰা কাম একো নাই।

তেওঁলোকৰ হাতত আইন প্ৰণয়ন কৰাৰ ক্ষমতা থাকে। কিন্তু তেওঁলোকে প্ৰণয়ন কৰা আইন তেওঁলোকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। তেওঁলোকৰ ইচ্ছাই আইন। তেওঁলোকে ইচ্ছা কৰিলে দগধা চোৰকো ডাঙৰ মানুহ কৰাব পাৰে আৰু ডাঙৰ মানুহকো চোৰ বুলি বান্ধিব পাৰে। আৰু লক্ষণীয় কথা এই যে যিসকল ভোটাৰে তেওঁলোকক ভিআইপি কৰায়, ভিআইপি বনি যোৱাৰ পিছত তেওঁলোকক গেটৰ ভিতৰলৈকে সোমাবলৈ দিয়া নহয়। সাধাৰণ ভোটাৰৰ বাবে ভিআইপিসকল তেতিয়া বেলেগ বস্তু হৈ পৰে। আচলতে ভিআইপিসকলক দেশৰ সম্পত্তি বুলি গণ্য কৰা হয়।

ভিআইপি কেবাজাতৰো আছে। যেনে, অতি ডাঙৰ ভিআইপি বা ভিভিআইপি, ডাঙৰ ভিআইপি, মজলীয়া ভিআইপি, সাধাৰণ ভিআইপি আৰু তলখাপৰ ভিআইপি বা তৃণমূল ভিআইপি।

ক'ত ঃ জাত অনুযায়ী তেওঁলোকৰ বাসস্থানো বেলেগ-বেলেগ। অতি ডাঙৰ ভিআইপি বা ভিভিআইপি আৰু ডাঙৰ ভিআইপি সকল প্ৰতিখন দেশ তথা ৰাজ্যৰ ৰাজধানীত থাকে। তেওঁলোকক যাতে সহজতে ঢুকি পোৱা নাযায় তাৰ বাবে ওখ ওখ গড় মাৰি তাৰ ভিতৰত ৰখা হয়। গড়ৰ চাৰিওফালে ২৪ ঘণ্টা চোকা পহৰা দিয়া হয়। আৰু গড়ৰ বাহিৰ ওলালেই আগে-পিছে বন্দুকধাৰী চিপাহীৰ দল লৈহে ওলাব পাৰে। দুধৰ্ষ হত্যাকাৰী, বা ডকাইতক জেলৰ পৰা কাছাৰীলৈ নিলে আগে-পিছে বন্দুকধাৰী পুলিচৰ পহৰাৰ মাজত নিয়াৰ দৰে ভিভিআইপি সকলকো বন্দুকধাৰী চিপাহীৰ দল একোটাই চাৰিওফালে আগুৰি ধৰি লৈ ফুৰে। ডাঙৰ ভিআইপি কিছুমানৰ লগত ক'লা পোছাক পিন্ধা চিপাহীৰ দল একোটা থাকে। ক'লা পোছাক পিন্ধাৰ বাবেই নেকি সিহঁতক ক'লা মেকুৰী (Black Cat) বুলি কয়। সিহঁতে বন্দুকটো হাতত লৈ ভিভিআইপিজনৰ গাৰ কাষে-কাষে এঠালগা দি লাগি থাকে।

মজলীয়া ভিআইপি বা এমভিআইপি সকলক ওখ দেৱালৰ গড়ৰ ভিতৰত নাৰাখিবও পাৰে। অৱশ্যে ভিভিআইপি লৈ প্ৰমোচন হোৱাৰ আশা দেখিলে বা নিজকে ভিভিআইপি বুলি দেখুৱাবলৈ দুই-এজন তেনে ভিআইপি নিজেই গড়ৰ ভিতৰত আশ্ৰয় লয়হি। এই জাতৰ ভিআইপিৰ লগত বন্দুকধাৰী চিপাহীৰ দল নাথাকে। এজন বা দুজন চিপাহীহে থাকে। বজাৰলৈ নিয়া গৰুৰ পিছে পিছে হাতত এছাৰি লৈ গৃহস্থ যোৱাৰ দৰে বন্দুক হাতত লৈ এই জাতৰ ভিআইপিৰ পিছে পিছে চিপাহীসকল গৈ থাকে। এই জাতৰ ভিআইপিক চৰকাৰে একোখন গাড়ী দিয়ে। আৰু কোনো নিগম আদিৰ চেয়াৰমেন বনাই দি সেই নিগমৰ দহা-সকাম পাতি ৰাইজৰ সেৱা কৰাৰ দায়িত্ব দিয়ে। সাধাৰণতে নিৰ্বাচনত পৰাজয় হোৱা বা টিকট নোপোৱা শাসকীয় দলৰ লোকসকল এই শ্ৰেণীৰ ভিআইপিত পৰে।

তেওঁলোকে যিকোনো সময়তেই ভিভিআইপি হোৱাৰ সুবিধা বিচাৰি থাকে। তেনে ভিআইপিসকলে নিজকে ডিচি মানে ডিফিটেড্ কেণ্ডিডেট বুলি চিনাকি দিহে ভাল পায়।

একেবাৰে শেষৰ শ্ৰেণী ভিআইপিসকল হ'ল সাধাৰণ ভিআইপি বা 'self styled VIP'। এই শ্ৰেণীৰ ভিআইপি জকাইচুকৰ পৰা ৰাজধানীলৈ সকলোতে থাকে। এওঁলোকৰ আকৌ দুটা ভাগ। দাদা ভিআইপি আৰু দালাল ভিআইপি। দাদা ভিআইপিসকলে লগত দুই-চাৰিজন চামচা লৈ বুকু ফিন্দাই ঘূৰি ফুৰে। মন গ'লেই মানুহক দম দিয়ে। মান-সন্মান বুলি একো কথা নাই তেওঁলোকৰ। কাৰণ এই জাতৰ ভিআইপি সৰহ সংখ্যকেই অৰ্ধশিক্ষিত। কাম-কাজত জিৰ', সাজ-পোছাকত সাইলাখ চিনেমাৰ হিৰ'। তেওঁলোকক লোকেল দাদা বুলিও কয়। বিহু বা পূজা জাতীয় উৎসৱ আহিলে তেওঁলোক বেছি সক্ৰিয় হৈ পৰে। চান্দাৰ বহী হাতত লৈ চান্দা তোলাত আগ-ভাগ লয়। চান্দাৰ বহী হাতত থকা মানে দম্ দিয়াৰ লাইচেন্স থকা। গতিকে তেনে উৎসৱ পালন কৰাৰ বাবে হোৱা মিটিঙলৈ দল-বল লৈ গৈ বিষয়বাব লোৱাৰ চেষ্টা কৰে। অগত্যা নোৱাৰিলে সদস্য হৈ থাকি হ'লেও চান্দাৰ বহী সৰকাবই। পিছে চান্দাৰ বহী যদি দুটা লয় ঘূৰাই দিব এটাহে। এটা হেৰাব। যিটো বহী জমা দিব তাতো চান্দাৰ ঘৰত কটাকটি হ'ব। তেওঁলোকে লিখা মতে মানুহবোৰে চান্দা নিদিয়া বাবেহে তেনে হোৱা বুলি কৈ চান্দা দিয়া মানুহবোৰৰ সাতপুৰুষ উদ্ধাৰ কৰি বহীটো জমা দিব। এই জাতীয় ভিআইপিসকলক ৰাস্তাৰ কাষৰ ৰোমিঅ' বুলিও কয়। তেওঁলোকে চাহ দোকানত চাহ খালে পইচা খুজিব নোৱাৰিব। খুজিলে ঘোচা খাব লাগিব। তেওঁলোক শাসকীয় দলৰ নেতাৰ আঞ্চলিক দাদা। সেইবাবে যিকোনো কাম কৰাৰ ফ্ৰি লাইচেন্স থাকে। গতিকে তেওঁলোকৰ বিৰুদ্ধে পুলিচৰ ওচৰত একো গোচৰ নাখাটে।

এই জাতৰ ২য় বিধ ভিআইপি হ'ল দালাল ভিআইপি। এই জাতৰ ভিআইপিসকলে নিজকে মন্ত্ৰী-বিধায়কৰ নিজৰ মানুহ বা সোঁহাত বুলি চিনাকি দি গৌৰৱবোধ কৰে। মন্ত্ৰী-বিধায়কৰ ওচৰলৈ তেওঁলোকৰ অবাধ গতি। চকু চৰহাসকলে তেওঁলোকৰ লগত মন্ত্ৰী-বিধায়কৰ কিম্বা ভিতৰুৱা বুজাবুজি থকা বুলিহে কয়। যি হওক, তেওঁলোকে কৰিব নোৱাৰা কাম কিন্তু একো নাই। চাকৰি প্ৰাৰ্থীক চাকৰি দিয়া, সাহায্য প্ৰাৰ্থীক সাহাৰ্য্য, চাকৰিয়ালৰ বদলিকৰণ, বদলি ৰোধকৰণ আদি সকলো কাম তেওঁলোকৰ খুচিমতে কৰি দিব পাৰে বুলি মানুহক বিশ্বাস জন্মাব পাৰে। এই ভিআইপিসকলে উপযাচি সকলো কামত আগ-ভাগ লৈ ফুৰে। আনকি দুই-চাৰিজনক হাত কৰি লৈ সামাজিক অনুষ্ঠানৰ বিষয়বাবো লয়। মানুহক এনে ধাৰণা দিয়ে যেন তেওঁ থকা মানে সেইটো অনুষ্ঠানলৈ হোৱা-হোৰে চৰকাৰী সহায্য, অনুদান আদি আহি থকা। প্ৰকৃততে তেওঁলোকৰ বেছিভাগেই মন্ত্ৰী আৰু স্থানীয় বিধায়কৰ ধন সংগ্ৰহ কৰা 'লোকেল এজেণ্ট'। বিশেষকৈ চাকৰিৰ বজাৰখনৰ মূল

এজেণ্ট হ'ল এই লোকেল দালাল বা লোকেল ভিআইপিসকল। প্ৰতিটো ৰাজনৈতিক দলৰে এনেধৰণৰ লোকেল দাদা থাকে। ৰাজনৈতিক দলটো ক্ষমতালৈ অহাৰ লগে লগে সেই দলৰ দালালসকলো ক্ষমতাবান হৈ পৰে। আৰু ৰাজনৈতিক দলটোৱে ক্ষমতা হেৰুৱাৰ লগে লগে তেওঁলোকেও পাম যোৱা বেলুনটোৰ দৰে হৈ পৰে। এই দালালবোৰৰ মুখবোৰ কিন্তু উকীলৰ মুখতকৈও চোকা। যুক্তি থাকক বা নাথাকক নিজৰ মতটোকে খামোচ মাৰি ধৰি থাকি তাকেই প্ৰতিপন্ন কৰিব বিচাৰে তেওঁলোকে। তেওঁলোকৰ বিশেষত্ব সেইটোৱেই। (though vanquit yet argue) মানে হাৰিলেও হাৰ নামানে।

কিয় বিখ্যাত ঃ ভিআইপিসকলৰ আহাৰ-বিহাৰ, চাল-চলন, আচাৰ-ব্যৱহাৰ, কথনভঙ্গী আদি আন সাধাৰণ প্ৰাণীতকৈ বেলেগ। মাত্ৰ পোছাক যোৰতহে সাধাৰণ প্ৰাণীৰ লগত কিছু মিল থকা দেখা যায়। তেওঁলোকৰ বিশেষত্ব এই যে ভিআইপিৰ চাবটো পিঠিত পৰাৰ লগে লগে আগৰ জীৱনৰ সকলো কথা পাহৰি যায়। সেয়া বোধহয় ভিআইপিৰ চাবটোৰ প্ৰভাৱ। অৱশ্যে তাৰ ভিতৰত দুই-চাৰিজন ব্যতিক্ৰম নথকা নহয়। যাক ভিআইপিৰ চাবটোৱে প্ৰভাৱিত কৰিব নোৱাৰে। কিন্তু তেনে ব্যক্তিসকল যিকোনো সময়তেই ভিআইপিৰ আসনৰ পৰা তুপুককৈ সৰি পৰাৰ সম্ভাৱনা থাকে। কাৰণ ভিআইপিৰ চাবটোৰ ভিতৰলৈ সোমাই গৈ যিমানেই নিজৰ অস্তিত্ব বিলীন কৰি দিব পাৰে সিমানেই আসনখন গজ্‌গজীয়া হৈ পৰে। আৰু ধন-জনে শ্ৰীলক্ষ্মী-নাৰায়ণে জয়জয়-ময়ময় হয়। সাত পুৰুষলৈ বহি খাব পৰাকৈ ভঁৰালত লক্ষ্মী বাহ লয়।

ভিআইপিসকলক দেশৰ সাধাৰণ জনসাধাৰণৰ কাৰণে প্ৰৱৰ্তিত আইনে চুব নোৱাৰে। তেওঁলোক চেং মাছৰ দৰে। বোকাৰ মাজতে লেতি লৈ থাকে। বোকাতেই মূৰটো সোমাই লুকায় অথচ গাত বোকা নালাগে। তেওঁলোকে যি কৰে সেয়ে নিয়ম, যি কয় সেয়ে আইন। তেওঁলোকে যি কৰে সেয়া দেশসেৱা। আনে কৰিলে দেশদ্ৰোহ। তেওঁলোকে চুৰ কৰিলেও দেশৰ কাৰণে কৰা, মানে দেশ সেৱা। আৰু আনে কৰিলে কিন্তু চোৰ কৰা। মানে, 'হাতী চোৰ কৰি যায়, পিছে পিছে বেঙেনা চোৰক ধৰে'ৰ দৰে কথা। তেওঁলোকে নিৰ্বাচনী সূত্ৰে দেশসেৱাৰ একচনীয়া পট্টা পায়। তাকেই কিছুমানে ম্যাদী পট্টা কৰাৰ বাবে দেশৰ অস্থাৱৰ সম্পত্তিসমূহ বিক্ৰী কৰা আৰম্ভ কৰে।

ভিআইপিসকলৰ গুণানুকীৰ্তন কৰাৰ বাবে এটা চৰকাৰী ওজা-পালিৰ দল থাকে। ভিআইপিসকলৰ বন্দনা গোৱাটোৱেই এই দলটোৰ কাম। তেওঁলোকৰ বন্দনা শুনি সকলোৱে 'সাধু-সাধু' কৰিব লাগিব। তাকে নকৰি অদৃশ্য কাপোৰ পিন্ধা ৰজাক নাঙঠ বুলি ক'লেই ধৰি-বান্ধি পোতাশালত পেলাই থয়। সেই ভয়তে কম ধতুৱাসকলে বন্দনা গোৱা ওজাপালিৰ বন্দনাত সাধুবাদ দিয়েই ক্ষান্ত নাথাকি তেওঁলোকৰ লগত সুৰ মিলাই

জপিয়াই থাকে। আৰু সেই বন্দনাত বিভোৰ হৈ ভিআইপিসকলে সপোন ৰাজ্যত বিচৰণ কৰি ফুৰে। তাৰ বাহিৰে আন একো নুশুনা হৈ পৰে, একো নেদেখা হৈ পৰে তেওঁলোক।

ভিআইপিসকলে সাধাৰণ মানুহৰ দুখ-দুৰ্গতি প্ৰত্যক্ষ কৰিবলৈ ভাল নাপায়। সেইকাৰণে তেওঁলোকৰ গাড়ীত ৰঙীন আইনা লগাই লয়। সাধাৰণ মানুহ যেনি-তেনি যাব পাৰে, ৰাস্তাৰ কোনো প্ৰয়োজন নাই। ৰাস্তাবোৰ ভিআইপিৰ বাবেহে। তথাপিও ভিআইপিৰ দৰ্কাৰ নোহোৱা সময়খিনিত ইচ্ছা কৰিলে সাধাৰণ মানুহে ৰাস্তা ব্যৱহাৰ কৰিব পাৰে। কিন্তু তেওঁলোকৰ দৰ্কাৰ হ'লেই সাধাৰণ মানুহৰ বাবে ৰাস্তা বন্ধ কৰি দিয়া হয়। সেই সময়ত মেডিকেললৈ নিব অনা বেমাৰী বাটতে মৰিব পাৰে। পৰীক্ষাৰ্থী পৰীক্ষা দিবলৈ যাব নোৱাৰিব পাৰে, চাকৰিপ্ৰাৰ্থী সময়মতে সাক্ষাৎকাৰত উপস্থিত হ'ব নোৱাৰিব পাৰে। গতিকে ঘৰৰপৰা ওলাওঁতেই নামঘৰত সেৱা কৰি ওলাব লাগে যাতে সেই সময়ত ৰাস্তাত ভিআইপি নোলায়।

ভিআইপিসকল বাহিৰলৈ গ'লে আগে-পিছে কিমানখন গাড়ী যায়, তেওঁলোকক আগুৰি কিমান বন্দুকধাৰী চিপাহী যায় তাৰপৰাই ভিআইপিজন কিমান ডাঙৰ নিৰ্ণয় কৰিব পাৰি। ভিআইপিকসকলক চিকিৎসা কৰিব পৰা ডাক্তৰ বোধহয় দেশত নাই। সেইকাৰণে তেওঁলোকৰ পানী-লগা জ্বৰ হ'লেও চিকিৎসাৰ বাবে দেশৰ বাহিৰলৈ যায়।

সামৰণি ঃ সামৰণিত কওঁ যে ভিআইপি নামৰ প্ৰজাতিটোৰ সংখ্যা দিনক দিনে বাঢ়ি আহিব ধৰিছে। গতিকে যিমান সোনকালে পাৰি চৰকাৰৰ পৰিয়াল পৰিকল্পনা বিভাগৰ দৰে ভিআইপি নিয়ন্ত্ৰণ বিভাগ এটাও খোলাৰ ব্যৱস্থা কৰা ভাল। ❑❑

[১৯৯৯ চনৰ জুন সংখ্যা 'অবিকল'ত প্ৰকাশিত]

সঙ্গদোষ

আজিৰ তাৰিখত গুৱাহাটী মহানগৰীৰ অলিয়ে-গলিয়ে যিমানখন চাহৰ দোকান আছে তাৰ দুগুণ আছে বিলাতী মদৰ দোকান আৰু বাৰ। অকল গুৱাহাটী মহানগৰীতেই নহয় অসমৰ চুকে-কোণে মদৰ দোকানে শোভাবৰ্দ্ধন কৰি আছে। মানে কোনোবা এঠাইত চাহৰ দোকান নাথাকিব পাৰে কিন্তু মদৰ দোকান পাবই। কবিৰ ভাষাত ক'বলৈ হ'লে- সোঁফালে মদৰ দোকান, বাওঁফালে মদৰ দোকান, সন্মুখত মদৰ দোকান, পিচফালে মদৰ দোকান, ওপৰত মদৰ দোকান, তলত মদৰ দোকান।

গতিকে এতিয়া অসমত বিশুদ্ধ খোৱাপানীৰ অভাৱ হ'ব পাৰে, কিন্তু বিলাতী মদৰ অভাৱ নহয়। কেঁচুৱা এটি জন্মি খোজ দিব পৰা হ'লে পদূলিমুখলৈ আহিয়েই প্ৰথমে মদৰ দোকানহে দেখা পায়। গতিকে পিয়াহ লাগিলে পানীৰ সলনি সহজতে পোৱা বাবে মদকেই খাব পাৰে। আৰু ডাঙৰ হোৱাৰ লগে লগে সেইসকল হৈ পৰে একোজন দগধা মদাপী। সেয়েহে আজিকালি মদ নোখোৱা মানুহ নাই বুলিলেই হয়। যি দুই-এজন আছে তেওঁলোকক Out dated বুলি ধৰা হয়। কাৰণ মদ হ'ল আধুনিকতাৰ চিন, Status Symbol. গতিকে মদ নোখোৱা মানুহৰ আধুনিক পৃথিৱীত প্ৰৱেশ নিষেধ। আজিকালি

যিমান বেছি মদ খাব পাৰে সিমানেই মডাৰ্ণ আৰু মদ খাই যিমান বেছি অবাইচ মাত মাতিব পাৰে সিমানেই বেছি মডাৰ্ণ বুলি ভবা হয়। সেই কাৰণে আজি দেশত বিলাতী-দেশী মদ উভৈনদী।

আজি-কালি বিয়া-সবাহৰ পৰা বিহু, দুৰ্গা পূজা আনকি সৰস্বতী পূজালৈ সকলোতে মদ অপৰিহাৰ্য্য। মদ নহ'লে যেন তেনে কোনো অনুষ্ঠানেই নহয়। আনকি গৃহস্থৰ ঘৰতো মদে জলপানৰ স্থান অধিকাৰ কৰিছে। আজিকালি আধুনিক সমাজৰ গৃহস্থই আলহীক মদেৰেহে আপ্যায়ন কৰিব লাগে। বন্ধু এজনে তেনে এটি ঘটনাৰ কথা কৈছিল। কেইবছৰমান আগতে দুজন জনজাতীয় বুঢ়াই কইনা চাবলৈ গৈছিল। তেওঁলোকে আশা কৰিছিল কইনাৰ ঘৰত ভাল মদেৰে আপ্যায়ন কৰিব। তাৰ সলনি চাহ, লুচি-ভাজি খুৱাই যেতিয়া বিদায় দিলে দুই বুঢ়াৰ খং। বোলে ইহঁত ভদ্ৰলোক হ'ল! লুচি-ভাজি খুৱায়। চাহ খুৱায়। ইহঁতৰ ঘৰত কোনে বিয়া কৰায়? কইনা কেন্‌চেল। ঠিক তেনেকৈ দগধা মদাপী এজনক যদি হঠাৎ মদ এৰিবলৈ কোৱা হয়? পাৰিবনে এৰিব?

কিন্তু সেইটোৱেই হৈছে। সেই লৈয়েই ধৰ্ম-সংকটত পৰিছে কালু ওৰফে কলেশ্বৰ দাস। কি কৰিব একো ঠিক কৰিব পৰা নাই। এফালে প্ৰিয় মদ আৰু আনফালে ন-কইনা। কাক ধৰে কাক এৰে! মাক-দেউতাকে পছন্দ কৰি মদৰ গোন্ধ সহ্য কৰিব নোৱাৰা Out dated ছোৱালী এজনী বিয়া কৰাই দিলে। কি কৰে এতিয়া! ফুলশয্যাৰ ৰাতিৰ পৰাই আৰম্ভ হৈছে গণ্ডগোলটো। কলেশ্বৰৰ মুখৰ গোন্ধ পাই ন-কইনা নাৰাজ। আচলেৰে নাকত সোপা দি সুধিলে— "কিনো খাই আহিছা, মুখখন বৰ গোন্ধাইছে।"

ন-কইনাৰ কথা শুনি খংটো উজাই আহিছিলেই তাৰ। প্ৰত্যেক বস্তুতে একোটা নিজা নিজা গোন্ধ থাকে। সেইবুলি মৰাশৰ গোন্ধ পোৱাৰ দৰে নাক কোঁচাব লাগেনে? ইস্ একেবাৰে জমিদাৰৰ জীয়েক! গম পাবি ৰহ্ দুদিনমান যাওঁক। খংটো দমাই ক'লে —

"নাই, একো নহয়হে। ফুৰ্টি পানী খাইছিলো অলপ ফুলশয্যাৰ নিশা বুলি।"

"গোন্ধটো ভাল নহয়। বমি হ'ব খোজে। নাখালে নহয়নে বস্তুটো?"

কলেশ্বৰে ভাবিলে, খালেহে গম পালাহেঁতেন মই কি বস্তু খাইছো। নাখালে বমি হ'ব খুজিবই।

"ঠিক আছে, ঠিক আছে। তুমি বেয়া পইছা যদি আজিৰ পৰা নাখাওঁ বাৰু।" কথাখিনি এনে সুৰত ক'লে যেন মদ এৰাটো তৰ বাবে একো কথাই নহয়।

কিন্তু ৰাতি কোৱা কথা দিনলৈ মনত ৰাখি থোৱাৰ অভ্যাস নাই কলেশ্বৰৰ। তাতে

আকৌ মদৰ নিচাত কোৱা কথা হ'লেতো কথাই নাই। গতিকে পিচদিনাও খাই-বৈ ঢলং-পলংকৈ ঘৰ সোমাল। ন-কইনাই বোলে— "কি হ'ল, নাখাওঁ বুলি কৈ আকৌ খাই আহিছা যে!"

কলেশ্বৰে বোলে— "এ হয় নেকি? নাখাওঁ বুলি কৈছিলো নেকি? পাহৰিয়েই গ'লো নহয়। ঠিক আছে। আজিৰ পৰা নাখাওঁ। তোমাৰ শপত। নাখাওঁ বুলিছো নাখাওঁ আজিৰ পৰা।"

পিচে শপত শপত হৈয়েই থাকিল। পিচদিনাও ভৰি পাক খুৱাই খুৱাই কোনোমতে ঘৰ সোমাল কলেশ্বৰ। তাকে দেখি ন-কইনাৰ খং ১০০ ডিগ্ৰীলৈ উঠিল।

"হে-ৰা! তুমি তাৰমানে সেইটুপি এৰিব নোৱাৰা? এৰিব যদি নোৱাৰাই মিছাতে শপত খাইছিলা কিয়?"

হুৰ্‌হুৰাই উঠিল কলেশ্বৰ— "কোনে কৈছে এৰিব নোৱাৰো বুলি। পাৰিম, আলবৎ পাৰিম।"

"পাৰিবা নহয়? তাচ্ছিল্যৰ সুৰত ক'লে ন-কইনাই।

"সদায় দেখোন শপত খায়েই আছা। পিচে এৰিলানো ক'ত? ঠিক আছে, নালাগে মদ এৰিব। মোতকৈ যদি সেইটুপি বেছি প্ৰিয় তাকেই খাই থাকা। যিমান পাৰা খাই থাকা।" শেষলৈ কান্দোনত ভাঙি পৰিল ন-কইনা।

ন-কইনাৰ কান্দোন দেখি কলেশ্বৰৰ নিচা কমি গ'ল। মাতটো যিমান পাৰে কোমল কৰি মৰম লগাকৈ ক'লে—

"নাকান্দিবাচোন। শুনা। বুজনিৰ সুৰত ক'বলৈ ধৰিলে কলেশ্বৰে— এইবোৰ হ'ল নিচাৰ বস্তু। ইয়াক এৰো বুলিলেই এৰিব নোৱাৰি নহয়। লাহে লাহে কমাই আনিব লাগিব। আজি মই বেছিকৈ খোৱা নাই নহয়। কমকৈ খাইছো। সদায় অলপ অলপকৈ কমাই কমাই....." —জিভা ঘূৰিব নোখোজে, তথাপি কোনোমতে ন-কইনাক বুজাবৰ চেষ্টা কৰিলে যে তেওঁ লাহে লাহে সেইটুপি এৰাৰ চেষ্টা কৰিছে।

এদিন দুদিনকৈ এমাহ পাৰ হ'ল। কলেশ্বৰৰ মুখৰ পৰা কিন্তু মদৰ গোন্ধ নগ'ল। ন-কইনাই কিবা ক'ব খুজিলে সি ওলোটাই বুজায়। উপায় নাপাই ন-কইনাইও সহ্য কৰি আছিল। কিন্তু সিদিনা ন-কইনাৰো সহ্যৰ বান্ধ ছিগি গ'ল যেতিয়া ৰাতি ১২ বজাৰ পিছত ঢলং-পলংকৈ আহি কলেশ্বৰ ঘৰ সোমাল আৰু গোবৰ ফেনেকি অহা চেগুলেৰেই বিছনাত দীঘল দি পৰিল।

কলেশ্বৰৰ অৱস্থা দেখি ন-কইনাৰ গাত যেন ভূতেহে লম্ভিলে। ঠক্ ঠক্কৈ কঁপিব ধৰিলে। কঁপি কঁপি বিছনাত বহি পৰিল। ক্ষন্তেক পিচতেই ৰুদ্ৰমূৰ্তি ধৰি থিয় হ'ল। একো কৰিব নোৱাৰাৰ দুখত নিজৰ চুলি ছিঙিলে। তাৰ পিচত কান্দি কান্দি বিছনাত বহি পৰিল। ইপিনে নিৰ্বিকাৰভাৱে বিছনাত শুই শুই বমি কৰিব ধৰিলে কলেশ্বৰে। বিছনাই-মজিয়াই বমি। গোটেই কোঠাটোত বমিৰ গোন্ধ। শেষত নাকৰ পানী চকুৰ পানী একাকাৰ কৰি গৰজি উঠিল ন-কইনা— "আজি আকৌ বেছিকৈ খাই আহিছা নহয় সেইসোপা। এই গোন্ধত মানুহ থাকিব পাৰেনে! ঠিক আছে। খাই থাকা। আজিৰ পৰা আৰু একো নকওঁ। কালিয়েই গুচি যাম মই মাহঁতৰ ঘৰলৈ, যিমান খুচি খাই থাকিব পাৰিবা।"

ন-কইনাৰ গোজৰণি পাই কলেশ্বৰৰ নিচা ফাটিল। হাতৰ তলুৱাৰে মুখখন মচি বিছনাৰ পৰা উঠাৰ চেষ্টা কৰিও উঠিব নোৱাৰি শোৱাৰ পৰাই ক'লে— "হে-ৰা, মই দেখোন মদ এৰিছিলোৱেই। আজি.....মানে..... সঙ্গদোষত পৰিহে খাবলগীয়া হ'ল। মই খাওঁ বুলি খোৱা নাই নহয়।" জিভা নুঘুৰে, তথাপি বুজনিৰ সুৰত কৈ থাকিল— "মানে কি জানা, মাল এটা কিনিছিলো। বোলো বন্ধু দুজনমানৰ লগত লগ হৈ অলপ অলপ খাওঁ, ভাল লাগিব। দুজনক লগ ধৰিলো, চাল্লা কোনেও নাখায়। সময় নাই হেনো। চাল্লা মফতত পালেও নাখয়। সব ভকত হ'ল। কি কৰো! চাল্লা অকলেই খাবলগীয়া হ'ল নহয়। সেই কাৰণে অলপ বেছি হ'ল। কিন্তু মোৰ নিচা হোৱা নাই। একদম্ নিচা হোৱা নাই।"

"নিচা হোৱা নাই?" ন-কইনাই মুখতে ধৰিলে— "নিচা হোৱা নাই! বমি কৰি যে ভহাই দিলা কোনে চাফা কৰিব! মই নোৱাৰো।"

"ঠিক আছে নাখাওঁ। সঁচাকৈ কৈছো। নাখাওঁ। আজিৰ পৰা নাখাওঁ। মদৰ দোকানবোৰ বন্ধ হৈ যাওক। ডাঙৰ মানুহে খায় বাবেহে খাইছিলো। নাখাওঁ। চৰকাৰে দিয়া দোকান। চৰকাৰৰ লাভ হওক বুলিহে খাইছিলো। নাখাওঁ। দেউলীয়া হওক চৰকাৰ। আজিৰ পৰা নাখাওঁ। মইও ভকত হ'লো।"

"অ, ভকত হৈছা?" লাজ-মান এৰি চিঞৰি চিঞৰি ক'লে ন-কইনাই— "ককাইদেউও পুথি পঢ়া ভকত নহয়। সব একে। চাই আহাচোন, বাৰান্দাত পৰি থকা তোমাৰ ককাইদেউৰো কুকুৰে মুখ চেলেকি আছে। আৰু তুমি ভকত হৈ মদ এৰিবা!"

হুমুনিয়াহ কাঢ়ি কলেশ্বৰে ক'লে, "হে-ৰা, মদ মই এৰিছোহে। মদেহে মোক এৰা নাই! কি কৰিম?" ▢▢

[হাস্যব্যঙ্গ আলোচনী 'গিৰজনি'ত প্ৰকাশিত]

গেজেট বৰুৱাৰ

খোলোকেটিৰ তাল

(ভাগ - ২)

('গেজেট বৰুৱাৰ গুজব' — নামৰ কলমত
'নতুন দৈনিক' নামৰ দৈনিক কাকতখনত
২০০৪ চনৰ জুলাই মাহৰ পৰা ধাৰাবাহিকভাৱে প্ৰকাশিত)

ম'বাইল = মূৰ বৈল

ডাঙৰ কবিৰ মনপৰশা কবিতাৰ পংক্তি বিচাৰি বিচাৰি প্ৰেমিকলৈ নীলা খামৰ চিঠি লিখাৰ দিন কেতিয়াবাই উকলিল। এতিয়া ম'বাইলৰ যুগ। ম'বাইল এট হাতত নথকা মানে যে এই যুগৰ মানুহেই নহয়। এতিয়াৰ মানুহৰ চৰুত বহাবলৈ চাউল নাথাকিব পাৰে কিন্তু হাতত ম'বাইল ফোন এটা থাকিবই লাগিব। হাতত ম'বাইল ফোন নথকা মানে ষ্টেটাছ থাকিল ক'ত? কাৰণ এতিয়া যেন ম'বাইল ফোনটোহে ষ্টেটাছ ছিম্বল। যাৰ হাতত ম'বাইল ফোন নাই তেওঁৰ যেন একোৱেই নাই। আগতে কথা এষাৰ আছিল বোলে 'যাৰ নাই গৰু সি সবাতোকৈ সৰু।' এতিয়া সেই কথাষাৰ সলনি হৈছে। এতিয়া সেই কথাষাৰ এনেকুৱাহে হৈছে— 'যাৰ হাতত নাই ম'বাইল ফোন, তাক মানুহ বুলি পুচে কোন।'

গুৱাহাটীৰ ফুটপাথত প্ৰায়ে দেখা যায় কিছুমান মানুহে এখন কাণত ধৰি খোজকাঢ়ি গৈ আছে। এটা সময়ত আলফাই যে ৰাস্তাই-ঘাটে মানুহক কাণত ধৰাই থৈছিল দৃশ্যটো দেখিলে চাৎকৈ সেই কথাটো মনত পৰি যায়। এতিয়া আলফাই দুখন কাণত নধৰি এখন কাণত ধৰি খোজকঢ়াইছে নেকি বুলি ভালকৈ লক্ষ্য কৰিলেহে ধৰিব পাৰি আচলতে কাণত ধৰা নাই কাণত ম'বাইল ফোনটো ধৰিহে কথা পাতি পাতি ফুটপাথেৰে গৈ আছে। আকৌ য'তে-ত'তে দেখিব ৰাস্তাৰ ওপৰত বাইক ৰাখি কাণত ধৰি বাইকৰ ওপৰত বহি আছে। ভালকৈ চালেহে গম পায় কাণত ধৰি থকা নাই কাণত ম'বাইল ফোনহে ধৰি আছে। একেই দৃশ্য প্ৰত্যক্ষ কৰা যায় গুৱাহাটীৰ ৰাস্তাত বিৰ দি বাট নোপোৱাকৈ চলোৱা সৰু-বৰ গাড়ী চালকসকলৰ ক্ষেত্ৰতো। যেন এখন কাণত ধৰিহে গাড়ী চলাই আছে গাড়ী চলোৱাত কিবা গণ্ডগোল কৰাৰ শাস্তি হিচাপে। পিছে নহয়, তেওঁলোকেও কাণত ম'বাইল ফোনহে ধৰি গৈছে। স্কুল-কলেজৰ বাৰাণ্ডাতো দূৰৰ পৰা দেখা যায় কিছুমান ছাত্ৰ-ছাত্ৰীয়ে শাৰী পাতি কাণত ধৰি থিয় হৈ আছে। প্ৰথমতে ভাব হয় যেন কিবা দোষৰ শাস্তি হিচাপেহে বাৰাণ্ডাত কাণত ধৰাই থিয় কৰাই থৈছে। পিছে সেয়াও ম'বাইল ফোনৰে বাহাদুৰি।

ম'বাইল ফোনে আজিকালি মানুহৰ আদব-কায়দাই সলনি কৰি দিছে। যেনে ধৰক, চিটি বাছত উঠি মানুহক দেখুৱাই ম'বাইল ফোনটোৰ বুটাম টিপি থকাটো যেন ঢঙত পৰিণত হৈছে। তেনেকৈ বুটাম টিপি থকাৰ সময়তে যদি ফোনটো বাজি উঠিল তেতিয়াতো

কথাই নাই হোৱাই-নোহোৱাই অলপ কথা ক'ব পাৰিলে বুকুখন এফুটমান ওখ হৈ উঠে। এই ধৰক বন্ধুৰ ঘৰত বহি দুই বন্ধুই কথা পাতি আছে। এনেতে বাজিল নহয় পকেটত থকা ম'বাইলটো। এক মিনিট বুলি কৈ বন্ধুৰ লগত কথা সামৰি আধাঘণ্টা ম'বাইলত কথা পাতিব। ইতিমধ্যে বন্ধুৰ লগতপাতি থকা কথাবো আঁত হেৰাল। আৰু খপজপকৈ ম'বাইল সামৰি বন্ধুৱে বিশেষ কাম আছে বুলি কৈ বন্ধুৰ ঘৰৰ পৰা ওলাই লৰ মাৰিব।

প্ৰেমিক-প্ৰেমিকাৰ ক্ষেত্ৰত আকৌ হাতঘড়ীটোৰ দৰে ম'বাইল ফোনটোও অতি দৰকাৰী বস্তু। ডেটিঙৰ সময় চাবলৈ যেনেকৈ হাতঘড়ীটোৰ প্ৰয়োজন তেনেকৈ ডেটিঙৰ স্থান আৰু সময় নিৰ্ধাৰণ কৰিবলৈ ম'বাইল ফোনটোৰ প্ৰয়োজন। তাতকৈও বেছি প্ৰয়োজন লুকাই-চুৰকৈ প্ৰেমিকৰ লগত কথা পাতিবলৈ। গতিকে...

এদিন গধূলি ঘৈণীয়েকে গিৰিয়েকক ক'লে— হেৰি এটা কথা হ'ল নহয়।

ঃ কি কথা?

ঃ আমাৰতো ম'বাইল ফোন নাই।

ঃ আমাকনো ম'বাইল ফোনৰ কি দৰকাৰ?

ঃ নহয় বুইছে, আমাকো এটা ম'বাইল ফোন লাগে।

ঃ তোমাকনো হঠাৎ ম'বাইল ফোনৰ দৰকাৰ হ'ল কিয়?

ঃ মোৰ কাৰণে নহয়, আপোনাৰ কাৰণেহে দৰকাৰ হৈছে।

ঃ কিয়?

ঃ অফিচ ছুটীৰ পাছত ৰাতিলৈকে ক'ত থাকে জানিবলৈ আকৌ। □□

সাহসিকতাৰ পুৰস্কাৰ

আজি কেইবছৰমানৰ পৰা অসমখন একেবাৰে উতলি আছে। বাতৰি কাকত মেলিলেই মাথো বোমা ফুটাৰ খবৰ। বোমা ফুটি মৰা মানুহৰ ছবি। আজি বোলে ধেমাজিত বোমা ফুটি বহুত মানুহ মৰিল, কালি বোলে গহপুৰত বোমা ফুটিল। পিচদিনা পাইপ লাইন বোমাৰে উৰাই দিলে। নলবাৰী টাউনত ফুটিল, গণেশগুৰিৰ বজাৰত ফুটিল, ফাঁচী বজাৰত ফুটিল, পল্টন বজাৰত ফুটিল, বেলতলা বজাৰত ফুটিল। মুঠতে প্ৰতিদিনে দুই-তিনি ঠাইত বোমা ফুটাৰ খবৰ, মৰা মানুহৰ ছবি। সেইবোৰ দেখি-শুনি মৃত্যুভয়ত কম্পমান মানুহবোৰ।

সেইদিনা খবৰ ওলাল বোলে দুৰ্ধৰ্ষ উগ্ৰপন্থী কেইজনমান গুৱাহাটীত সোমাইছে। তেওঁলোকে কূটাঘাটমূলক কাৰ্য কৰাৰ আশংকা কৰি পুলিচ চকীসমূহক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিছে ওপৰৰ পৰা। ৰাজধানী দিছপুৰতো পুলিচৰ পহৰা কটকটীয়া কৰা হৈছে। বাতৰি-কাকতত খবৰটো ওলাবলৈহে পালে। বচ্, তাৰ পিছত আৰু বাতৰি কাকতৰ প্ৰয়োজন নোহোৱা হৈ পৰিল। গুৱাহাটীৰ প্ৰতিজন মানুহ একোখন বাতৰি-কাকত হৈ গ'ল। আড্ডা, চাহৰ দোকান, অফিচ-কাছাৰী সকলোতে এটাই আলোচনা— গুৱাহাটীত আকৌ বোম ফুটিব। ছাৰখাৰ হৈ যাব গুৱাহাটী। অ'ভাৰব্ৰীজ, ফ্লাইঅ'ভাৰ, ৰেডিঅ' চেণ্টাৰ, টিভি চেণ্টাৰ উৰি যাব একেদিনাই। ইজনে বোলে কালি-পৰহিৰ ভিতৰত কেইবাঠাইতো বোমা ফুটিব একেলগে। সিজনে বোলে ৰে'লৱে ষ্টেচন, আদাবাৰী বাছ ষ্টেচন, চিটিবাছ ষ্টপেজ আদিত দুই-এদিনৰ ভিতৰতে বোমা ফুটিব একেদিনাই একে সময়তে। পাক্কা খবৰ।

গতিকে বোমাতংকত কম্পমান গুৱাহাটীয়াসকল। স্কুল-কলেজ, অফিচ-কাছাৰী বাদ দি ঘৰতে বহি থাকিবৰ মন মানুহবোৰৰ। বাহিৰলৈ ওলালেই যেন আৰু ঘৰলৈ, পৰিয়ালৰ ওচৰলৈ ঘূৰি আহিব নোৱাৰিব। অগত্যা নগ'লে নহয় কাৰণে ওলাই গৈছে যদিও জীৱটো যেন হাতত লৈহে ফুৰিছে। চাৰিওফালে ভয়াৰ্ত দৃষ্টি দি একপ্ৰকাৰ দৌৰাৰ দৰে গৈছে আৰু ঘূৰি আহিছে। ক'ৰবাত ডাঙৰ কাগজৰ নুৰা এটা দেখিলেও তিনিজাপ মাৰি প্ৰাণ টাকি দৌৰ। কাৰো পিনে চাবলৈ আহৰি নাই কাৰো। প্ৰত্যেকে নিজৰ প্ৰাণটো লৈ ব্যস্ত। বজাৰ কৰিব লগা হ'লে ওচৰত যিহকে পাইছে থাপতে কিনি লৈ দৌৰিছে ঘৰলৈ বুলি।

এনে পৰিস্থিতিত ফাঁচীবজাৰ হেন জনবহুল ঠাইলৈ বজাৰ কৰিবলৈ যোৱাৰ সাহস

কৰিব পাৰেনে কোনোবাই! য'ত প্ৰতি মুহূৰ্ততে বোমা ফুটাৰ ভয়। আৰু যদি কোনোবাই যায় তাক সাহস বুলিব, দুঃসাহস বুলিব নে মৰসাহ বুলিব? সেইবোৰ জনাৰ পিছ্কতো কিন্তু বৰুৱা ঘৰত নথকাৰ সুযোগত ফাঁচীবজাৰলৈ গ'ল বৰুৱাৰ পৰিবাৰ।

বৰুৱা এইকেইদিন অফিচৰ পৰা চিধা ঘৰলৈ আহে। আগৰ দৰে বজাৰত সোমাই নাহে। চিনাকি দোকানত আড্ডা মাৰি বহি নাথাকে। ফেৰীৱালাৰ পৰা ঘৰতে পাচলি কিনা কৰিছে এইকেইদিন। পৰিবাৰকো ঘৰৰ পৰা কেইদিনমান ওলাবলৈ মানা কৰিছিল। কিন্তু যেতিয়া ঘৰ পাই দেখে পৰিবাৰ ঘৰত নাই জীৱ উৰি গ'ল বৰুৱাৰ— ক'লৈ গ'ল ভাবি-চিন্তি বাহিৰৰ চকী এখনতে বহি পৰিল বৰুৱা। এনেতে দেখিলে দুহাতত পাৰে মানে সৰু-ডাঙৰ পলিথিনৰ বেগ ওলোমাই লৈ হাঁহি হাঁহি পদুলিমুখত বৰুৱানী। বৰুৱাৰ চকু কপালত উঠিল। লগে লগে পোনপটীয়া প্ৰশ্ন—

"ক'লৈনো গৈছিলাহে?"

"ফাঁচী বজাৰলৈ আকৌ।" ভিতৰলৈ গৈ থাকিয়েই ক'লে বৰুৱানীয়ে।

"ফাঁচী বজাৰলৈ?" চুম্বকে টনাদি বৰুৱানীৰ পিচে পিচে ঘৰলৈ টানি লৈ গ'ল বৰুৱাক।

"কি কোৱাহে? ঘটনাবোৰ শুনা নাই নেকি?"

"শুনিছো। সেই কাৰণেইতো গৈছিলো।" বৰুৱানীয়ে গৰ্বেৰে ক'লে, "মানুহ বৰ সেৰেঙা। আৰামত বজাৰ কৰিলো বুজিছে?"

বুকুখন চিৰিংকৈ গ'ল বৰুৱাৰ। বজাৰ কৰিলে মানে? মানুহজনী যেনিবা ভালে ভালে ঘৰ পালে, কিন্তু ঘৰৰ জমা পইচাবোৰ জানো ফাঁচীবজাৰত থৈ নাহিল।

বৰুৱাই বোলে, "তুমি বৰ দুঃসাহসিক কাম কৰিলাহে। কেতিয়া, ক'ত বোমা ফুটি কোন মৰে ঠিকনা নাই। মানুহে ঘৰৰ পৰা ওলাবলৈ ভয় কৰা হৈছে। এই পৰিস্থিতিত তুমি এই সময়ত ফাঁচীবজাৰলৈ গৈ বজাৰ কৰিব পৰাটো কম সাহসৰ কথা নহয় কিন্তু। চৰকাৰে গম পালে এই দুঃসাহসিক কামৰ বাবে তোমাক সাহসিকতাৰ পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰিবই। আৰু কাকতত বিবৃতি দি ক'ব বোলে গুৱাহাটীৰ আইন-শৃংখলা একেবাৰে স্বাভাৱিক। কাৰণ মহিলাসকলে অকলে অকলে নিৰ্ভয়ে ফাঁচীবজাৰত বজাৰ কৰি ঘূৰি ফুৰিছে।

ফেঁট তুলি উঠিল বৰুৱানী— "হে-ৰি, পেংলাই কৰি নাথাকিবচোন।"

"সকলো মানুহ আপোনাৰ দৰে ভয়াতুৰ বুলি ভাবিছে নেকি? ভালেই হ'ব দিয়ক। জীয়াই থাকিলেতো পুৰস্কাৰ নিদিয়ে। মৰিলেহে দিয়ে মই মৰিলে আপোনাৰেই লাভ হ'ব। পুৰস্কাৰো পাব, টকাও পাব।" ❑❑

হৃদৰোগ হোৱাৰ কাৰণ

সমগ্ৰ বিশ্বত হৃদৰোগীৰ সংখ্যা দিনক দিনে অভাৱনীয়ভাৱে বাঢ়ি গৈ আছে বুলি চিকিৎসা বিজ্ঞানীসকলে মত পোষণ কৰিছে। এক সমীক্ষাত প্ৰকাশ যে সমগ্ৰ বিশ্বত মৃত্যু হোৱা লোকৰ ভিতৰত শতকৰা ৯৫ শতাংশই হৃদৰোগী। এইটো নিঃসন্দেহে উদ্বেগৰ বিষয়। গতিকে বিশ্ব স্বাস্থ্য সংস্থাই হৃদৰোগ হোৱাৰ কাৰণ বিশ্লেষণ আৰু ইয়াৰ প্ৰতিৰোধৰ উপায় উদ্ভাৱন কৰাৰ বাবে গৱেষণা আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

আনহাতে আজি কিছুদিনৰ পৰা অসমত বিশেষকৈ গুৱাহাটী মহানগৰীত হৃদৰোগীৰ সংখ্যা হঠাৎ বাঢ়ি যোৱা দেখি অসমৰ চিকিৎসা বিজ্ঞানীসকল আচৰিত হ'ল আৰু ইয়াৰ কাৰণ জানিবলৈ ব্যস্ত হৈ পৰিল। সেয়েহে হঠাৎ হৃদৰোগীৰ সংখ্যা কিয় বাঢ়িল সেই সম্পৰ্কে মতামত সংগ্ৰহ আৰু ইয়াৰ প্ৰতিৰোধৰ উপায় উদ্ভাৱন কৰাৰ বাবে বিশেষজ্ঞসকলৰ মাজত এখন আলোচনা চক্ৰৰ আয়োজন কৰা হ'ল। অসমৰ চিকিৎসা মহাবিদ্যালয় কেইখনৰ বিশেষজ্ঞসকলৰ উপৰিও বুদ্ধিজীৱি কিছুমানকো উক্ত আলোচনা চক্ৰলৈ নিমন্ত্ৰণ কৰা হ'ল। যথা সময়ত আলোচনা চক্ৰ আৰম্ভ হ'ল। আলোচনা আৰম্ভ কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হৃদৰোগ বিশেষজ্ঞ মিঃ অবিনাশে কয় যে কিছুদিনৰ পৰা গুৱাহাটীত হৃদৰোগীৰ সংখ্যা ইমান বাঢ়িছে যে চৰকাৰী হস্পিটেলৰ উপৰিও গুৱাহাটীৰ নাৰ্ছিং হোমবিলাকৰো ভিতৰে-বাহিৰে হৃদৰোগীৰে ভৰি পৰিছে। নাৰ্ছিং হোমবিলাকৰ ফোনৰ উৎপাতত ৰ'ব নোৱাৰি ম'বাইলৰ চুইচ বন্ধ কৰি থবলগীয়া হৈছে। খাবলৈ-শুবলৈ সময় নাই। মাথো ৰোগী চাইছো ইটোৰ পিছত সিটো। প্ৰায়বিলাকেই ষ্ট্ৰোক পেচেণ্ট। কিন্তু হঠাৎ এই ৰোগীৰ সংখ্যা ইমান কিয় বাঢ়িল সেইটো ভাবিহে একো উৱাদিহ পোৱা নাই। অতি সোনকালে ইয়াৰ কিবা এটা উপায় উলিয়াব নোৱাৰিলে গুৱাহাটীৰ জনসংখ্যা এতিয়াতকৈ আধা হৈ যাব।

এজনে আৰম্ভ কৰিলে, "মই ভাবো হঠাৎ হৃদৰোগীৰ সংখ্যা বাঢ়ি যোৱাৰ অইন কাৰণ একো নহয়, এই যে চাৰিওফালে বোমা ফুটি মানুহ মৰি আছে, নিৰ্বিচাৰে ৰাস্তাই-ঘাটে গুলিয়াই মানুহ মাৰি আছে তাকে দেখি বাহিৰলৈ ওলালেও মৰাৰ ভয় আৰু ঘৰতো বহি থাকিব নোৱাৰে। কি কৰো কি নকৰো ভাবি-চিন্তি ভয়াতুৰসকলৰ এই ৰোগ হৈছে।

"নহয় নহয়! মোৰ মতে দিনক দিনে বয়-বস্তুৰ দাম বাঢ়ি থকাৰ বাবে বাজেট মিলাব নোৱাৰাৰ চিন্তাতহে হৃদৰোগ হৈছে মানুহবোৰৰ।"

"সেইটো নহয়হে! আচল কথা হ'ল পুলিচ কনিষ্টবলৰ চাকৰি এটাৰ দামেই যেতিয়া ৭০/৮০ হাজাৰ টকালৈ উঠিছে তেনেহ'লে বেলেগ চাকৰিৰ ক্ষেত্ৰত কি হ'ব তাকেই ভাবি-চিন্তি বহুতৰ প্ৰেছাৰ বাঢ়িছে, আন বহুতৰ হৃদৰোগ হৈছে। আৰু এম.এ পাছ কৰিও আন চাকৰি নোপোৱা বাবে কনিষ্টবলৰ চাকৰিকে কৰো বুলি সাক্ষাৎকাৰ দিবলৈ যোৱাসকলেও যেতিয়া ৭০/৮০ হাজাৰ টকা নিদিলে চাকৰি নাপাব বুলি নিশ্চিত হ'ল তেতিয়া শতকৰা ৯৯ জন অভিভাবকৰে হৃদৰোগ আৰম্ভ হৈছে আৰু প্ৰাৰ্থীসকলৰ হৈছে প্ৰেচাৰ।"

"মই ভাবোঁ ব্ৰহ্মপুত্ৰতো ছুনামি হ'ব বুলি ভয় খাইহে গুৱাহাটীয়ানসকলৰ হৃদৰোগ আৰম্ভ হৈছে।" আন এজন সভ্যৰ চুটি মন্তব্য।

শেষত প্ৰত্যেকে নিজৰ নিজৰ যুক্তিত খামোচ মাৰি ধৰি থাকি ইজনে সিজনৰ লগত যুক্তি-তৰ্কত লাগি গ'ল। শেষত যুক্তি-তৰ্কই কাজিয়ালৈ ৰূপান্তৰ হৈ যেতিয়া হতাহতি হোৱাৰ উপক্ৰম হ'ল তাকে দেখি ডেকা বুদ্ধিজীৱি এজনে মেজত বাঘ ঢকা এটা মাৰি চিঞৰি উঠিল— "হে-ৰি কাজিয়া বন্ধ কৰক। মিছাতে কাজিয়া কৰি আছে কিয় আপোনালোকে? আপোনালোকে কোৱা এটা কাৰণতো হঠাৎ হৃদৰোগীৰ সংখ্যা বঢ়া নাই।"

"কি?" কাজিয়া বন্ধ কৰি সকলোৱে ডেকা বুদ্ধিজীৱিজনৰ ফালে অগ্নিদৃষ্টি নিক্ষেপ কৰিলে।

"হয়। আপোনালোকে কোৱাৰ দৰে বোমা ফুটাৰ কাৰণেও হৃদৰোগ হোৱা নাই বা চাকৰিৰ দাম বঢ়াৰ বাবেও হৃদৰোগ হোৱা নাই। কাৰণ সেইবোৰ আজিকালিৰ মানুহে সাধাৰণ ঘটনা হিচাবে ল'ব পৰা হৈ গৈছে।"

"তেনেহ'লে আপুনিয়েই কওকচোন, কি কাৰণে বাঢ়িছে হৃদৰোগীৰ সংখ্যা?"

"ডাঙৰ কাৰণ আছে।"

"কি ডাঙৰ কাৰণ?"

"অ, ডাঙৰ কাৰণ। এই যে গুৱাহাটী পৌৰ নিগমে গুৱাহাটীবাসীৰ সম্পত্তিৰ ওপৰত হঠাৎ পৌৰ কৰ কেইবাগুণো বঢ়াই দিছে জানেনে নাই?"

"জানো।" বাকীসকলৰ কোৰাচ।

"তেনেহ'লে শুনক" — মুখৰ পৰা তৰ্জনী আঙুলিৰে চাধাৰ টোপোলাটো উলিয়াই আনি চুকৰ ফালে দলিয়াই দি আঙুলিটো তপিনাত মচি কেইবাৰমান থু থু কৰি উঠি উপস্থিত সদস্যসকলৰ মূৰৰ ওপৰেৰে এবাৰ চকু ঘূৰাই আনি গহীনাই ক'লে— মোৰ মতে সেই কাৰণতেই গুৱাহাটীয়ানসকলৰ মাজত হঠাৎ হৃদৰোগীৰ সংখ্যা দ্ৰুতগতিত বাঢ়িছে।"

"আপোনালোক একমতনে?" ❑❑

যুঁজ? পাৰ্টী খুৱাই দিয়

যুঁজ বহু প্ৰকাৰৰ আছে — যেনে দেখা যুঁজ, নেদেখা যুঁজ, ধনৰ যুঁজ, মনৰ যুঁজ, আচল যুঁজ, নকল যুঁজ ইত্যাদি ইত্যাদি। মাঘ বিহুৰ সময়ত হোৱা আঁহতগুৰি আৰু শিৱসাগৰৰ ম'হ যুঁজ আৰু হাজোৰ বুলবুলি যুঁজৰ উপৰি কুকুৰা যুঁজ, শেন যুঁজ আৰু কণী যুঁজ আদিক প্ৰতিযোগিতা বুলি পতা হয় যদিও প্ৰতিযোগিতা মানেইতো যুঁজ। আজিকালি প্ৰত্যেক কথাতে প্ৰতিযোগিতা, মানে যুঁজ। ফুটবল, ভলীবল, ক্ৰিকেট খেলো যুঁজ আৰু কাছাৰীত হাকিমৰ ওচৰত দুইপক্ষৰ উকিলে মুখেৰে কৰা যুঁজো, যুঁজেই। আৰু ৰাজনৈতিক দলবোৰে ইটোৱে-সিটোক আক্ৰমণ কৰি মিটিঙত বক্তৃতা দিয়া বা কাকতত বিবৃতি দিয়াটো জানো একপ্ৰকাৰৰ যুঁজ নহয়!

আগৰ দিনৰ ৰজা-মহাৰজাসকলে যুদ্ধক্ষেত্ৰত যুঁজ কৰিছিল দেহৰ শক্তিৰে আৰু আজিকালিৰ ৰাজনৈতিক দলৰ নেতাবোৰে ক্ষমতা লাভৰ বাবে যুঁজ কৰে মুখেৰে। যোৱা মাঘ বিহুৰ উৰুকাৰ সময়ৰ পৰা অগপ দলৰ মাজত নেদেখা যুঁজ এখন আৰম্ভ হৈছে ভিতৰি ভিতৰি। দুটা দলত বিভক্ত হোৱা অগপ দলৰ প্ৰত্যেকে নিজৰ শক্তিবৰ্ধন কৰাত লাগি গৈছে। তাৰ বাবে আৰম্ভ কৰিছে ভোজ খোৱাৰ ৰাজনীতি। তেওঁলোকে ভালকৈ জানে যে গাঁৱৰ বেছিভাগ মানুহে মাছ-মাংস খোৱা দূৰৰে কথা ভালকৈ দুবেলা দুসাঁজ পেট ভৰাই খাবলৈও নাপায়। গতিকে বৰশীত টোপ দি বৰশী নচুৱাই নচুৱাই মাছক আকৰ্ষিত কৰাৰ দৰে এক কিল'মিটাৰ দূৰলৈ গোন্ধ যোৱাকৈ মাছ-মাংস ৰান্ধি মানুহবোৰক প্ৰলোভিত কৰি ভোজলৈ অনাৰ ব্যৱস্থা কৰিলে। ভোজৰ টোপ গিলা মানে বৰশী ডিঙিত লাগি ধৰা। আৰু বৰশী লাগি ধৰা মানে চিপ মাৰি পাৰলৈ উঠাই আনি খালৈত ভৰোৱা। আৰু খালৈত ভৰোৱা মানে নিজৰ হৈ যোৱা। হোজা গাঁৱলীয়া ৰাইজে সেইবোৰ কি বুজি পাব! বহুতে টোপ গিলিলেই।

তাকে দেখি ইটো দলৰ চামচা কেইজনমানে দলপতিক ধৰিলেগৈ—

"দাদা, কথাটো গম পাইছেনে?"

"কি কথা?"

"তেওঁলোকে খানা খুৱাই ফুৰিছে। মাছ-মাংস দকচি খুৱাই বহুত মানুহ হাত কৰিলে। খাবলৈ পাই মানুহবোৰ হুৰহুৰাই সিহঁতৰ ফালে গুচি যোৱা দেখি সিহঁতৰ তেল বাঢ়িছে।"

"কাৰ ?"

"কাৰ হ'ব, লাওমূৰাৰ দলৰ মানুহবোৰৰ আকৌ।"

"হয় নেকি? হ'ব হ'ব, তেল কমিব। চিন্তা কৰিব নালাগে। এটা কাম কৰা।"

"কি?"

"যিমান পাৰা পানী যোগাৰ কৰা।"

"পানী?"

"অ' পানী যোগাৰ কৰা।"

"কিয়? পানীৰে কি কৰিব?"

"পানীৰে কি কৰিম মানে? আমি সকলোকে পানী খুৱাই দিম।"

আমি একো বুজা নাই দাদা। সিহঁতে ডিঙিলৈকে অহাকৈ মাছ-মাংস খুৱাইছে। আমাৰ ইয়ালৈ পানী খাবলৈ মানুহ আহিব জানো?"

"চাই থাকাচোন আহেনে নাহে। হে-ৰা, মাছ-মাংসৰে এপেট খোৱাৰ পিছত পিয়াহ লাগিবনে নাই?

"লাগিব।"

"তেতিয়া পানী বিচাৰি ফুৰিবনে নাই?"

"ফুৰিব।"

"তেতিয়া ইয়াত সজাই থোৱা পানীৰ গিলাচবোৰ দেখিলে খাবলৈ সোমাবনে নাই?"

"সোমাব।"

ৰাস্তাৰ পৰা ধুনীয়াকৈ টেবিলৰ ওপৰত সজাই থোৱা পানীৰ গিলাচ দেখি সঁচাই মানুহবোৰ হুৰ্‌হুৰাই সোমাই আহিল পানী খাবলৈ।

দলনেতাৰ যাদু দেখি চামচাকেইজনে তবধ মানিলে। শেষত যেতিয়া সিটো দলৰ নেতাসকলেও আহি গিলাচে গিলাচে পানী খাবলৈ ধৰিলে তেতিয়া চাম্‌চাসকলে দলনেতাক আগুৰি ধৰি নাচিবলৈ ধৰিলে। এজনে ক'লে, "দাদা, আপোনাক মানিছো আৰু।"

ডাঢ়িত হাত বুলাই বুলাই দলনেতাই ক'লে, "এইখিনি বুদ্ধি নহ'লে জানো মই তোমালোকৰ লিডাৰ হৈ থাকিব পাৰো? চাই থাকা, সকলোকে পানী খুৱাই দিম।" ◻◻

ৰাসলীলা

ধৰ্মধ্বজাধাৰী সকলৰ মতে ৰাস মানে হ'ল আত্মা-পৰমাত্মাৰ মিলন। শৰতৰ পূৰ্ণিমা ৰাতি। নিৰ্মল আকাশ। শুদ্ধ শীতল নিৰ্মল জোনাকেৰে আলোকিত পবিত্ৰ যমুনা নদীৰ পাৰ। চাৰিওফালে ফুলি থকা নানা ফুলৰ মন উতলা কৰা সুবাস। চিত্ত চঞ্চল পৰিৱেশ। মন আকুল কৰা মুৰুলীৰ ধ্বনি। মুৰুলীৰ ধ্বনি শুনি যমুনাৰ পাৰলৈ দৌৰি আহিল গোপীগণ। মিলন হ'ল আত্মা আৰু পৰমাত্মাৰ। মিলনৰ আনন্দত মতলীয়া হ'ল। আধ্যাত্মিক অৰ্থত মুৰুলীৰ ধ্বনি মানে পৰমাত্মাৰ আহ্বান। সেয়াই ৰাসক্ৰীড়া। ৰাসলীলা। মহাৰাস।

আৰু নাস্তিকসকলৰ মতে সেয়া নন্দ পুত্ৰ শ্ৰীকৃষ্ণৰ লগত গোপীনিসকলৰ অবৈধ প্ৰেমলীলাহে। শ্ৰীকৃষ্ণৰ ৰূপত বলীয়া, কৃষ্ণপ্ৰেমত মতলীয়া গোপীসকলৰ গোপন অভিসাৰ। সেই অভিসাৰৰ নিশা যমুনাৰ পাৰত কৃষ্ণৰ বাঁহীৰ সুৰ শুনি শুই থকা গৃহস্থসকলৰ কাষৰ পৰা উঠি গৈ কৃষ্ণৰ কাষ পাইছিলগৈ। আৰু মাজৰাতি যমুনাৰ পাৰত কৃষ্ণৰ লগত প্ৰেমত মতলীয়া হৈ পৰিছিল। তাকেই কোৱা হয় ৰাসলীলা বা ৰাসকেলী বা ৰাসক্ৰীড়া বুলি।

সেয়েহে কোৱা হয় বোলে ৰাস হয় মনত, ৰাস হয় বনত। ৰাস হয় ঘৰত, ৰাস হয় বাহিৰত। আজিকালি আকৌ ৰাসলীলাৰ কোনো দিন, বাৰ বা সময় নাই। আজিকালি বছৰত ৩৬৫ দিনেই ৰাসলীলা চলি থাকে। যিকোনো স্থানত, যিকোনো সময়ত। মন গ'লেই হ'ল। চলে গোটেই পৃথিৱীৰ সকলো স্থানতে।

"অ' এতিয়াহে বুজিলো। অফিচৰ সেই ঢেপেচীজনীক লগত লৈ আপুনিও তেনেহ'লে ৰাসলীলা কৰি ফুৰে।"

"নাপায়, নাপায়। তেনেকৈ ক'বলৈ নাপায়। নাস্তিকসকলেহে বেয়া চকুৰে চায়। আচলতে ৰাসলীলা মানে আত্মা, মানে জীৱাত্মা আৰু পৰমাত্মাৰ মিলন। সেই দৃশ্য চাবলৈ অকলে যাব নাপায় নহয়। জীৱাত্মা-পৰমাত্মা হৈ যাব লাগে। মানে হে-ৰি হৈ যাব লাগে। পুৰীৰ জগন্নাথ মন্দিৰলৈ গ'লে যেনিবা গিৰিয়েক-ঘৈণীয়েক একেলগে যাব লাগে আৰু ৰাসলীলা চাবলৈ গ'লে......"

"হৈছে হৈছে। মই সকলো বুজি পাইছো। পিছে কিবা বোলেনে আপোনাৰ সেই জীৱাত্মা-পৰমাত্মাৰ মিলন চাবলৈ নলবাৰীৰ ৰাসলৈ যাব নালাগে নহয়। আজিকালি ঘৰৰ বাহিৰ ওলালেই দেখোন চাৰিওফালে আপোনাৰ দৰে কলিৰ কৃষ্ণসকলৰ ৰাসলীলা দেখিবলৈ পোৱা যায়। ৰিক্সা, অটৰিক্সা, মাৰুতি, চিটিবাছ সকলোতে। চিৰিয়াখানা, শংকৰদেৱ কলাক্ষেত্ৰ, নেহেৰু পাৰ্ক, শংকৰদেৱ উদ্যান— সেইবোৰতো অহৰ্নিশে চলিয়েই থাকে ৰাসলীলা। সেইবোৰ ঠাইক আচলতে ৰাসলীলা ময়দান বা ৰাসলীলা ক্ষেত্ৰ নাম দিয়াহে উচিত আছিল। তেতিয়া আপোনালোকে মুক্তভাৱে........"

"ৰ'বাহে! আপোনালোক - আপোনালোক কৰি আছা যে তোমালোক নগ'লে আমি জোৰকৈ নিব পাৰো নেকি? আৰু তোমাৰ গোপিনী নহ'লে কৃষ্ণই অকলে ৰাসলীলা কৰিব পাৰেনে? অকল লোকক দোষ দি থাকিলে নহ'ব নহয়। ক'লোৱেই নহয়, বহল দৃষ্টিৰে চোৱা, আধ্যাত্মিক দৃষ্টিৰে চোৱা তেতিয়া আনন্দত মন ভৰি পৰিব। কাৰণ তেতিয়া তোমাৰ ভাব হ'ব যে পুনৰ সত্য যুগ ঘূৰি আহিল। কলিৰ যুগৰ অন্যায়-অত্যাচাৰ, হত্যা-ধৰ্ষণৰ অন্ত পাৰি দেশত প্ৰেমৰ নিজৰা ব'ব ধৰিছে— মানুহৰ মনবোৰ বহল হ'ল। মানুহবোৰে শ্ৰীকৃষ্ণ আৰু গোপীনিৰ দৃষ্টিত চোৱা হ'ল প্ৰত্যেকে প্ৰত্যেকক। কাৰো চাবমৰা গিৰিয়েক বা ঘৈণীয়েক নাই। সেয়ে যেতিয়া যাৰ লগত খুচি ঘূৰিব পাৰে, খাব পাৰে, শুব পাৰে। গতিকে ৰাস্তাই-ঘাটে, হোটেলে-ৰেষ্টুৰেণ্টে, ঘৰে-বাহিৰে সকলোতে কৃষ্ণ-গোপিনীসকলৰ অবাধ বিচৰণ। কোনো মাতোতা নাই।"

"এস্, ঢেপেচীজনীৰ লগত ঘূৰি মূৰটো বেয়া হ'ল হ'ব পায় এইজনৰ। কিবোৰ যে বলকিব ধৰিছে!"

"হে... ৰা...। শুনা, মোৰ মূৰ বেয়া হোৱা নাই। তুমিহে কথাবোৰ বুজি পোৱা নাই। পণ্ডিতসকলে কোৱা কথাষাৰ পাহৰিলা নেকি? বোলে, 'স্ত্ৰীবৎ পৰদ্বাৰেষু য পশ্যতি স পণ্ডিত।' গতিকে........

"কি? নুবুজা ভাষাত ক'লেও আপুনি কি কৈছে মই কিন্তু ঠিক বুজি পাইছো।" ❑❑

বিশ্বকৰ্মা পূজা
আৰু
গাই ভগোৱাৰ কাহিনী

আমাৰ দেশ অসম আনক্ষেত্ৰত বিখ্যাত হ'ব পাৰক বা নোৱাৰক এটা ক্ষেত্ৰত কিন্তু পৃথিৱী বিখ্যাত। উৎসৱ উদ্‌যাপন কৰাত আৰু পূজা পতাত। উৎসৱ আৰু পূজা পতাত অসমৰ লগত কোনেও ফেৰ মাৰিব নোৱাৰে। বিশ্বকৰ্মা পূজাৰ পৰা যি পূজাৰ বতৰ আৰম্ভ হ'ল হ'লেই। বিশ্বকৰ্মা পূজাৰ পাছতেই দুৰ্গা পূজা। দুৰ্গা পূজাৰ পাছত লক্ষ্মীপূজা। তাৰ পাছত কালী পূজা। তাৰ পাছত....। এনেদৰে পূজাৰ যি লাইন আৰম্ভ হয় লানি নিছিগাকৈ চলিয়েই থাকে এখনৰ পাছত এখনকৈ তেত্ৰিশ কৌটি দেৱতাৰ পূজা। তেত্ৰিশ কৌটি দেৱতাৰ পূজাৰ লগতে আকৌ গো-পূজাৰ পৰা হনুমান পূজালৈ বিভিন্ন জন্তু-জানোৱাৰৰ পূজা আছেই। তাৰ উপৰিও সন্তোষী মাৰ দৰে নতুনকৈ জন্ম হোৱা দেৱতাবোৰো আছে। মানে যিমানেই ক'লা টকা বাঢ়িছে সিমানেই নতুন নতুন দেৱ-দেৱীৰ সংখ্যাও বাঢ়িছে, সেইমতে পূজাৰ সংখ্যাও বাঢ়িছে। যি হওক সকলোবোৰ পূজা কৰি কৰি শেষত চড়ক পূজাৰে বছৰৰ শেষত পূজাৰ সামৰণি মৰা হয়।

পূজা বুলিলে অসম কি গোটেই ভাৰতৰ মানুহেই পাগল। পূজাৰ নামত ধাৰ-ঋণ কৰি হ'লেও কোটি কোটি টকা খৰচ কৰিবলৈকো কেয়াৰ নকৰে ভাৰতৰ মানুহে। কাৰণ টকাৰ অভাৱ নাই ভাৰতৰ একাংশ মানুহৰ। গাঁৱৰ খেতিয়কসকলৰ অধিক সংখ্যকে মহাত্মা গান্ধীৰ শিষ্য হৈ নঙঠা ফকিৰ হৈ থাকে। বছৰৰ বেছিভাগ সময় অনশন কৰি থকাৰ অভ্যাস হৈ গৈছে। আনহাতে যি একাংশ মানুহ সাতপুৰুষলৈ খাই শেষ কৰিব নোৱাৰা সম্পত্তিৰ গৰাকী হৈ পৰিছে তেওঁলোকে দুই হাতেৰে চপোৱা এই সম্পত্তিৰ সামান্য এটা অংশ পূজাৰ নামত খৰচ কৰি ভক্তিত গদ্ গদ্ হৈ পৰে আৰু সকলো পাপ হোমাগ্নিয়ে দাহ কৰা বুলি আত্মসন্তুষ্টি লাভ কৰে। আৰু নঙঠা ফকিৰসকলক পূজাৰ নামত মতলীয়া কৰি পেটৰ ভোক পাহৰাই ৰাখিব খোজে। সেয়েহে কিছুমানে কয় বোলে পূজাৰ নামত, উৎসৱৰ নামত কোটি কোটি টকা উৰাই দিয়াৰ ফলত আমাৰ দেশখনৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে যাব ধৰিছে। চকুত পৰা উন্নয়নমূলক একো কাম কৰিব পৰা নাই। আনহাতে, পূজা-পাতলৰ নামত অবাবত এটকাও খৰচ নকৰি দেশৰ উন্নয়নৰ

কাম কৰাৰ ফলত আমেৰিকা, ইংলণ্ড আদি দেশবোৰে উন্নয়নৰ জখলাৰে দিনে দিনে ওপৰলৈ উঠি গৈ আছে।

এহ্, মানুহেনো নকয় কি? সেইবুলি আমি পূজা নকৰাকৈ থাকিমনে? কোনোবাবোৰে কৈ থাকক আৰু আমি আমাৰ কাম কৰি থাকিম। আমি পূজা নকৰিলে স্বৰ্গৰ দেৱতাসকলে খাব কি? আৰু দেৱতাসকলে খাব নাপালে পৃথিবীখন থাকিবনে? খাব নাপাই দেৱতাসকলৰ খং উঠিব লাগিলে পৃথিবীকে ধ্বংস কৰি পেলাব বাপেকে। আৰু পৃথিবীখনেই যদি নাথাকে আমি নৰমনিছবোৰ ক'ত থাকিম তেতিয়া। উন্নত দেশবোৰে সেই কথাটো নাজানে নেকি?

জানে। জানিলে বুলিয়েই সকলো কাম নকৰে নহয় তেওঁলোকে। নহ'লে কিহৰ উন্নত দেশ হ'ল! উন্নত মানে হ'ল আনৰ মূৰত কঁঠাল ভাঙি খোৱা। সেই যে দুই ভায়েকে তেওঁলোকৰ একমাত্ৰ সম্পত্তি গাইজনী ভগোৱা কাহিনীটো মনত নাই নেকি?

গাইজনী ভগোৱা সম্পৰ্কে বহুত চিন্তা-ভাবনা, আলোচনা-বিলোচনাৰ শেষত যে সিদ্ধান্ত হ'ল বোলে গাইজনী দুয়োজনৰে হৈ থাকিব।

ডাঙৰ ভায়েকে সৰু ভায়েকক ক'লে— বোলে তই মোতকৈ সৰু। তোক মই ডাঙৰ ভায়েকটো থাকোতে লেতেৰা কাম কৰিবলৈ দিব নোৱাৰো নহয়। গাইজনীয়ে মুখেৰে খাব আৰু পিছফালেৰে বিষ্টা এৰিব। গতিকে বিষ্টা, মানে গাইজনীৰ গোবৰ চাফা কৰা কামটো ময়ে কৰিম, তোক চাফা ফালটোকে দিলো। আজিৰ পৰা গাইজনীৰ মুখৰ ফালটো তোৰ আৰু পিছৰ ফালটো মোৰ। গতিকে সৰু ভায়েকে মুখখনক ঘাঁহ, দানা আদি খুৱাই থাকে আৰু ডাঙৰ ভায়েকে সময় মতে গাখীৰ খীৰাই লৈ যায়।

এতিয়া বুজিলেনে কথাটো? তেনেকৈ পূজা-পাতল দি খুৱাই-বোৱাই দেৱ-দেৱীসকলক সন্তুষ্ট কৰি ৰখাৰ দায়িত্ব আমাৰ আৰু ফল আদায় কৰাৰ দায়িত্ব হ'ল উন্নত দেশবোৰৰ।

বিশ্বকৰ্মা পূজা পাতি কোটি কোটি টকা খৰচ কৰি স্ফূৰ্তি কৰাৰ দায়িত্ব আমাৰ। কাৰণ ইংৰাজ চাহাবেই আমাক বিশ্বকৰ্মা পূজা পতাৰ দায়িত্ব দি গৈছে নহয়। আৰু চন্দ্ৰলৈ, মংগললৈ, বৃহস্পতিলৈ, সূৰ্যলৈ, মহাকাশযান প্ৰেৰণ কৰাৰ দায়িত্ব উন্নত দেশবোৰৰ। নতুন নতুন বস্তু আবিষ্কাৰ কৰি পৃথিবীক চমক দি ধন ঘটাৰ দায়িত্বও উন্নত দেশবোৰৰ।

আমি কিবা নিজে কৰিছোনে, তেৱাই কৰাইছে।

এৰা, সকলো তেৱাৰেই ইচ্ছা।

নে কি কয়! □□

বানপানীৰ উপকাৰিতা

বানপানী আহিলে মানুহৰ ঘৰ-দুৱাৰ বুৰাই পেলায়। ঠায়ে ঠায়ে ঘৰ-দুৱাৰ ভাঙি-ছিঙি উটুৱাই লৈ যায়। লগতে উটুৱাই লৈ যায় গৰু, ছাগলী, গাহৰি, হাঁহ, কুকুৰা আদি ঘৰচীয়া প্ৰাণীবোৰ। আনকি মানুহো বাদ পৰি নাযায়। ঘৰ-বাৰী বুৰাই আলাই-আথানি কৰা মানুহবোৰে ৰাস্তাৰ ওপৰত, ওখ ঠাইত বা স্কুলঘৰ আদিত থাকিবলগীয়া হয়। খেতি-বাতি নষ্ট হোৱাৰ ফলত অভাৱে জুৰুলা কৰে দেশবাসীক। দেশত দুৰ্যোগে দেখা দিয়ে। গতিকে বানপানীয়ে যে দেশলৈ, দেশবাসীলৈ দুৰ্যোগ নমাই আনে সেই কথা সকলোৱে জানে। তাক আৰু নতুনকৈ ক'বলগীয়া নাই। বিশেষকৈ অসমৰ মানুহক।

কিন্তু সেইদিনা কেন্দ্ৰীয় ৰে'লমন্ত্ৰী লালুপ্ৰসাদ যাদৱে ক'লে বোলে আমি বানপানী সম্পৰ্কে কৰি অহা উক্ত ধাৰণাবোৰ ভুল। বানপানী কেতিয়াও দুৰ্যোগৰ কাৰণ হ'ব নোৱাৰে, বানপানী সুযোগৰহে কাৰণ। বিহাৰত হৈ থকা বানপানীৰ অভিজ্ঞতাৰ পৰাই হেনো তেওঁ সেই কথা কৈছে। কথা শুনি উপস্থিতসকলে ইজনে সিজনৰ মুখলৈ চোৱা-চুই কৰিবলৈ ধৰিলে। বানপানীয়ে দুৰ্যোগৰ কাৰণ নহয়, বৰং সুযোগৰহে কাৰণ তাক তেওঁ উদাহৰণ দি বুজাই দিলে। তেওঁৰ মতে চালানী গেলা মাছ খাই খাই মানুহে জীয়া ল'কেল মাছৰ সোৱাদ পাহৰি গৈছিল। কিন্তু বানপানীৰ সময়ত ৰাস্তাই-ঘাটে, ঘৰৰ চোতাল আনকি ঘৰৰ ভিতৰতো নিজে মাছ ধৰি বিনা পইচাই জীয়া ল'কেল মাছৰ জুতি ল'ব পাৰিছে। আনহাতে, বানপানীয়ে বোকা মাটিৰে খেতিপথাৰবোৰ পুতি পেলাই খেতিপথাৰ সাৰুৱা কৰিছে। বানে পথাৰৰ ধান, মৰাপাট আদি মাৰি পচাই পেলোৱাৰ ফলতো খেতিপথাৰ সাৰুৱা হৈ পৰিছে। গতিকে পিছৰ বছৰত খেতি নদন-বদন হ'ব, সাৰ কিনি ধন খৰচ নকৰাকৈও অধিক ফচল পাব। ইমানৰ পিছতো বানপানীক দুৰ্যোগৰ কাৰণ বুলি ক'ব পাৰিনে?

এৰা, এইটো একেবাৰে লাখটকীয়া প্ৰশ্ন উত্থাপন কৰিলে লালুজীয়ে। হয়তো, এই সাধাৰণ কথাখিনিয়েই থাৰখোৱা অসমীয়াসোপাৰ মূৰত সোমোৱা নাছিল ইমানদিনে। বিহাৰৰ পৰা আহি লালুজীয়ে আমাক কোৱাওহে 'হয় হয়' কৰি মূৰ দুপিয়াইছো।

পিছে আশ্ৰয় শিবিৰবোৰত বিনা পইচাই বিতৰণ কৰা চাউল, দাইল, আলু, বুট, চিৰা,

বিস্কুট আদি বহি বহি যে দকচি খাই থকাৰ সুযোগ বানপানীয়ে দিয়ে সেই কথাটো জানো কিয় নক'লে লালুজীয়ে তাকেহে ভাবি আচৰিত হৈছো।

তদুপৰি বানপানীয়ে যে এচাম মানুহক ধনী হোৱাৰ সুযোগ আনি দিয়ে সেই কথাটো ইচ্ছা কৰি নক'লে নে ক'বলৈ পাহৰিলে লালুজীয়ে। কথাটো জানিবৰ কাৰণে অসমৰ এম.এল.এ এজনে সুধিয়েই পেলালে— "লালুজী, সাহায্য সামগ্ৰীৰ সিংহভাগ যে গুদামলৈ যায় জানেনে আপুনি?"

"হাঁ।"

"ঔষধ কিনাৰ বাবে অহা টকাবোৰ ক'লৈ যায় জানেনে?"

"হাঁ ভাই।"

"বীজ কিনাৰ বাবে অহা টকাবোৰ কি হয় জানেনে?"

"হাঁ।"

"পশু খাদ্যবোৰ যে পশুক নিদি বিতৰকে খাই নিজে গাহৰি যেন হয় সেই কথা জানেনে?"

"কাহে নাই জানিম?"

"মথাউৰি বন্ধা টকাৰে যে কিছুমানে দালান বান্ধে জানেনে?"

"কৌন নাই জানতা সেই সব।"

"ৰাস্তা-দলং মেৰামতি কৰিবলৈ দিয়া টকাৰে যে একশ্ৰেণীৰ পদূলি শুৱনি কৰে বিলাসী গাড়ীয়ে সেই কথা?"

"কিউ পুচতা তু?"

"সেইবোৰ যে আপুনি কোৱা নাই সেইকাৰণে সুধিছো আকৌ।"

"আৰে বুধ্বু, সেই সব কহনে কা বাত হ্যে ক্যা?" ◻◻

সাগৰ দেখিছা?

বানপানীয়ে গোটেই অসমখন ধুবাই পেলোৱা দেখি কিছুমানে কোবা-কুই কৰিছে বোলে ভালেই হৈছে চুকে-কোণে থকা মদৰ দোকানবোৰে বিয়পাই দিয়া মদৰ গোন্ধে গোটেই অসমখন লেতেৰা কৰি পেলাইছিল। বানপানীয়ে সেইবোৰ ধুই চাফা কৰি কিছুদিনৰ বাবে হ'লেও অসমক মদৰ গোন্ধৰ পৰা মুক্ত কৰিছে।

কিছুমানৰ মতে আকৌ বছৰি অহা এই বানপানীটো অসমৰ বাবে সমন্বয়ৰ উৎসৱ। কাৰণ বানপানীৰ সময়ত বাঘে-ছাগে, সাপে-ভেকুলীয়ে, সিংহই-হৰিণে, শহাই-হাতীয়ে, গঁৱে চোৰাং চিকাৰীয়ে একেলগে একোটা ওখ ঢাপত উঠি বানপানী নামৰ এই জাতীয় উৎসৱটো উপভোগ কৰে। আল্‌ফাই-ছাল্‌ফাই, মিলিটাৰী-খেতিয়ক, মহাজন আৰু চাকৰে একেলগে একেখন নাৱতে উঠি বানপানীৰ অপূৰ্ব দৃশ্য উপভোগ কৰি ফুৰে। গতিকে কোনে ক'ব পাৰে এই বানপানীটো সমন্বয়ৰ উৎসৱ নহয় বুলি।

আকৌ ঠিকাদাৰ, নেতা-পালিনেতা আৰু একশ্ৰেণীৰ বিষয়াৰ বাবে এইটো ধন চপোৱা উৎসৱ। মন্ত্ৰীসকলৰ বাবে হ'ল এইটো হেলিকপ্টাৰত উঠি আকাশ মাৰ্গত ভ্ৰমণ কৰাৰ উৎসৱ।

গতিকে যেতিয়া আমাৰ বৰমন্ত্ৰীজনক খবৰ দিলে বোলে আকাশ মাৰ্গত ভ্ৰমণ কৰাৰ সময় হ'ল। অসমখন সাইলাখ সাগৰ সদৃশ হৈছে। তেওঁ এণ্ডামুৰি মাৰি থিয় হৈ আনন্দ মনেৰে কোঠাৰ ভিতৰলৈ সোমাই গ'ল আৰু কড়া ইস্ত্ৰি কৰা ঢক্‌ঢকীয়া বগা কুৰ্তা-পাইজামা পিন্ধি ফিট্-ফাট্ হৈ ওলাই আহিল। কাল বিলম্ব নকৰি আলধৰা দুজনমান লগত লৈ হেলিকপ্টাৰত উঠিল। হেলিকপ্টাৰখন পশ্চিমমুৱা হৈ ৰঙিয়া, নলবাৰী হৈ বৰপেটাৰ ফালে যাব ধৰিলে। বৰমন্ত্ৰী একেথৰে তললৈ চাই থাকিল। ভাবিলে, হয় সাগৰখন সঁচাকৈয়ে অসম মুলুক পাইছেহি। কিছুমানৰ ঘৰৰ মূধচেৰে পানী পাৰ হৈ গৈছে, কিছুমানৰ খিৰিকিৰে বৈ আছে। দৃশ্যবোৰ দেখি মন্ত্ৰীৰ বৰ ভাল লাগিল। শৰীৰ ৰোমাঞ্চিত হ'ল। ঘৰৰ চালৰ

ওপৰত মানুহজাতীয় প্ৰাণী কিছুমান দেখি আলধৰা এজনক সুধিলে, "হেৰৌ, সেইবোৰ কি অ'?"

"মানুহ দেউতা, মানুহ।"

"মানুহ! কি কৰিছে তাত?"

"ক'তো থাকিবলৈ ঠাই নাপাই তাতেই আছে দেউতা।"

"হয়নে? আহ্ মানুহবোৰ কিযে ভাগ্যবান! বিনা পইচাই চন্দ্ৰপৃষ্ঠত উঠাৰ দৰে উঠি আনন্দ উপভোগ কৰিব পাৰিছে।"

"পানীৰ ওপৰেৰে সেইবোৰ কি গৈ আছে অ'?"

"সেইবোৰো মানুহেই দেউতা। ভুৰত উঠি বোধহয় নিৰাপদ আশ্ৰয় বিচাৰি ফুৰিছে।"

"ক'ত আশ্ৰয় বিচাৰি ফুৰা দেখিলি অ' বুৰ্বক। জলবিহাৰ কৰিছে। পৰিয়াল-পৰিজন লৈ আনন্দমনে জলবিহাৰ কৰি ফুৰিছে। চকুচৰহাবোৰে মিছাতে হাহাকাৰ কৰি থাকে মোৰ দেশৰ মানুহৰ নিৰাপত্তা নাই বুলি। এতিয়া দেখিলিনে—মানুহবোৰে নিৰ্ভয়ে জলবিহাৰ কৰি ফুৰিছে। চাচোন মোৰ ৰাজ্যৰ মানুহবোৰৰ ভাগ্য। চোতালতে সাগৰ পাই..... আহ্, কি অপূৰ্ব দৃশ্য। চা, নয়ন ভৰি চাই ল। এনে চকুজুৰোৱা দৃশ্য সতকাই দেখিবলৈ নাপাবি। এনে দুৰ্লভ দৃশ্য চায়েই বোধহয় বাজপেয়ীজীয়ে কবিতা লিখিছিল। বাজপেয়ীয়েহে কবিতা লিখিব পাৰেনে? এনে দৃশ্য দেখাৰ পাছত আমিও কবিতা লিখিব পাৰিম বুজিছ। মোৰ কবিতা এটা ওলাইছেই।"

"সাগৰ দেখিছা?
দেখা নাই।
ময়ো দেখা নাই। শুনিছো তথাপি....
দেখা নাই যদি
আহা, চোৱা
অসমৰ বানপানীকে চোৱা।
সাগৰতকৈও ভাল দৃশ্য দেখিবা ইয়াত।" ◻◻

ছিক্ৰেট

ভালেমান দিনৰ পৰা অসম মন্ত্ৰীসভাখন সৰু কৰা সম্পৰ্কীয় বিভিন্ন বাতৰিয়ে বাতৰি কাকতসমূহ গৰম কৰি ৰাখিছে। নানাৰকমৰ মুখৰোচক কাহিনী ওলায়েই আছে প্ৰতিদিনে। আজি যদি ওলায় বোলে অমুক অমুক মন্ত্ৰী নতুন মন্ত্ৰীসভাত থাকিব, তমুক কেইজনৰ মন্ত্ৰীত্ব যাব। কাইলৈ ওলাব বোলে নহয় — অমুক-তমুক মন্ত্ৰীৰহে মন্ত্ৰীত্ব যাব, তমুক তমুকৰ থাকিব। কিয় থাকিব, কিয় যাব তাৰো কাৰণ ব্যাখ্যা কৰি দেখুৱায়। মাজতে ওলাল বোলে অমুক অমুক মন্ত্ৰী মন্দিৰে মন্দিৰে পূজা দি ফুৰিছে। অমুক অমুক মন্ত্ৰী জ্যোতিষীৰ লগত অংক মিলাই ফুৰিছে। আকৌ ওলাল বোলে দিছপুৰৰ জনতা ভৱনত দৰবত দিবলৈও মন্ত্ৰী বিচাৰি পাবলৈ নাই। গোটেই মন্ত্ৰীসভাখন দিল্লী পাইছেগৈ। মুখ্যমন্ত্ৰীয়ে বোলে দুৱাৰো খেদিব পৰা নাই। দিল্লীত গৈও তেওঁলোকে বহি থকা নাই। কোন কিমান কাবিল তাক দেখুওৱাৰ প্ৰতিযোগিতাত নামি গৈছে। কেইজনমানে প্ৰভুসকলৰ ঘৰে ঘৰে গৈ কামাখ্যাৰ প্ৰসাদ বিলাই ফুৰিছে। কেইজনমানে পাটৰ চেট্, কেইজনমানে মুগাৰ চেট্ বিলাই ফুৰিছে। কেইজনমানে আকৌ গলে বস্ত্ৰ লৈ....।

শেষত যেনিবা সৰু মন্ত্ৰীসভা নামৰ উকমুকৰ পোৱালিটো জগিল। লগে লগে

মন্ত্রীসভাখনো দিল্লীৰ পৰা ধুপুচ্‌কৈ দিছপুৰত সৰি পৰিল। দিছপুৰ পায়েই মন্ত্রী এজনে গা-মূৰ টঙাই আৰামী চকী এখনত বহি ভৰি নচুৱাই নচুৱাই চিগাৰেট হুপি আছিল। এনেতে চামচা এজন আহি সুধিলে—

"দাদা, খবৰ ভালনে?"

"ভাল ভাল, এতিয়া সম্পূর্ণ সুস্থ।"

"সুস্থ মানে? একো বুজা নাই দাদা।"

"বুজিবলৈ কিটো আছেহে, বেমাৰ ভাল পাইছো আকৌ।"

"বেমাৰ, আপুনি বেমাৰ দেখুৱাবলৈহে দিল্লীলৈ গৈছিল নেকি?"

"অ, আকৌ।

"এ হয় নেকি, আমি একো গমেই নাপাওঁ নহয়। পিচে কি বেমাৰনো হৈছিল দাদা?"

"মোৰ ৰাতি ৰাতি টোপনি নহা বেমাৰটো হৈছিল নহয়।"

"কি ঔষধ দিলেনো ডাক্তৰে?"

"ডাক্তৰে একো ঔষধ নিদিলে। মুখ্যমন্ত্রীয়েহে ঔষধ দিলে।"

চামচাজনে একো নুবুজি ভেবা লাগি চাই থকা দেখি মন্ত্রীয়ে ক'লে— "বুজা নাই?"

"নাই দাদা।"

"ডাক্তৰে ক'লে বোলে ঔষধ নালাগে, মন্ত্রীসভাত আপোনাৰ নামটো ওলালেই আপোনাৰ এই বেমাৰটো ভাল হৈ যাব।"

"তাকেইতো। আমি আকৌ ভাবিছিলো আপুনি হাইকমাণ্ডক...."

মন্ত্রীয়ে মুখতে ধৰিলে— "হাইকমাণ্ডক মই কিয় খাতিৰ কৰিমহে! মন্ত্রীসভাত যে মোৰ নাম থাকিব মই জানিছিলোৱেই।"

"অ' হয় নেকি? আপুনি কেনেকৈ জানিছিল দাদা?"

"সেইটো ক'ব নোৱাৰি নহয়। ছিক্রেট!" ❑❑

কংসৰ জন্মোৎসৱ

মানুহৰ জন্মদিন পতাৰ দৰে ভগৱানৰো জন্মদিন পতা হয়। বিশেষকৈ ভগৱান শ্ৰীকৃষ্ণৰ জন্মদিন পতা হয় প্ৰতি বছৰে। পিচে নামটো জন্ম দিনৰ সলনি জন্মাষ্টমী বা জন্মোৎসৱহে বোলা হয়। আৰু ৰাজহুৱাভাৱে উলহ-মালহেৰে পালন কৰা হয় সেই জন্মোৎসৱ বা জন্মাষ্টমী। আচলতে ভগৱান শ্ৰীকৃষ্ণৰ জন্মদিন পতাৰ পৰম্পৰা অনুসৰণ কৰিহে মানুহৰো জন্মদিন পতা আৰম্ভ কৰা হয় বুলি বহুতে ক'ব খোজে। শ্ৰীকৃষ্ণৰ জন্মোৎসৱ পতাৰ দৰে মানুহৰো জন্মোৎসৱ বা জন্মদিন পাতিলে কিজানি মানুহেও শ্ৰীকৃষ্ণৰ দৰে হ'ব পাৰে আৰু কৃষ্ণৰ দৰে গোপীৰ লগত লীলা কৰিব পাৰে সেই আশাতেই মানুহে নিজৰ জন্মদিন পতা আৰম্ভ কৰা হয় বুলি পণ্ডিতসকলে ক'ব খোজে। আনহাতে নিজৰ প্ৰতিপত্তি দেখুৱাবলৈ বুঢ়া বয়সতো ধুমধামেৰে জন্মদিন পাতি চমক সৃষ্টি কৰা হয় বুলিও আন এচাম পণ্ডিতে ভাবে। যি কাৰণতেই নহওক জন্মদিন পতাৰ ধুম চলি আছে বৰ্তমান সময়ত। ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী সকলোৰে জন্মদিন পাতি আছে।

শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ দিনা গধূলি বন্ধু কেইজনমান গভীৰ আলোচনাত বহিল। বিষয় - জন্মোৎসৱ উদ্‌যাপন। মানে আৰু কাৰ কাৰ জন্মোৎসৱ পাতিব পৰা যায় তাৰেই গুণাগঠা। অকল শ্ৰীকৃষ্ণৰ জন্মোৎসৱ পাতিয়েই এৰাতকৈ প্ৰতিদিনে নহ'লেও অন্ততঃ প্ৰতিসপ্তাহে একোটা জন্মোৎসৱ পাতি থাকিব পাৰিলে মানুহবিলাকে ভাত-কাপোৰৰ চিন্তা পাহৰি মন-প্ৰাণ ঢালি জন্মোৎসৱত লাগি থাকিব পাৰিব। পেটো ভৰিব পূণ্যও আৰ্জিব পাৰিব। তেতিয়া আৰু পাপবিলাক এৰিয়াৰ হৈ নাথাকে। সপ্তাহৰ ভিতৰত জমা হোৱা পাপবোৰ জন্মোৎসৱৰ দিনা কটা যাব। গতিকে ভীম, অৰ্জুন, দুৰ্যোধন, কংস, নাৰদ, শকুনি, ... সকলোৰে জন্মোৎসৱ পতাৰ ব্যৱস্থা কৰিব লাগে। তাৰ বাবে এখন জন্মোৎসৱ উদ্‌যাপন স্থায়ী সমিতি গঠন কৰাৰ বাবেও আলোচনা কৰা হয়। গোলাপী নিচাত মুদ খাই যোৱা চকু টানি ধৰি ধৰি এজনে প্ৰশ্ন কৰিলে, "আৰে, সেই সব বাদ। শ্ৰীকৃষ্ণৰ জন্মদিন যে পাতে 'কংস'ৰ জন্মদিন নাপাতে কিয় বে। কংস মাটি ফুটি ওলাইছিল নেকি বে?"

এজনে সমৰ্থন কৰিলে— "ঠিক কৈছে। মোৰো সেই কথা। কিয় নাপাতে কংসৰ জন্মদিন?"

“নাপাতে আৰু।”

“কিয় ?”

“কাৰণ আছে।”

“কি কাৰণ ?”

“শ্ৰীকৃষ্ণ জন্ম হৈছিল গোপিনীৰ লগত লীলা কৰিবলৈ।”

“তাতে কি হ’ল ?”

“কি হ’ল মানে ? শ্ৰীকৃষ্ণই লাইনটো ক্লিয়াৰ কৰি দিয়াৰ পিছতহে সকলোৰে বাবে ক্লিয়াৰ হয়।”

“কিয় ?”

“আৰে, শ্ৰীকৃষ্ণ যে ভগৱান।”

“হ’লে কি হ’ল ? কংসই লীলা কৰা নাছিল নেকি ?”

“কৰিছিল। কিন্তু শ্ৰীকৃষ্ণ, মানে ভগৱানে কৰিলে যাক কয় লীলা। কংস বা আনে কৰিলে ধৰি বান্ধি কিলা। বুজিছ কংসইও হেৰি কৰিছিল, কিন্তু শ্ৰীকৃষ্ণৰ দৰে ৰাজহুৱাকৈ নহয়।”

“কিয় ?”

“ক’লোৱেই নহয়, ধৰি বান্ধি কিলা।”

“আৰে চাওচোন কোনে কিলায়, আমি কংসৰেই জন্ম দিন পাতিম।”

“পাক্কা ?”

“অঁ।”

“কিয় ?”

“কাৰণ কংসই লীলাও কৰিছিল ‘মাল’ৰ ধাণ্ডাও কৰিছিল সেই কাৰণে।”

“হয়নে ?”

“ঠিক আছে, আজিৰ এই পেগ তেনেহ’লে কংসৰ কাৰণে.. ”

“চিয়েৰছ।” ❑❑

স্বাধীন মানে
নিজৰ ভৰিত থিয় হোৱা

এই কেইদিন, মানে স্বাধীনতা দিৱসৰ আগে পিছে কথা এটা বৰকৈ ৰটনা-খচনা হৈছে— বোলে আমিনো কিয় স্বাধীনতা দিৱস পাতিব লাগে? স্বাধীনতা দিৱস পতাৰ নামত কিহৰ ইমান হুলস্থুলখন কৰিব লাগে। স্বাধীনতা দিৱসৰ নামত কিহৰ ভাওনাখন পাতিব লাগে। মিছাতে সময় খৰচ, ধন খৰচ। একো দৰ্কাৰ নাই। আমাৰ মতি খুৰাই কথাটো শুনি যোগ দিলে— "বোলে হয় হয়, আমিনো কিহৰ স্বাধীন! মিছাতে আমাক স্বাধীন বুলি কয়। সেইদিনা ৰাজধানীলৈ মন্ত্ৰীক লগ ধৰিবলৈ যাওঁতে গম পাইছো নহয়, পুলিচবোৰে একেবাৰে তামাকাহা দেখুৱাই দিলে। ইজনে বোলে এইফালে নাযাব, সিজনে বোলে সেইফালে নাযাব। ইজনে বোলে এইটো নকৰিব, সিজনে বোলে সেইটো নকৰিব। ইয়াত থিয় হওক, তাত লাইন পাতক। হাত ওপৰলৈ কৰক আৰু শেষত ডাক্তৰে পৰীক্ষা কৰা দি দেহাটো মূৰৰ পৰা ভৰিলৈকে পৰীক্ষা কৰিলে। খুচৰি খুচৰি পকেটবোৰ চালে। ঘৰৰ পৰা বান্ধি নিয়া কটা তামোলৰ টোপোলাটোও খুলি নোচোৱাকৈ নেৰিলে। কিহৰ স্বাধীনহে আমি, কিহৰ স্বাধীন।" —মতি খুৰাৰ খং দেখি আন এজনে বোলে, "সেইটোনো কি ডাঙৰ কথা হ'ল? স্বাধীন দেশৰ পুলিচ মানে স্বাধীন পুলিচ; সিহঁতৰ যি খুচি কৰিব, তুমি মাতিবৰ কোন? খুচিমতে মানুহ পিতিব, যাকে-তাকে উগ্ৰপন্থী বুলি গুলিয়াই মাৰিব। মাৰিবই। অকল পুলিচেইনে উগ্ৰপন্থীসকলো স্বাধীন। তেওঁলোকেও স্বাধীনভাৱে মানুহ গুলিয়াই মাৰি আছে। য'তে ত'তে বোমা দি মুনিহ-তিৰোতা, কেঁচুৱা, স্কুলীয়া ল'ৰা-ছোৱালী কাকো বাদ নিদিয়াকৈ মাৰিয়েই আছে। আমি শোকসভা পাতিয়েই আছো, ছহিদ ঘোষণা কৰিয়েই আছো। দালালসকলে স্বাধীনভাৱে চাকৰি বিক্ৰী কৰি আছে, ঠিকাৰ কাম বিক্ৰী কৰি আছে। লুণ্ঠনকাৰীসকলে ৰাজকোষৰ ধন হোৱাহোৱে লুটি-পুতি নিজৰ অট্টালিকাবোৰ ওখ কৰিয়েই আছে; আৰু লুটিব নোৱাৰাসকল খাবলৈ নাপাই মৰিছে। চিকিৎসাৰ অভাৱত

মৰিছে। কাৰো বাধা মনা নাই। নিজৰ ইচ্ছা মতে মৰিব পৰাটোৱেই তেওঁলোকৰ স্বাধীনতা। দম দি চান্দা আদায় কৰা, ৩৬৫ দিনত ৩৬৬ টা উৎসৱ পালন কৰা আদি জানো স্বাধীনতা উপভোগৰ নিদৰ্শন নহয় ?"

"আৰু পুলিচৰ কথা কৈছে? পুলিচ -মিলিটাৰীৰ যেনেকৈ যাকে-তাকে য'তে-ত'তে পিতাৰ স্বাধীনতা আছে ঠিক তেনেকৈ মানুহবোৰৰো পিঠি পাতি দিয়াৰ স্বাধীনতা আছে। পিঠিখন সকলোৰে পিছ ফালেহে থাকে। গতিকে....."

"সেইবুলি গাড়ীৰ পৰা নমাই আনি লাইন কৰি হাত দাঙি থিয় কৰাই থোৱাৰ স্বাধীনতা ক'ত পালেহে সিহঁতে ?"

"সিহঁতৰ থিয় কৰাই থোৱাৰ স্বাধীনতা আছে। কাকো খাতিৰ নকৰাকৈ নিজৰ ভৰিৰ ওপৰত থিয় হৈ থকাৰ স্বাধীনতা তোমাৰো আছে নহয়। নিজৰ ভৰিৰ ওপৰত নিজে থিয় হৈ থাকিব পৰাটোহে আচল স্বাধীনতা।"

"সেইটো হয়। পিছে ভৰিবোৰো দুৰ্বল হৈ আহিছে নহয় বেছিকৈ থিয় হৈ থাকিবলৈ।"

"ভৰিবোৰৰ কথাহে কৈছা নে, মানুহবোৰেই দেখোন দুৰ্বল হৈ গৈছে।"

"ভাল কথা কৈছা। মানুহবোৰহেনে গোটেই অসমখনেই দেখোন শুকাই-খীণাই চেপেটা লাগি গৈছে।"

"এতিয়া কোনেও থিয় হৈ থাকিব নোৱাৰা হৈ গৈছে থিৰেৰে।"

"এৰা। আমিনো কি স্বাধীন হ'লো ?" ☐☐

মদৰ দোকানত শংকৰদেৱ

ভকতীয়া ভাষাত ক'বলৈ হ'লে নামৰ মহিমা অসীম। ভগৱানে হেনো নিজেই নিজৰ নামৰ মহিমা কিমান নাজানে। তাৰ উদাহৰণো আছে— ভগৱান শ্ৰীৰামচন্দ্ৰই লংকালৈ যোৱাৰ বাবে সাগৰত বান্ধ (সেঁতু) বান্ধি বাট উলিয়াইছিল। আৰু সেই সেঁতু বান্ধিবলৈ নিজৰ নামহে ব্যৱহাৰ কৰিছিল। মানে তেওঁৰ নাম লিখা শিলেৰে বান্ধ বান্ধি লংকালৈ বাট উলিয়াইছিল। শ্ৰীৰামচন্দ্ৰৰ নাম লিখা শিলবোৰ হেনো সাগৰত ভাহি উঠিছিল, নহ'লেনো সাগৰত বান্ধ বান্ধিব পাৰেনে? কিন্তু ভগৱান শ্ৰীৰামচন্দ্ৰৰ নামৰ মহিমা প্ৰকাশ কৰি সাগৰত শিলবোৰ ভাহি উঠিছিল।

আজিও সেই নামৰ মহিমা আছে। শ্ৰীমন্ত শংকৰদেৱক ভগৱানৰ অৱতাৰ বুলি কোৱা হয়। গতিকে তেওঁৰো নামৰ মহিমা আছে। সেই কাৰণে অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰাৰ আহিলা হিচাপে ব্যৱসায়িক শিক্ষানুষ্ঠান কিছুমানে শংকৰদেৱৰ নামটো ব্যৱহাৰ কৰা আৰম্ভ কৰিছে আজি কিছু বছৰৰ পৰা যেনে— শংকৰদেৱ শিশু নিকেতন, শংকৰদেৱ শিশু বিদ্যালয়, শ্ৰীমন্ত শংকৰ একাডেমী আদি বিভিন্ন নামত অসমৰ চুকে-কোণে হাজাৰ হাজাৰ ব্যৱসায়িক বিদ্যালয় গঢ়ি উঠিছে। আচৰিত কথা, ভাল ব্যৱসায়ো কৰিছে সেই বিদ্যালয়বোৰৰ দ্বাৰা। সেয়াও জানো নামৰ মহিমা নহয়? শংকৰদেৱৰ নামৰ মহিমাতেই চলিছে বিদ্যালয়বোৰ।

আনহাতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অগ্ৰণী চকু চিকিৎসাৰ অনুষ্ঠান শংকৰদেৱ নেত্ৰালয়ে জানো শংকৰদেৱৰ নামৰ মহিমা প্ৰচাৰ কৰি থকা নাই। আৰু শংকৰদেৱ কলাক্ষেত্ৰ! শংকৰদেৱ কলাক্ষেত্ৰই গুৰুজনাৰ নামৰ মহিমা প্ৰকাশ কৰাৰ লগতে আমাৰ গৌৰৱ বঢ়োৱা নাই জানো? অসমৰ চুকে-কোণে থকা লোকশিল্পী, লোকনৃত্য আৰু লোকগীতৰ শিল্পীসকলক আনি শংকৰদেৱ কলাক্ষেত্ৰত বিভিন্ন সময়ত চৰ্চা-প্ৰদৰ্শন আৰু সংৰক্ষণ কৰা বাবে আমাৰ যিমান গৌৰৱ অনুভৱ হয় তাতকৈ বেছি গৌৰৱ হয় ৰাতিৰ এন্ধাৰত শংকৰদেৱ কলাক্ষেত্ৰৰ নিৰিবিলি ঠাইবোৰত প্ৰেমিক-প্ৰেমিকাসকলৰ প্ৰেমৰ

কচৰৎ দেখি। আৰু সকলোতকৈ বেছি গৌৰৱবোধ হয় মূল পথৰ কাষতে থকা শংকৰদেৱ উদ্যানত দিনৰ পোহৰতে প্ৰেমিক-প্ৰেমিকাসকলে শংকৰদেৱৰ নামৰ মহিমা বিচাৰি ফুৰা দেখি। গুৱাহাটীত সোমায়েই শংকৰদেৱ উদ্যানত সাৰ্থকভাৱে শংকৰদেৱৰ নামৰ মহিমা প্ৰয়োগ হোৱা দেখি বাহিৰৰ দৰ্শনাৰ্থীয়ে নিশ্চয় তবধ মানে।

সি যি কি নহওক, তাকে দেখি আন ব্যৱসায়িক মহলেও শংকৰদেৱৰ নামটো ব্যৱহাৰ কৰা আৰম্ভ কৰিছে। যাৰ ফলত গঢ় লৈ উঠিছে বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান যথা শংকৰদেৱ বুক ষ্ট'ল, শংকৰদেৱ বস্ত্ৰালয়, শংকৰদেৱ পাণ ভাণ্ডাৰ, শংকৰদেৱ ৰেষ্টুৰেণ্ট আদি। জনা মতে তেওঁলোকৰো ব্যৱসায় ভালেই হৈছে।

শেহতীয়াভাৱে গুৱাহাটীৰ কেইজনমান ব্যৱসায়ীয়ে শংকৰদেৱক টানি লৈ গ'ল মদৰ দোকানলৈ। আৰম্ভ হ'ল শংকৰদেৱৰ নামত মদৰ দোকান 'শংকৰদেৱ ওৱাইন চপ', 'শ্ৰীমন্ত শঙ্কৰদেৱ বাৰ' আদি গুৰুজনাৰ নামত মদৰ দোকানৰ নাম-ফলক জিলিকি থকা দেখিলে গৰ্বত আমাৰ বুকুখন ওখ হৈ যায়।

শঙ্কৰদেৱৰ জন্মোৎসৱৰ দিনাৰ কথা। গধূলি ঢলং-পলংকৈ গ্ৰাহক এজন আহিল শঙ্কৰদেৱ ৱাইন চপলৈ। আহিয়েই কঢ়া নিৰ্দেশ —

"ঐ, এটা শংকৰ ব্ৰেণ্ডৰ মাল দে।"

"সেই ব্ৰেণ্ডৰ মাল নাই।"

"কেলেই নাই ? নামটো দিছ শংকৰদেৱ ওৱাইন চপ। এতিয়া কৈছ সেই ব্ৰেণ্ডৰ মাল নাই। নাই বুলিলে হ'বনে ?"

"সেই ব্ৰেণ্ডৰ মাল নাই নহয়, ক'ৰ পৰা দিম ?"

"আৰে, নাই বনাই দে।"

"আজি প্ৰফুল্ল ব্ৰেণ্ডকে লৈ যা।"

"নাই নাই। আজি শংকৰ ব্ৰেণ্ডেই লাগিব জন্মদিন মনাব লাগে।" ❑❑

কাৰ ৰেলী সদায় হওক : প্ৰধানমন্ত্ৰী সদায় আহক

কাৰ ৰেলীৰ নামত গুৱাহাটীৰ ৰাস্তা-ঘাটত থকা মাছ পুহিব পৰা পুখুৰীবোৰৰ মেক্‌আপৰ কাম প্ৰায় শেষ হৈছে। মাথো ঠায়ে ঠায়ে লিপ্‌ষ্টিক ঘঁহাবলৈ বাকী আছে। নতুনকৈ আৰম্ভ কৰিছে ৰাজধানী দিছপুৰক সজোৱা-গঢ়োৱাৰ কাম। শ শ বনুৱা, ৰাজমিস্ত্ৰি, কাঠমিস্ত্ৰি, ৰং মিস্ত্ৰি, ঠিকাদাৰ, মহৰি, ইঞ্জিনীয়াৰ এইকেইদিন দিছপুৰত উবুৰি খাই পৰিছে। দিন-ৰাতিৰ চিন নাই। নৰকাসুৰে ৰাতিৰ ভিতৰতে কামাখ্যা মন্দিৰলৈ উঠি যোৱা শিলৰ ৰাস্তা বান্ধিছিল এই অসমৰ বনুৱাৰ দ্বাৰাই। লাচিত বৰফুকনে ৰাতিৰ ভিতৰতে গড় বান্ধি মোগলক ভেটিছিল এই অসমতেই। গতিকে ৰাতিটোৰ ভিতৰতে দিছপুৰৰ ৰাজধানীখন সজাই তুলিব নোৱাৰিব কিয়? লাচিতেহে পাৰেনে? লাচিতৰ দেশৰ মানুহে নোৱাৰিব কিয়? লাচিতেতো নিজে কৰা নাছিল, বনুৱাইহে কৰিছিল। অৱশ্যে লাচিতে ঠিকা দিছিল নে বনুৱা লগাই কৰিছিল কোনেও নিশ্চিত নহয়। সেইটো বিষয়ে এতিয়াও গৱেষণা চলি আছে।

যি হওক, আমাৰ দিছপুৰৰ প্ৰভুসকলে কিন্তু লাচিতৰো চকু থিয় হৈ যোৱা কাম কৰিছে এইকেইদিনত। আগদিনা যিখন ঠাইত খেলপথাৰ আছিল পিচদিনা মানুহে দেখি অবাক হয় যে তাত খেলপথাৰখন নাই। তাৰ ঠাইত জিলিকি আছে ছবিত দেখাৰ দৰে ধুনীয়া ৰং-চঙীয়া কেইবামহলীয়া অট্টালিকা। সন্মুখত চালে চকুৰোৱা ফুলনি। মৰুভূমিৰ দৰে শুকান ঠাইখনত ৰাতিৰ ভিতৰতে নানা ৰঙৰ দেশী-বিদেশী ফুলেৰে জক্‌মকাই আছে। কাষত আকৌ চালে চকুৰোৱাকৈ সজোৱা সৰোবৰ। সৰোবৰৰ পাৰত জিৰণি গৃহ। হঠাৎ দিছপুৰ সাৰ পাই উঠাৰ কাৰণ অহা ২১ নৱেম্বৰ তাৰিখে প্ৰধান মন্ত্ৰী আহিব কাৰ ৰেলী উদ্বোধন কৰিবলৈ। আমাৰ মুখ্য মন্ত্ৰীয়ে বোলে আহিবই যেতিয়া আমাৰ নতুন ৰাজধানীখনো উদ্বোধন কৰি থৈ যাওঁক। দুবাৰ আহিব নালাগে, আপোনাৰোতো আঁঠুৰ বিষ হৈ যাব পাৰে। দিল্লীৰ পৰা ঘূৰি আহি মুখ্য মন্ত্ৰীয়ে দেখে যে কাম আধাও শেষ হোৱা নাই। কি কৰে এতিয়া? প্ৰধান মন্ত্ৰীকতো নিমন্ত্ৰণ কৰি থৈ আহিল। গতিকে মন্ত্ৰী, অফিচাৰ, ইঞ্জিনীয়াৰ, ঠিকাদাৰ সকলোকে মাতি আনি কঢ়া অৰ্ডাৰ দিলে বোলে ২১ নৱেম্বৰৰ আগতে ৰাজধানীখন

ইন্দ্রপুৰী সজাব লাগিব। এইখন লাচিতৰ দেশ। লাচিতে যদি একে ৰাতিৰ ভিতৰতে ইমান ডাঙৰ-দীঘল গড় এটা বান্ধিব পাৰিছিল আপোনালোকে এসপ্তাহৰ ভিতৰত কিয় নোৱাৰিব? আপোনালোকৰো গাত লাচিতৰ তেজ আছে বুলি প্ৰমাণ কৰি দেখুৱাওক। ঠিকাদাৰবিলাকে বোলে "হ'ব ছাৰ, কোনো কথা নাই। সাতদিন নালাগে, ইচ্ছা কৰিলে আমিও ৰাতিৰ ভিতৰতে বনাই দিব পাৰো। গাঁতবোৰত কি দি কেনেকৈ নেদেখা কৰি ৰাখিব লাগে, ঘৰবোৰত বালি আৰু ৰং লেপি দূৰৰ পৰা কেনেকৈ ধুনীয়া দেখা কৰি দিব লাগে আমি জানো ছাৰ। অসম্ভৱক সম্ভৱ কৰাই আমাৰ কাম। আমিও লাচিতৰ দেশৰ ঠিকাদাৰহে।"

বচ্, লাগি গ'ল যুদ্ধকালীনভাৱে। খন্দাই খান্দিছে, পোতাই পুতিছে, ভঙাই ভাঙিছে, গঢ়াই গঢ়িছে। এটা দলে এফালৰ পৰা চিমেণ্ট লেপি গৈছে, আনটো দলে ৰং লেপি গৈছে। কাৰো মাতিবলৈ সময় নাই। তাৰ মাজতে এজন ঠিকাদাৰে আন এজনক সুধিলে— "কামবোৰ বৰ ভাল নহ'ল নেকিহে?"

আনজনে বোলে "আমাক ভাল হোৱাৰ কথা কোৱা নাই নহয়। কাম হোৱাৰ কথাহে কৈছে। কাম যিয়েই নহওক দেখাত ভাল হ'বহে লাগে। ভাল হ'লে আপুনি ঠিকাদাৰ হৈ থাকিব পাৰিবনে?"

"মানে?"

"আপুনিও বৰ অকৰা হে-ৰি। এবাৰতে যদি ভালকৈ কৰি দিয়ে পিছলৈ আপোনাৰ কাম থাকিবনে? আৰু কাম নাথাকিলে আপুনি ঠিকাদাৰ হৈ থাকিব কেনেকৈ?"

"এৰা, আপুনি ঠিকেই কৈছে।"

"গতিকে কাৰ ৰেলী সদায় হওক, প্ৰধান মন্ত্ৰী সদায় আহক, ৰাজধানী সদায় উদ্বোধন হওক। বুজা নাই? এইবোৰ যে বনোৱা হৈছে, সাতদিনৰ গেৰাণ্টিত বনোৱা হৈছে। সাতদিনৰ পাছত এইখন এনেকুৱা হৈ থাকিব বুলি ভাবিছে নেকি? প্ৰধান মন্ত্ৰীয়ে উদ্বোধন কৰি যোৱাৰ পাছত এইখন আকৌ আগৰ দিছপুৰ হ'ব। গতিকে আকৌ প্ৰধান মন্ত্ৰী আহিলে আকৌ ৰাতিৰ ভিতৰতে আমিয়েই বনাব নালাগিব জানো? এতিয়া বুজিছেনে?"

"এৰা! আপোনাৰ গাত লাচিতৰ তেজ নহয়, কেকেৰু কলিতাৰ তেজহে আছে যেন পাওঁ।" ❑❑

কাৰ ৰেলীৰ লাভ

কথা এষাৰ আছে নহয়, বোলে সাজি-কাচি ওলালে বান্দৰীও সুন্দৰী হয়। এই কেইদিন যুদ্ধকালীন তৎপৰতাৰে গুৱাহাটী মহানগৰীৰ ৰাস্তা-ঘাটবোৰত ৰং ঘঁহি ধুনীয়া কৰিব ধৰা দেখি তেনে যেনহে লাগিছে। গুৱাহাটীখনক ন-কইনা সজোৱা দি সজাব ধৰা যেনহে লাগিছে। পিছে ন-কইনাক বিয়াৰ দিনটোৰ বাবেহে সজোৱা হয়। গুৱাহাটীখনকো ইগো এছিয়ান কাৰ ৰেলী'ৰ দিনটোৰ বাবেহে সজোৱা হ'ব যেন লাগে। বিয়াৰ পিছদিনা আগৰ ফাফৰীজনী হোৱাৰ দৰে গুৱাহাটীৰ ৰাস্তাবোৰো কাৰ ৰেলী হৈ যোৱাৰ পিছতে ই আগৰ ৰূপ ল'ব। কাৰণ ৰাস্তা-ঘাটবোৰ সজাই থকা মানে নতুনকৈ সজোৱা নাই নহয়, বগা আৰু সেউজীয়া ৰং ঘঁহিহে আছে। মানে বিউটি পাৰ্লাৰত সোমাই মেক্‌আপ্ কৰাই বান্দৰীজনীয়ে সুন্দৰী হৈ ওলাই অহাৰ দৰে ৰাস্তাবোৰতো যেনি-তেনি ৰং ঘঁহি সেই দিনটোৰ বাবে সুন্দৰ কৰি উলিয়াব খুজিছে। যাতে ওখোৰা-মোখোৰাবোৰ চকুত নপৰে। সেই নিৰ্দিষ্ট দিনটো পাৰ হৈ যোৱাৰ পাছত আৰু কোনে চায়। চালেও কোনে দেখিব? আমাৰতো দেখিও নেদেখা স্বভাবটো স্থায়ী হৈ গৈছে।

এই যে ৰাস্তাত ৰং ঘঁহিছে, তাৰো কাৰণ আছে। বাৰিষাৰ ছমাহ যে এজাক বৰষুণতে গুৱাহাটীখন মহাসাগৰ হৈ আছিল। পাকঘৰে-পায়খানাই সমান হৈ গৈছিল। পাহাৰৰ পৰা নামি অহা ৰঙা মাটি আৰু পানীয়ে ঘৰবোৰ বাৰে বাৰে জুবুৰিয়াই থৈ গৈছিল। ঘৰবোৰৰ আচল ৰং উঠাই নি ৰঙাপানীয়ে তাৰ নিজৰ ৰং সানি দি সি অহাৰ প্ৰমাণ থৈ গৈছিল। ৰাস্তাবোৰো বেছিভাগ সময় পানীৰ তলতে থকা বাবে তাৰ ওপৰত এটা ডাঠ চামনি পেলাই দিছিল। কাৰ ৰেলীত বিভিন্ন দেশৰ মানুহৰ সমাগম হ'ব। তেওঁলোকে যদি সেইবোৰ দেখে আমাৰ নাক থাকিবনে? কিন্তু মেৰামতি কৰি টকাবোৰ খৰচ কৰিওতো একো লাভ নাই। গতিকে ওপৰত ৰং মাৰি কাম চলাকৈ সেইবোৰ ঢাকি থ'লেই খেলা খতম।

বাহিৰৰ মানুহৰ ৰাস্তাই-ঘাটে চিক্‌মিকনি দেখি যেতিয়া চকু জলক্-তপক্ কৰিব তেতিয়া তাকেই গুৱাহাটীৰ আচল ৰূপ বুলি ভাবি চৰকাৰক বাঃ বাঃ দিব। অপৰূপ গুৱাহাটী বুলি

বাহিৰত প্ৰচাৰ কৰিব। আৰু কি লাগে? অকল যে ৰাস্তাত ৰং দিয়েই এৰিব সেইটো নহয়। ৰাস্তাৰ কাষৰ বাসিন্দাবোৰকো নিজৰ নিজৰ ঘৰবোৰ ৰং কৰি বানপানীৰ দাগবোৰ ঢাকি দিয়াৰ বাবে চৰকাৰীভাৱে অনুৰোধসূচক নিৰ্দেশ দিয়া হৈছে। কাৰণ, ইমান ধুনীয়া ৰাস্তাৰ কাষত বানপানীয়ে চকলা-চকল ৰং এৰোৱা ঘৰবোৰ থাকিলে সৌন্দৰ্য হানি নকৰিবনে? সেইটো বাসিন্দাসকলে বুজা উচিত।

সেইটো বাৰু বুজিলো। কিন্তু এই কাৰ ৰেলীৰ পৰা কাৰ কি লাভ হ'ব সেইটোহে নুবুজিলো।

লাভ? একেবাৰে সহজ কথা। কাৰ ৰেলীয়ে চীন দেশৰ দুৱাৰ মুকলি কৰি দিব। আৰু সেই মুকলি দুৱাৰেৰে ফুলাম গামোচা আৰু মেখেলা-চাদৰ ভৰ্তি ট্ৰাক আহি অসম সোমাব। আগতে মাদ্ৰাজৰ পৰাহে অসমলৈ ফুলাম গামোচা আহিছিল। এতিয়া চীনৰ পৰাও আহিব। আগতে হেনো সেই ৰাস্তাটোক চিল্ক ৰোড বুলি কৈছিল। মানে চীন দেশৰ পৰা আন বস্তুৰ উপৰিও বিশেষভাবে চিল্কৰ কাপোৰ আহিছিল হেনো অসমলৈ। ছশ বছৰ ৰাজত্ব কৰা আহোমসকলো হেনো সেই ৰাস্তাটোৰেই নামি আহিছিল অসমলৈ। এতিয়া সেই ৰাস্তাৰেই চীন দেশৰ পৰা সমন্বয়ৰ প্ৰতীক হিচাপে ফুলাম গামোচা আৰু মেখেলা-চাদৰ আহিব। সেই মেখেলা-চাদৰেৰে অসমৰ বজাৰ ভৰি পৰিব। মানে অসমৰ বজাৰখনত ৰাজত্ব বিস্তাৰ কৰিব। কম দামত পোৱা সেইবোৰ গামোচা আৰু মেখেলা-চাদৰ ব্যৱহাৰ কৰি আমি গৌৰৱ কৰিব পাৰিম। আমাৰ শিপিনীসকলে সেইবোৰ বোৱাৰ বাবে শাল টানি টানি বুকুৰ বিষ কৰিব নালাগে। তাঁতশালবোৰত ভালকৈ তেল-টেঙা ঘঁহি ড্ৰইং ৰুমত সজাই থ'ব পৰা হ'ব। শিপিনীবোৰে মহাসুখত থাকিব পাৰিব। সেইটো আমাৰ কাৰণে লাভৰ কথা নহয় নেকি? □□

দেৱালী

ভাৰতৰ জাতীয় উৎসৱ

দেৱালী শব্দটো দেউলীয়াৰ পৰা দেৱলীয়া, তাৰ পৰা মুখ বাগৰি দেৱালী হোৱা যেন লাগে। কাৰণ দেৱালী মানে খেলা, মানে জুৱা খেলা। জুৱা মানে খেলত হাৰি কিছুমান দেউলীয়া হোৱা। আৰু দেউলীয়া হোৱাৰ পিছত বৈৰাগী হৈ কোনোবা দেৱালয় বা মন্দিৰত গৈ পুৰোহিতৰ আলধৰা হৈ থকা। আলধৰা হৈ থাকিলে পুৰোহিতৰ নিৰ্দেশক্ৰমে দেৱালয়ৰ দেৱাল চাফা কৰা আদি কাম কৰা। সেই হিচাপে দেৱালী শব্দটো মূল দেউলীয়া শব্দৰ পৰা আহিব পাৰে। সেইবোৰ অৱশ্যে ভাষাবিদসকলৰ কথা। তাত আমাৰ দৰে ঘটিৰাম-বাতিৰামৰ কথা কোনে শুনে।

ধৰ্মীয় নেতাসকলে আকৌ কয় বোলে দেৱালী আনন্দৰ উৎসৱ, পোহৰৰ উৎসৱ। ৰাৱণক বধ কৰি সীতাক উদ্ধাৰ কৰাৰ পিছত, বনবাসৰ অন্ত পৰাত শ্ৰীৰামচন্দ্ৰ যেতিয়া অযোধ্যালৈ উভতি আহে তেতিয়া অযোধ্যাৰ প্ৰজাগণে তেওঁলোকৰ প্ৰিয় ৰজাক আদৰি নিয়াৰ বাবে প্ৰতিঘৰ প্ৰজাৰ ঘৰৰ সন্মুখত বন্তি জ্বলাইছিল, সেই বন্তিৰ পোহৰে গোটেই দেশখন পোহৰাই তুলিছিল আৰু আনন্দত আত্মহাৰা প্ৰজাগণে নাচিছিল, গাইছিল, আনন্দত মতলীয়া হৈছিল। যেন ৰামচন্দ্ৰৰ আগমনত অযোধ্যাৰ পৰা এন্ধাৰ আঁতৰি পোহৰৰ আগমন ঘটিল। অৱশ্যে আজিকালিৰ দৰে বিজুলী থকা হ'লে ৰং-বিৰঙৰ বিজুলী চাকি জ্বলালেহেঁতেন। আৰু জুৱাৰীসকলে! জুৱাৰীসকলে আনন্দতে সাতদিন সাতৰাতি একেৰাহে বহি মাল খাইছিল আৰু জুৱা খেলিছিল।

"জুৱা? তেতিয়াৰ দিনত জুৱা আছিল জানো?"

"আছিল মানে! তেতিয়াৰ দিনত সৰু-সুৰা প্ৰজাৰ কথা বাদেই স্বয়ং ৰজা-মহাৰজাসকলেই জুৱাৰ আড্ডাত বহিছিল। তেতিয়াৰ দৰে জুৱাৰী এতিয়া কেইজন ওলাব? জুৱাত হাৰি ৰজা ভিক্ষাৰী হৈছিল। ভিক্ষাৰী ৰজা হৈছিল তেতিয়াৰ দিনত। যুধিষ্ঠিৰ ৰজাই

জুৱাত ৰাজ্য-ধন সকলো হেৰুৱাৰ পাছত ভায়েক চাৰিজনক আৰু শেষত নিজ ভাৰ্যা দ্ৰোপদীকো জুৱাত ধৰাৰ কথা শুনা নাই জানো মহাভাৰতত! জুৱাত হাৰি যুধিষ্ঠিৰ ৰজাই ৰাজ্য-ধন এৰি বনবাস খাটিবলগীয়া হোৱা নাছিল জানো? তেতিয়াৰে দিনৰ জুৱাৰীসকলে নিজৰ তিৰোতাসকলকো সম্পত্তিৰ দৰে জুৱাত ধৰিছিল। তেতিয়া গিনিজ বুকৰ ব্যৱস্থা নাছিল কাৰণেহে, নহ'লে যুধিষ্ঠিৰৰ নাম শ্ৰেষ্ঠ জুৱাৰী হিচাপে গিনিজ বুকত জিলিকি থাকিলহেঁতেন।

দেৱালীক পোহৰৰ উৎসৱ বুলিও কোৱা হয়। পৌৰাণিক কাহিনীমতে কামৰূপৰ অত্যাচাৰী ৰজা নৰকাসুৰক শ্ৰীকৃষ্ণই বধ কৰাৰ পিছত সহস্ৰ বন্তি জ্বলাই আনন্দ উৎসৱ কৰিছিল। শ্ৰীকৃষ্ণই অসুৰ শক্তিক বধ কৰি ৰাজ্যৰ পৰা আন্ধাৰ আঁতৰাই পোহৰ বিলোৱাৰ প্ৰতীক হিচাপে সহস্ৰ প্ৰদীপ জ্বলাইছিল ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰত। সেয়েহে এতিয়াও পণ্ডিসকলে দেৱালীক পোহৰৰ উৎসৱ বুলিহে কয়। দেশখনৰ পৰা হেনো এন্ধাৰ আঁতৰাই এই দেৱালীয়ে পোহৰ বিলায়। হাঁহি উঠা কথা নহয়নে বাৰু? প্ৰতিবছৰে দেখোন দেৱালী পাতিয়েই আছো, এন্ধাৰ আঁতৰিছে জানো? বাহিৰখনত ৰং-বিৰঙৰ বিজুলী চাকি জ্বলাই পোহৰ কৰিলে কি হ'ব, ভিতৰখন দেখোন ক্ৰমান্বয়ে এন্ধাৰৰ পৰা এন্ধাৰ হৈ গৈ আছে। সেইকাৰণে কৈছো পণ্ডিতসকলে যি কয় কৈ থাকক। আমাৰ মতে দেৱালী মানে মাল খাওক, জুৱা খেলক আৰু স্ফূৰ্তি কৰক। কিছুমানে দেউলীয়া হ'লেও হওক তাতো আনন্দ আছে। আনন্দ মানে আনন্দই। তাত দেউলীয়া হোৱাৰ চিন্তা কৰি মূৰ গৰম কৰাৰ কি দৰকাৰ! কাৰণ দেৱালীৰ ৰাতি জুৱা খেলি ৰজা হৈ যোৱা জনেওতো ৰজা হোৱাৰ আনন্দত ফট্‌কা ফুটাই দেউলীয়া হৈ যাব পাৰে। গতিকে আমাৰ মতে এই দেৱালীটোক ভাৰতৰ জাতীয় উৎসৱৰ স্বীকৃতি দি কমেও দহদিনীয়াকৈ পালন কৰাৰ দিহা কৰিব লাগে। তেহে ভাৰত উন্নতিৰ পথত আৰু এখোজ আগবাঢ়ি যাব পাৰিব। ◻◻

যা দেৱী সৰ্বভূতেষু...

দুৰ্গাপূজাৰ দিনকেইটাত দেশৰ আকাশে-বতাহে ঘূৰি ফুৰে এই মন্ত্ৰ ফাঁকি—

"যা দেৱী সৰ্বভূতেষু শক্তিৰূপেন সংস্থিতা...

নমঃস্তস্যৈ নমঃস্তস্যৈ নমঃস্তস্যৈ নমো নমঃ।

যা দেৱী সৰ্বভূতেষু.... ।"

গোটেইখন গম্‌গমাই যোৱাকৈ পুৰোহিতসকলে মাইকততো গায়েই কেছেটো বজায় কিছুমানে। মুঠতে বেলেগ কথা নাই, দেৱীস্তুতি মন্ত্ৰই চাৰিওফালে ৰজন্‌জনাই থাকে। আগতেতো ইমান ডাঙৰকৈ মন্ত্ৰ মতাৰ কথা নাছিল, এতিয়া কিয় ইমান ডাঙৰকৈ মন্ত্ৰ মাতে বাৰু?

সেইটোও বুজা নাইনে? নুশুনে বুলি আকৌ। দেৱীৰ হেনো কাণৰ দোষ হৈছে। বয়স হ'লতো। সেইকাৰণে ডাঙৰকৈ গাবলগীয়া হৈছে। অৱশ্যে আন এটা কথাও আছে। দুৰ্গা পূজা আচলতে বসন্ত কালতহে পাতে। শৰৎ কালৰ দুৰ্গাপূজা আবতৰীয়া। ৰজা সুৰথে বিশেষ পৰিস্থিতিত পৰি শৰৎ কালত অকালবোধন দুৰ্গাপূজা পাতিছিল। আৰু শ্ৰীৰামচন্দ্ৰইও শৰৎ কালত অকালবোধন দুৰ্গাপূজা পাতিছিল ৰাৱণ বধৰ বাবে। আহোম ৰজাৰ দিনত বৰৰজা ফুলেশ্বৰীয়ে আকৌ দুৰ্গাপূজা পাতিছিল মোৱামৰীয়া মহন্তসকলক দুৰ্গাপূজাত দিয়া বলিৰ তেজৰ ফোট দি এশিকনি দিয়াৰ বাবে। তাৰ বহুবছৰ পাছত বিদেশী ইংৰাজসকলে ভাৰতৰ শাসনভাৰ লোৱাৰ আনন্দত বিজয় উৎসৱ পালন কৰা হৈছিল দুৰ্গাপূজাৰ ৰূপত, শৰৎ কালত আবতৰীয়া দুৰ্গাপূজা পাতি, ইংৰাজ চাহাব লৰ্ড ক্লাইবৰ নিৰ্দেশত। তেতিয়াৰ পৰা একেৰাহে আজিলৈ এই আবতৰীয়া দুৰ্গাপূজা চলিয়েই আছে। বিদেশী শাসকৰ নিৰ্দেশক্ৰমে আজিলৈ আবতৰীয়া পূজা পাতি আজিও আমি বিদেশী শাসকৰ আনুগত্য স্বীকাৰ কৰি নিজকে ধন্য মানিছো। তাকেই মাইক বজাই সুদূৰ ইংলেণ্ডত থকা চাহাবসকলে শুনাকৈ চিঞৰি চিঞৰি মন্ত্ৰ মাতি আনুগত্য স্বীকাৰ কৰি চাহাবসকলৰো আশীৰ্বাদ বিচাৰিছো। আৰু পূজালৈ দুৰ্গাদেৱী নাহিব পাৰে বুলি ভাবি স্বৰ্গলোকলৈ যাতে মন্ত্ৰধ্বনি যায় তাৰ বাবে ডাঙৰকৈ মন্ত্ৰ পাঠ কৰা হয়। অন্ততঃ মন্ত্ৰ শুনি হ'লেও যাতে দুৰ্গাদেৱী পূজা মণ্ডপলৈ

আছে সেই আশাত।

সেইটো বাৰু বুজিলো। কিন্তু সেই মন্ত্ৰফাকিৰ দ্বাৰা দুৰ্গাদেৱীক আহিবলৈ কয় নে যাবলৈ কয় বাৰু?

আহিবলৈও কয়, যাবলৈও কয়।

মানে?

এই যে 'যা দেৱী সৰ্বভূতেষু শক্তিৰূপেন সংস্থিতা' মানে কি জানেনে?

কেলেই নাজানিম? মানে হে দেৱী, ভূত-প্ৰেতবোৰ লগত লৈ তুমি গুচি যোৱা।' মানে গাড়ী-মটৰৰ খুন্দাত পৃথিৱীৰ পৰা ভূত-প্ৰেতবোৰ পলাইছেই; যিখিনি অৱশিষ্ট আছে সেইখিনিৰ এলাই-এঠানি হৈছে। গতিকে সেইখিনি তুমি লগত লৈ যোৱা।

ভূত-প্ৰেত নিবলৈহে কৈছে; দৈত্য, দানৱ, অসুৰবোৰ নিবলৈ কোৱা নাই। অকলযে ভূত-প্ৰেতবোৰহে লগত লৈ যাবলৈ কয় দৈত্য-দানৱবোৰ লৈ যাবলৈ নকয় কিয়?

ক'লেই বাৰু, নিব কেনেকৈ? এটা-দুটাটো নহয়। গোটেই দেশখন দৈত্য-দানৱেৰে ভৰি আছে, কেনেকৈ নিব ইমানবোৰ দৈত্য-দানৱক। গতিকে ভূত-প্ৰেতবোৰকে নিবলৈ কৈছে। আৰু ইমানবোৰ দৈত্য-দানৱ নি স্বৰ্গৰাজ্যত মেলি দিলে দেৱতাবোৰে দুৰ্গাদেৱীক সুদাই এৰিবনে? দেৱতাবোৰক খেদি দৈত্যবোৰেই দেখোন স্বৰ্গ দখল কৰি বহিব। স্বৰ্গৰ পৰা মহিষাসুৰক আনি ইয়াতে মাৰি থৈ যায়। তেনেস্থলত ইয়াৰ পৰা স্বৰ্গলৈ অসুৰ লৈ যাবনে? এটা অসুৰকে মাৰি শেষ কৰিব পৰা নাই আজিলৈ আৰু ইয়াৰ পৰা এপাল অসুৰ লৈ যাবনে স্বৰ্গলৈ!

ঠিক আছে নিব নালাগে বাৰু, মাৰি থৈ যাবওতো পাৰে।

ক'লোৱেই নহয়, অসুৰেৰে দেশখন ভৰি আছে। কিমানক মাৰিব? গতিকে বলে নোৱাৰা শিলক পৰি নমস্কাৰ। এতিয়া দেশত অসুৰৰেই পূজা চলে ঘৰে ঘৰে। ৰাজহুৱা পূজা মণ্ডপত দেৱীৰ সলনি অসুৰৰ পূজা পতাৰ যো-জা কৰা হৈছে। গতিকে দুৰ্গাদেৱীক পূজা খোৱাৰ আশা বাদ দি পূজা মণ্ডপটো আজৰাই দি ভূত-প্ৰেতবোৰ লৈ স্ব-স্থানে প্ৰস্থান কৰাৰহে আহ্বান দিয়া হৈছে।

মাইকত।

সকলোৱে শুনাকৈ।

ভাঙৰকৈ। ❑❑

দেৱী দুৰ্গাৰ আগমন ঃ বিচাৰি মহিষাসুৰ গণ

এইবাৰ পূজাৰ বহু আগতে আহিল দেৱী দুৰ্গা। সময়তকৈ কিয় আগতে আহিল সেই লৈ মানুহৰ মাজত গুণা-গঁথা চলিল। নানা জনৰ নানা মত। কিছুমানৰ মতে অসমৰ সকলো বস্তু ভেজাল। এই ভেজাল বস্তুৰে দিয়া পূজা খাই যোৱা বছৰৰ পৰা হেনো দেৱীয়ে পেটৰ অসুখত ভুগি আছে। এতিয়ালৈ হেনো পেটটো ভালকৈ ভালেই হোৱা নাই। গতিকে এইবাৰ আগতীয়াকৈ আহি এড্‌জাষ্ট হৈ ল'ব বিচাৰিছে। আৰু অনুসন্ধান কৰিব বিচাৰিছে গণ্ডগোলটো ক'ত? বুঢ়া হোৱাৰ বাবে তেওঁৰ হজম শক্তি কমিছে নে বস্তুবোৰ ভেজাল? আৰু যদি সঁচাকৈ খোৱা বস্তু ভেজাল তেনেহ'লে কোনে ভেজাল কৰে? ক'ত ক'ত ভেজাল কৰে? আৰু কি কি বস্তু ভেজাল কৰে? আৰু এই ভেজালকাৰীসকলৰ উদ্দেশ্য কি? এই ভেজাল বস্তু খাই তেওঁৰ দৰে মৰ্ত্যৰ লোকসকলৰো পেটৰ অসুখ হৈছেনে নাই।

সেই কাৰণে আহিল আগতীয়াকৈ। নাৱত উঠি। নাও চলিবলৈ পানী লাগে। গতিকে যিমানে পাৰে পানী এৰি দিলে। গোটেই অসমখন বুৰ যোৱাকৈ পানী এৰি দিলে তেহে অনায়াসে নাও চলিব পাৰিব। অসম পায়েই নাৱত উঠি ইমূৰৰ পৰা সিমূৰলৈ অসমখন ঘূৰা আৰম্ভ কৰি দিলে দেৱীয়ে। দলে-বলে নাৱেৰে গৈ যি ঠাইতেই উপস্থিত হয় মানুহবোৰে আগুৰি ধৰে সাহায্য দিবলৈ যোৱা চৰকাৰী দল বুলি ভাবি। পিছে নাৱত কোনো সাহায্য সামগ্ৰী নেদেখিলে লগে লগে আঁতৰি যায় মানুহবোৰ। তাকে দেখি দুৰ্গাদেৱীয়ে তেওঁলোকৰ গাইড পুৰোহিতজনক সুধিলে— "আমাক দেখি মানুহবোৰ আঁতৰি গৈছে কিয়?" পুৰোহিতে বোলে, "আপোনালোকক দেখি আঁতৰি যোৱা নাই। নাৱত সাহায্য সামগ্ৰী নেদেখিহে আঁতৰি গৈছে। এনেতে আকাশত দেখা গ'ল এখন হেলিকপ্টাৰ। হেলিকপ্টাৰৰ কাণতাল মৰা শব্দত মূৰ ঘূৰাই নাৱতে পৰি গ'ল দুৰ্গাদেৱী। জ্ঞান পাই পুৰোহিতক সুধিলে— "সেইখন কি? ইমান শব্দযে! আকাশখন ফালি পেলোৱা যেন পালো" পুৰোহিতে বুজাই

দিলে, "সেইখন হেলিকপ্টাৰ। তাত উঠিহে এই মুলুকৰ মন্ত্ৰীয়ে বানপানীৰ সময়ত হোৱা প্ৰজাৰ দুখ-দুৰ্গতিৰ বুজ লয়। আপুনি স্বৰ্গৰ দেৱী কাৰণে নাৱত আহিছে। মৰ্ত্যৰ দেব-দেৱী হোৱা হ'লে আপুনিও হেলিকপ্টাৰতে আহিলহেঁতেন। আৰু আপোনাৰ ভোলানাথেও ষাড়গৰুৰ সলনি.....।

এৰা, ভোলানাথৰ কাৰণেহে দেৱীয়ে কষ্টকো কষ্ট নুবুলি নাৱত উঠি ঘূৰি ফুৰিছে। কাৰণ কৈলাসতে দেৱীৰ জক্ উঠাই পঠাইছে ভোলানাথে— "বোলে তুমি কি পূজা খাবলৈ যোৱাহে? পূজাত দিয়া ভেজাল বস্তু খাই খাই মিছাতে পেটটো বেয়া কৰিছা। ভক্তবোৰে দিয়া ভেজাল বস্তুকে তুমি ভাল বস্তু বুলি খাই পেট বেমাৰী হৈছা। সেইবোৰ হৈছে মৰ্ত্যৰ মহিষাসুৰবোৰৰ কাম। সিহঁতে তোমাক ভেজাল বস্তু খুৱাই পেট বেমাৰী কৰি দুৰ্বল কৰিব খুজিছে। আৰু তুমি........"

স্বৰ্গৰ অসুৰটো নি তাত মাৰি থৈ আহিব পাৰিবা। কাৰণ, সদায় সদায় তোমাৰ লগত গৈ মৰ্ত্যলোকত পূজা খাই খাই সিও পেট বেমাৰী হৈছে। কিন্তু মৰ্ত্যলোকত যে হাজাৰ হাজাৰ মহিষাসুৰে দপ্‌দপাই ঘূৰি ফুৰিছে, পাৰিবা জানো বধ কৰিব সিহঁতক? সিহঁতৰ অসীম শক্তি। তোমাৰ জানো আগৰ শক্তি আছে? তোমাৰ দেহাটো বেমাৰী হ'ল। চকুৰো পাবাৰ কমিছে। চিনি উলিয়াব পাৰিবা জানো মৰ্ত্যলোকৰ মহিষাসুৰবোৰক। সিহঁতে নানা বেশ ধৰি থাকে। তুমি অকলে নোৱাৰিবা, ইহঁত কাৰ্তিক আৰু গণেশকো লৈ যোৱা।

দেৱীক আৰু কোনে পায়? দলে-বলে নৌকা বাহনে দেৱীৰ মৰ্ত্যলোক আগমন। নাৱৰ গুৰিবঠা ধৰিছে গণেশে, আগত কাৰ্তিক। দুয়োকাষে লক্ষ্মী আৰু সৰস্বতীক লৈ নাৱৰ মাজত স্বয়ং দেৱী দুৰ্গা। মৰ্ত্য লোকত মহাপ্ৰলয়ৰ সৃষ্টি কৰা পানীৰ গতিৰে চলিছে দেৱীৰ নৌকা। নৌকাই সৃষ্টি কৰা পানীৰ ঢৌত ঘৰ-বাৰী, মানুহ, গৰু, ৰাস্তা-দলং কত কি উটি গৈছে ঠিকনা নাই। দেৱীৰ সেইবোৰলৈ চকু নাই। দেৱীৰ লক্ষ্য মহিষাসুৰ। মৰ্ত্যৰ মহিষাসুৰ। বিচাৰি উলিয়াবই লাগিব পূজাৰ আগতে। ❑❑

দুই মʼহৰ যুঁজ বিৰিণাৰ মৰণ

এই কেইদিন ৰাতিপুৱা বাতৰি-কাকতখন হাতত লʼলেই দেখিবলৈ পোৱা প্ৰধান বাতৰিবোৰ হʼল এনেধৰণৰ— অমুক পুলিচ থানাত বোমা ফুটি দুজনৰ মৃত্যু, ৭ জন আহত। তমুক বজাৰত স্কুটাৰ এখনত থকা বোমা ফুটি পাঁচজনৰ মৃত্যু, চল্লিশজন আহত। তমুক বাছ আস্থানত বোমা ফুটি আঠজনৰ মৃত্যু আৰু পঞ্চাশজন আহত, তাৰ ভিতৰত চাৰিজনৰ অৱস্থা সংকটজনক। বাতৰি-কাকতবোৰ পঢ়ি পঢ়ি মন্ত্ৰীৰ চামচা এজনে ভাবিলে এই যে মৰিল, গুৰুতৰভাৱে আহত হʼল বা আহত হৈ চিৰদিনৰ বাবে ঘূণীয়া হʼল সেইবোৰৰ ভিতৰত কোনো মন্ত্ৰী, বিধায়ক বা ডাঙৰ বিষয়াতো নাই। সেইবোৰ সাধাৰণ মানুহহে। সেই সাধাৰণ মানুহবোৰ মৰিলে কাৰ কি লাভ হʼব সি ভাবি ভাবি একো উত্তৰ উলিয়াব নোৱাৰিলে। এনেতে কাকতত আকৌ পালে বোলে এই বজাৰে, বাছ আস্থানে, পুলিচ থানাই বোমা দি সাধাৰণ মানুহ মৰাৰ দৰে নিকৃষ্ট কাম আলফাই কেতিয়াও নকৰে। সেইবোৰ চৰকাৰৰ কাম। চৰকাৰেই বোমা দি মানুহ মাৰি আলফাক বদনাম দিছে।

চামচাজনে ভাবিলে এইটোতো বৰ ডাঙৰ কথা হʼল। পুলিচৰ চাকৰিৰ বজাৰখন গৰম হৈ উঠিছেহে। এই সময়ত এই বোমা-বাৰুদবোৰ ফুটি থাকিলে ঘূৰা-ফুৰা কৰাই টান হʼব আৰু ঘূৰি ফুৰি যদি দুই-চাৰিটা মক্কেল গোটাব নোৱাৰে তেনেহʼলে চলাই টান হʼব নহয়। মন্ত্ৰীয়ে খবৰ দিলেই দিছপুৰলৈ দৌৰিব লাগিবই। তেতিয়া বাছত বা বাছ আস্থানত যদি বোমা ফুটে! কথাটো মনলৈ অহাৰ লগে লগে গাৰ নোম ডাল ডাল হয়।

তেওঁৰ খেলি-মেলি লাগিল বাতৰি-কাকতবোৰ পঢ়ি পঢ়ি। বোমা আলফাই ফুটাইছে নে পুলিচে ফুটাইছে। এখন পেপাৰত যদি কৈছে বোমা আলফাই ফুটাইছে আনখন পেপাৰত আকৌ কৈছে চৰকাৰেহে বোমা ফুটাই আলফাৰ লগত প্ৰতিযোগিতা কৰিছে। কোনটো সঁচা, কোনটো মিছা উৱাদিহ নাপাই চিধা মন্ত্ৰীৰ ওচৰ পালেগৈ—

"ছাৰ, কথা এটা হ'ল নহয়?"

"কি হ'ল?"

"পেপাৰত সেইবোৰ কি লিখিছে দেখিছেনে?"

"কি লিখিছে?"

"কি লিখিছে মানে! চৰকাৰেহে বোলে য'তে-ত'তে বোমা দি মানুহ মাৰি ফুৰিছে।"

"লিখিবলৈ দিয়াহে। যি লিখে লিখি থাকক। পেপাৰৰ কথা কোনেও বিশ্বাস নকৰে।"

"নহয় মানে, পেপাৰে আকৌ আল্‌ফা বন্দবাই কোৱা বুলি লিখিছে নহয়।"

"তাতে কি হ'ল? কৈ থাকক।"

"নহয়, মানে নির্দোষী মানুহবোৰ মৰি আছেতো।"

"আল্‌ফাই বাৰু বোমাবোৰ ফুটোৱা নাই নেকি?"

"ফুটাইছে।"

"কিন্তু আল্‌ফা বন্দবাই দেখোন চৰকাৰে ফুটোৱা বুলিহে কয়।"

"বুর্বক, তাকো বুজা নাই নে? এতিয়া দুয়ো দলে মুখেৰেও যিমান পাৰে বোমা ফুটাবই লাগিব। তেহে আচল বোমাৰ চোক কমিব।"

"বুজিছো ছাৰ, এই দুই ম'হৰ যুঁজত আমাৰ দৰে বিৰিণাৰ মৰণ হ'ব।" ◻◻

ফটো পৰিচয়পত্ৰ

সকলো ক্ষেত্ৰতে মাৰ খায় সাধাৰণ খাটিখোৱা মানুহখিনিয়ে। যেনে ধৰক বজাৰত মূল্যবৃদ্ধি হ'ল, লগে লগে কৰ্মচাৰী সংগঠনসমূহে দাবী কৰিব মৰগীয়া বানচ বৃদ্ধি কৰিবলৈ। পেট্ৰল, ডিজেলৰ দাম বাঢ়িল, লগে লগে বাছ-ট্ৰাকৰ মালিকপক্ষই ভাড়া বঢ়োৱাৰ দাবী কৰিব। গাখীৰৰ দাম বাঢ়িল লগে লগে চাহ দোকানী সন্থাই মিঠাইৰ দাম বঢ়োৱাৰ দাবী কৰিব। আনকি তামোল-পাণৰ দাম বঢ়োৱাৰ বাবেও পাণ-দোকানী সন্থাই দাবী কৰে আৰু চৰকাৰেও দাবী মানি লৈ দাম বঢ়োৱাৰ অনুমতি দিয়ে। শেষত গৈ মাধমাৰটো পৰে সাধাৰণ খাটিখোৱা মানুহখিনিৰ ওপৰত। অসমত লেখি শেষ কৰিব নোৱাৰা বিভিন্ন সংগঠন আছে। ৰাজনৈতিক, অৰাজনৈতিক বিভিন্ন সংগঠন আছে। দেখাত সকলোৱে খাটিখোৱা মানুহখিনিৰ দুখত কান্দি কান্দি চকুৰ পানী নাকৰ পানী একাকাৰ কৰে। কিন্তু কোনেও আচল সমস্যাবোৰৰ কাষলৈও নাযায়। সকলোৱে হাৱাত চিঞৰি থাকে।

আন কথা বাদেই, খাটিখোৱা মানুহখিনিৰ নিৰাপত্তাৰ কথাও কোনেও নাভাবে। বাকীবোৰৰ ক্ষেত্ৰত কিন্তু নিৰাপত্তাৰ বিষয়ত সকলো সজাগ। যেনে ধৰক— চৰকাৰী কৰ্মচাৰীৰ কথা বাদেই, বে-চৰকাৰী কৰ্মচাৰীসকলকো ফটো পৰিচয়-পত্ৰ দিয়া হয়। অৱশ্যে পৰিচয়-পত্ৰ দিয়াৰ নিয়ম আগতেও আছিল কিন্তু পৰিচয়-পত্ৰ লগত লৈ ফুৰাৰ দৰ্কাৰবোধ কৰা নাছিল কোনেও। কিন্তু বৰ্তমান দেশৰ পৰিস্থিতি এনে পৰ্যায় পাইছে যে নিজৰ হাতত লৈ ফুৰা মোনাখনৰ ভিতৰতো বোমা নাই বুলি বুকু ডাঠি ক'ব নোৱাৰা অৱস্থা হৈছে কোনেও। গতিকে চৰকাৰী বা বে-চৰকাৰী কৰ্মচাৰীসকলক ফটো পৰিচয়-পত্ৰ দিয়াই নহয় সকলোৱে দেখাকৈ ডিঙিত ওলোমাই লৈ ফুৰাটো বাধ্যতামূলক কৰিছে। তাকে দেখি N.G.O. বিলাকৰ সদস্যসকলকো ডিঙিত ওলোমাই লোৱাৰ বাবে ফটো পৰিচয়-পত্ৰ দিয়াৰ ব্যৱস্থা কৰিছে। অকল সেয়ে নহয় গাঁৱৰ চুকে-কোণে গজি উঠা আত্মসহায়ক গোটবিলাকেও আনকি ফটো পৰিচয়-পত্ৰ দিয়াৰ ব্যৱস্থা কৰিছে।

"কাৰণ, নিৰাপত্তা।"

"নিৰাপত্তা মানে? ফটো পৰিচয়-পত্ৰই গা-ৰখীয়াৰ কাম কৰিব নেকি?"

"নকৰে। কিন্তু অন্য কাম এটা কৰিব। চিনাক্তকৰণৰ কাম। ৰাস্তাই-ঘাটে, গাড়ীয়ে-মটৰে, হাটে-বজাৰে বোমা ফুটি যেনেকৈহে মানুহ মৰা আৰম্ভ হৈছে কোন মৰিল কোন বাচিল হিচাপ উলিওৱাই টান হৈ পৰিছে। গতিকে ফটো পৰিচয়-পত্ৰ। ফটো পৰিচয়-পত্ৰ থাকিলে সেই অসুবিধা বহু পৰিমাণে লাঘৱ হ'ব। মৃতদেহটো চিনিব নোৱাৰা হৈ গ'লেও ডিঙিত ওলোমাই থোৱা ফটো পৰিচয়-পত্ৰখন চায়েই ক'ব পৰা হয় সেইটো কাৰ মৃতদেহ। আনকি মৃতদেহৰ সলনি সিঁচৰতি হৈ থকা মাংসৰ টুকুৰা আৰু তেজৰ মাজত পৰি থকা পটো পৰিচয়-পত্ৰখন চায়েই ক'ব পৰা যাব কাৰ তেজ, কাৰ মাংস আছিল সেইবোৰ।"

" সেইটো বাৰু ঠিক বুলিয়েই ধৰিলো। কিন্তু ফটো পৰিচয়-পত্ৰ নথকাবোৰৰ ক্ষেত্ৰত কি হ'ব? খাটিখোৱা সাধাৰণ মানুহবোৰৰতো ফটো পৰিচয়-পত্ৰ নাথাকে।"

"তাকেইতো ক'ব খুজিছো। মানে ৰাজহুৱা স্থানত বোমা বিস্ফোৰণ হ'লে তাত সাধাৰণ খাটিখোৱা মানুহেই বেছিকৈ মৰিব। বিস্ফোৰণত দেহ টুকুৰা-টুকুৰ হৈ ঘৰৰ চালত, গছৰ ডালত মাংসৰ টুকুৰা লাগি থাকিলে সাধাৰণ খাটিখোৱা মানুহ কেইজন মৰিল, কোন কোন মৰিল কেনেকৈ জানিব। মাংসৰ টুকুৰা লগ লগাই একোটা মৃতদেহ সজাই হিচাপ এটা দিব পৰা যাব। কিন্তু প্ৰকৃত হিচাপ ওলাব জানো?"

"হে-ৰি, সেইবোৰ মানুহ মৰা আৰু বাচি থকাৰ মাজত কিবা পাৰ্থক্য আছে জানো? গতিকে মৃতকৰ সংখ্যাক লৈ মাথা ঘমাই লাভ নাই। আৰু এটা কথা জানে নে নাই — অসমীয়া মানুহ মানে চব আল্ফা। গতিকে বে-হিচাপত যিমান মৰে সিমানেই ভাল। হিচাব কৰি লাভ নাই।"

"হ'লেও ফটো পৰিচয়-পত্ৰ থকা ভাল।"

"হয় হয়, ঠিক কথা কৈছে।" কথাটো শুনি আন্দোলনৰ ইচ্ছু বিচাৰি থকা লিডাৰজাতীয় এজনে ওপৰতে ধৰিলে, "আমিও সেই বিষয়ে আলোচনা কৰি আছিলো। মানে ফটো পৰিচয়-পত্ৰ লাগিব ঠিক। কিন্তু আমাৰ মানুহক দৰ্কাৰ নাই। ফটো পৰিচয়-পত্ৰ লাগিব বাংলাদেশী সকলকহে।"

"কি কয় হে?"

"হয়, ঠিকেই কৈছো। তাৰ কাৰণে দৰ্কাৰ হ'লে আমি আন্দোলন কৰিম। চৰকাৰৰ

গাদী কঁপাই দিম। সৰ্বাত্মক আন্দোলনৰ বাবে এইটো ভাল ইছ্যু হ'ব।"

"কি ভাল ইছ্যু হ'বহে? কি ভাল ইছ্যু হ'ব।"

"বুজা নাই? শুনক। বিহাৰী মাৰা বুলি পেপাৰত পায়েই গোটেই ভাৰতৰ লিডাৰসোপা উৰা মাৰি আহি অসম পাইছিলহি নে নাই?"

"পাইছিল।"

"অসমত ভৰি থৈয়েই অসমীয়াসোপাক ধম্‌কি দি গৈছিল নে নাই?"

"গৈছিল।"

"তেনেহ'লে?"

"বিহাৰী মাৰা বুলি ধম্‌কিহে দিছিল, যদি বাংলাদেশী মাৰা বুলি শুনে তেতিয়া একেবাৰে হেৰি কৰি দিব। বুজিছে? গতিকে পৰিচয়-পত্ৰ চাই কম্‌চে কম বাংলাদেশী থকা ঠাইত বোমা-বাৰুদ নুফুটাবলৈ উগ্ৰপন্থীসকলক ৰাইজৰ ফালৰ পৰা আবেদন কৰিব পৰা যাব।"

"অকল বাংলাদেশীকে কিয়, সকলোকে ফটো পৰিচয়-পত্ৰত দিয়াৰ কাৰণে আন্দোলন কৰিব নোৱাৰি নেকি?"

"কিয় লাগে?"

"কাৰণ ফটো পৰিচয়-পত্ৰখন ডিঙিত ওলমি থাকিলে পাৰ্কত বস্ত্ৰহৰণৰ ভাওনা কৰি থকাসকল কোন প্ৰজাতিৰ জীৱ চিনিব পৰা যাব।"

"ঠিক আছে, ঠিক আছে। আমাৰ দাবী হ'ব ল'ৰা-বুঢ়া-তিৰোতা সকলোকে ফটো পৰিচয় দি সেইখন ডিঙিত ওলোমাই লৈ ফুৰাটো বাধ্যতামূলক কৰক।"

"হ'বনে?"

"হ'ব। কিন্তু তেতিয়া সাধাৰণ মানুহৰ কি লাভ হ'ব?"

"লাভ কিয় নহ'ব? তেতিয়া সকলোৱে নিৰ্ভয়ে ঘূৰি ফুৰিব পাৰিব।"

"ফটো পৰিচয়-পত্ৰ থাকিলে বোমা ফুটিলে মানুহ নমৰে নেকি, নিৰ্ভয়ে ঘূৰাৰ কথা ক'লে যে?"

"সেইটো নহয়হে। আচল কথা হ'ল সেইখন ডিঙিত থাকিলে ঘৰৰ মানুহে মৃতদেহ বিচাৰি টেন্‌চন খাব নালাগে নহয়। গতিকে নিশ্চিন্ত মনে ঘূৰি ফুৰিব পাৰিব।" ◻◻